# আনন্দলেখা

# ANANDALEKHA

## আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আলোচনী

পঞ্চচত্বাৰিংশতম সংখ্যা

২০০৬-২০০৭ বৰ্ষ



সম্পাদক

আন হাজৰিকা

# আনন্দলেখা
# ANANDALEKHA

## আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আলোচনী

*With Best Compliments to - -*

------------------------------------------------------------

------------------------------------------------------------

**Dr. S.U. Ahmed**
**Principal, ADP College**

**Prof-in-charge**

**Aan Hazarika**
**Editor, Anandalekha**

সম্পাদক

আন হাজৰিকা

**ANANDALEKHA** : An Annual Publication of the Students' Union of Anandaram Dhekial Phukan College. Edited by Sri Aan Hazarika and published by Principal, Anandaram Dhekial Phukan College, Haibargaon, Nagaon (Assam) Pin 782 002, Session : 2006-07



আনন্দৰাম ঢেকিয়াল ফুকন

## আনন্দলেখা সম্পাদনা সমিতি ঃ-

সভাপতি ❖

অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ

কার্যকৰী সভাপতি ❖

উপাধ্যক্ষ নিত্যানন্দ বৰা

ত্বাবধায়ক বৃন্দ ❖

অধ্যাপক ড° নিত্যানন্দ পাটনায়ক

অধ্যাপক এম. হবিব উল্লাহ

অধ্যাপক অজিত ভৰালী

পাদক ❖

আন হাজৰিকা

ন্যদ্বয় ❖

শ্ৰী দিপাংকৰ গোস্বামী

মঃ তাহিৰুল ইছলাম

পাতৰ শিল্পী ❖ সুজিত দাস, নগাঁও ।

শক ❖

অধ্যক্ষ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও

❖

মেৰিগল্ড অফছেট প্ৰেছ , ফৌজদাৰীপট্টি, নগাঁও

মবাইল- ৯৪৩৫১ - ৬১০৩৬

# অশ্ৰু-অঞ্জলি

জন্ম ঃ ইং ২৩-০১-১৯৪৩



মৃত্যু ঃ ইং ১৪-০২-২০০৭

অধ্যাপক ডিম্বেশ্বৰ হাজৰীকাদেৱ
চাকৰিকাল ঃ শিক্ষাবিভাগৰ অধ্যাপক ৰূপে ইং ০১-০৪-১৯৭১ তাৰিখে যোগদান কৰি
বিভাগীয় মুৰব্বী ৰূপে ইং ৩১-০৭-২০০৪ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

জন্ম ঃ ইং ০১-০৩-১৯৫৫



মৃত্যু ঃ ইং ০১-০২-২০০৭

অম্বুৰাম চমুৱা
প্ৰয়াত চমুৱাই ইং ০১-০৮-১৯৭৭ তাৰিখে মহাবিদ্যালয় কাৰ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক ৰূপে যোগদান কৰি
কৰ্মৰত অৱস্থাত অসুখজনিত কাৰণত ইং ০১-০২-২০০৭ তাৰিখে মৃত্যুবৰণ কৰে।

জন্ম ঃ ইং ২৫-১০-১৯৮৮



মৃত্যু ঃ ইং ১৫-০৯-২০০৭

দেবাশীষ ৰাভা
(স্নাতক মহলাৰ ছাত্ৰ)

অধ্যাপক ডিম্বেশ্বৰ হাজৰীকা, কৰ্মচাৰী অম্বুৰাম চমুৱা আৰু ছাত্ৰ দেৱাশীষ ৰাভাৰ বিয়োগত শোকাৰ্ত মনেৰে বিদেহী আত্মাৰ চিৰশান্তি কামনাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ -

'আনন্দলেখা সম্পাদনা সমিতি'



অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ

# সূচীপত্ৰ

## অসমীয়া বিভাগ

**বিজ্ঞান বিষয়ক**


| | | |
|---|---|---|
| ❖ সোণালী ধান (Golden Rice) আৰু আইৰণ-ধান (Iron Rice)ৰ বিষয়ে এটি নাতিদীৰ্ঘ আলোচনা | ৰাকেশ নাথ | ১ |
| ❖ হিৰোচিমা আৰু নাগাচাকিয়ে মানৱ সভ্যতাক কোনো শিক্ষা দিব নোৱাৰিলে | মঃ হজৰত আলী | ৬ |
| ❖ এইচ,আই ভি / এইড্‌ছৰ বিষয়ে কিছু তথ্য | মৃদুপৱন বৰা | ৯ |
| **জীৱন বিষয়ক** | | |
| ❖ আজিৰ সমাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা | শেখৰ জ্যোতি দাস | ১১ |
| ❖ শিক্ষক দাৰ্শনিক তথা ৰাজনীতিবিদ ড সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ | আফৰোজ আৰা আহমেদ | ১৩ |
| **চিন্তন** | | |
| ❖ কোন তুমি মনালিছা ........! | পৰিস্মীতা শইকীয়া | ১৬ |
| ❖ সাফল্যৰ আন এক নাম সাহস ......... | মানস প্ৰতিম বৰা | ১৯ |
| ❖ সৎ কৰ্মই শ্ৰেষ্ঠ ধৰ্ম | জীতেন্দ্ৰ কুমাৰ হীৰা | ২০ |
| **খেল বিষয়ক** | | |
| ❖ শিৰোনামা ঃ টুৱেন্টি - ২০ ৱৰ্ল্ড কাপ আৰু ভাৰতবৰ্ষ | মৃ . প . বৰা | ২১ |
| **গল্প** | | |
| ❖ দোমোজা | ৰিতুপৰ্ণ পাটৰ | ২৩ |
| ❖ দিক্‌ভ্ৰান্ত | দিপিকা শইকীয়া | ২৭ |
| ❖ অকাল সূৰ্যাস্ত | মনালিছা শইকীয়া | ৩১ |
| ❖ এন্ধাৰে আৰৰা জোনাক | শ্ৰী ৰুমী বৰদলৈ | ৩৩ |
| ❖ তোমাক ভালপাওঁ বাবেই | মানৱ জ্যোতি মহন্ত | ৩৬ |
| **অনুভৱ** | | |
| ❖ প্ৰিয়তমালৈ বুলি ............. | ইমদাদুল ইছলাম | ৩৮ |
| **কবিতা কানন** | | |
| ❖ কালজয়ী | জিতেন্দ্ৰ কুমাৰ হীৰা | ৩৯ |
| ❖ আছে জানো এখন হৃদয় | ৰত্না বৰা | ৩৯ |
| ❖ হেৰুৱা দিনৰ সুবাস | হবিবুৰ ৰহমান | ৪০ |
| ❖ এতিয়া যে সেইবোৰ স্মৃতি হ'ল | বিকাশ জ্যোতি হাজৰিকা | ৪০ |
| ❖ উদিত সূৰুয | ভৈৰবী দাস | ৪১ |
| ❖ তোমাক ভালপাওঁ বাবেই | মিতুল ডেকা | ৪১ |
| ❖ মোৰ অতীত ভৱিষ্যত | অঞ্জন কুং শৰ্ম্মা কৌশিক | ৪২ |
| ❖ মোৰ কবিতাৰ আকাশত নামিল ডাৱৰ | দেবীকা ৰয় | ৪৩ |

## কবিতা কানন


| | | |
|---|---|---|
| ❖ তোমাক কি লাগে | মীনাক্ষী বৰদলৈ | ৪৩ |
| ❖ মা | প্ৰণিতা ডেকা | ৪৪ |
| ❖ নিষ্ঠুৰ সময় | মানৱ জ্যোতি মহন্ত | ৪৪ |
| ❖ এডোখৰ শিলৰ টুকুৰা | বৰ্ণালী হাজৰীকা | ৪৫ |
| ❖ তুমিতো মোৰ কাহানিও নাছিলা | দীপিকা শইকীয়া | ৪৫ |
| ❖ চকুলো | দিব্যজ্যোতি হাজৰিকা | ৪৬ |
| ❖ খিৰিকী মুখত তোমাৰ মুখ | দিবাকৰ বৰদলৈ | ৪৬ |
| ❖ এটা নতুন সপোনৰ বাবে | মৃদুলা বৰদলৈ | ৪৭ |
| ❖ স্মৃতিক সুঁৱৰি | ৰুমি বৰদলৈ | ৪৭ |
| ❖ মাথোঁ তোমাৰেই অপেক্ষাত | ইমদাদুল ইছলাম | ৪৮ |
| ❖ জীৱন | মঃ আমজাদ হুছেইন | ৪৮ |
| ❖ তোমাক সুঁৱৰি এটি আবেলি | ৰিতুপৰ্ণ পাঠৰ (বাবু) | ৪৯ |
| ❖ সপোন | মৌচুমি মজুমদাৰ | ৪৯ |
| ❖ ভালপাওঁ তোমাক | ৰবিশংকৰ বৰদলৈ | ৫০ |
| ❖ এন্ধাৰ জীৱন মোৰ | মঃ ইকৰামুল হক | ৫০ |
| ❖ অদৃশ্য কাৰাগাৰৰ বন্দী মই | সংঘমিত্ৰা দাস | ৫১ |
| ❖ মহৎলোকৰ বাণী | | ৫২ |


## বাংলা বিভাগ


| | | |
|---|---|---|
| ❖ হৃদয়ের বন্ধন | টুম্পা দাস | ৫৩ |
| ❖ পিন্টু | অভিজিৎ চক্রবর্ত্তী | ৫৫ |
| ❖ অভিশপ্ত প্রেম | দেবজিৎ ভৌমিক | ৫৮ |
| ❖ নিঃসঙ্গতা | অনামিকা দেৱনাথ | ৫৯ |
| ❖ মহৎলোকের বাণী | সংগ্রহে ঃ রিম্পী নাগ | ৬০ |


## हिन्दी विभाग


| | | |
|---|---|---|
| ❖ ऋतुपरक उत्सव महोहो | अध्यापिका गीतामाला बरा | ৬১ |
| ❖ रस की अवधारणा .......... | मिस साफिया बेगम | ৬৩ |
| ❖ जलवायु परिवर्तन .......... | भूषण कुमार | ৬৭ |
| ❖ ताजमहल ............... | जि. कु. हीरा | ৬৯ |
| ❖ एहसास | आकलीमा हाजरीका | ৭১ |
| ❖ जगत की रीति | दिलीप कुमार दास | ৭১ |
| ❖ कैसे कहुँ | दिपांक कोंवर | ৭২ |
| ❖ साथ | रमेश दास | ৭২ |
| ❖ काँलेज की चुनींदी यादे | गुलशन खातुन | ৭৩ |

## संस्कृत विभाग


- ❖ ज्ञान प्रशंसा — श्री बर्नाली हाजरीका — ৭৪
- ❖ उपनिषद् ........ — अध्यापिका रंगमाला रय — ৭৫
- ❖ छात्राणामध्ययणं तप: — त्रिदिव गोस्वामी — ৭৬
- ❖ "সংস্কৃত ব্যাকৰণ" কৰ্মশালা — ৭৭
- ❖ সংস্কৃত আৰু বিজ্ঞান বিষয়ক প্ৰদৰ্শনী — ৭৮


## ENGLISH SECTION


- ❖ *ADVERSE EFFECTS* ......... — *Prof. Ms. Alpana Baruah* — ৭৯
- ❖ *Socio-Economic Survey* ....... — *Survey undertaken by the Dept. of Economics* — ৮২
- ❖ *Environment-Global Warning* — *Md. Hazart Ali* — ৮৪
- ❖ *Mother Tressa* — *Jitendra Kumar Hira* — ৮৫
- ❖ *Life or John Keats* — *Imran Khan* — ৮৭
- ❖ *My Love* — *Manab Jyoti Mahanta* — ৮৯
- ❖ *Life* — *Dipankar Goswamie* — ৮৯
- ❖ *Dream Lover* — *Sanghamitra Das* — ৯০


## Amusement


- ❖ **Winners of the College Week Events : 2006-2007** — ৯১


### ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বছেৰেকীয়া প্ৰতিবেদন ৰাজি ঃ


- ❖ **উপ সভাপতিৰ প্ৰতিবেদন** — ৯৬
- ❖ সহকাৰী সাধাৰণ সম্পাদকৰ .............. — ৯৮
- ❖ সংগীত বিভাগৰ সম্পাদকৰ .............. — ৯৯
- ❖ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ .............. — ১০০
- ❖ তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ .............. — ১০২
- ❖ ক্ৰীড়া (আন্তঃ) বিভাগৰ সম্পাদকৰ .............. — ১০৩
- ❖ ক্ৰীড়া (বহিঃ) বিভাগৰ সম্পাদকৰ .............. — ১০৪
- ❖ ব্যায়াম বিভাগৰ সম্পাদকৰ .............. — ১০৫
- ❖ ছাত্ৰ-ছাত্ৰী সাহায্য নিধি বিভাগৰ সম্পাদকৰ .............. — ১০৬
- ❖ সমাজ সেৱা বিভাগৰ সম্পাদকৰ .............. — ১০৭
- ❖ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ .............. — ১০৮

# অসমীয়া বিভাগ

# সোণালী - ধান (Golden Rice) আৰু আইৰণ-ধান (Iron Rice)ৰ বিষয়ে এটি নাতিদীৰ্ঘ আলোচনা

**ৰাকেশ নাথ**
স্নাতক দ্বিতীয় বৰ্ষ (উদ্ভিদ বিজ্ঞান বিভাগ)

ভাৰতৰ নিচিনা সমস্যা বহুল তৃতীয় বিশ্বৰ দেশবোৰত দেখা দিয়া জনস্বাস্থ্য সম্পৰ্কীয় সমস্যাবোৰৰ ভিতৰত দুটা প্ৰধান সমস্যা- দৃষ্টিহীনতা আৰু ৰক্তহীনতা হ'ল সবাতোকৈ মৰ্ম্মান্তিক। দৃষ্টিহীনতাৰ মূল কাৰণ হ'ল আমাৰ খাদ্যত হোৱা ভিটামিন - A (vit-A) ৰ অভাৱ। আনহাতে ৰক্তহীনতা (anaemia)ৰ মূল কাৰণ হ'ল আমাৰ খাদ্যত হোৱা আইৰন (iron)ৰ অভাৱ। সেয়ে আধুনিক জীৱ-প্ৰযুক্তি বিদ্যাই (Bio-technology) Vit - A সমৃদ্ধ এবিধ বিশেষ ধান - সোণালী ধান (Golden Rice) আৰু Iron সমৃদ্ধ অন্য এবিধ ধান - আইৰন ধান (Iron Rice) উদ্ভাৱন কৰাত গুৰুত্ব আৰোপ কৰিছে।

## "সোণালী ধান" - আশা দৃষ্টিহীনতাৰ বিৰুদ্ধে ঃ

ভিটামিন - A ৰ অভাৱৰ ফলত সৃষ্টি হোৱা দৃষ্টিহীনতাৰ সমস্যা সমাধানাৰ্থে ৩ টা বিশেষ উপায় উদ্ভাৱন কৰা হৈছে। ইয়াৰে প্ৰথমটো উপায় অনুসাৰে Vit - A যুক্ত আহাৰ, যেনে - সেউজীয়া শাক - পাছলি, মাছ - মাংস, কণী ইত্যাদি অধিক পৰিমাণে খাবলৈ জনসাধাৰণক উদ্বুদ্ধ কৰা। পিছে দুখীয়া লোকসকলে অৰ্থৰ অভাৱত কেতিয়াও এনেবোৰ খাদ্য উপযুক্ত পৰিমাণে খাব নোৱাৰে। সেয়ে সমস্যা সমস্যা হৈয়ে থাকিল। দ্বিতীয় উপায় অনুসাৰে সেইবাবে Vit-A যুক্ত পিল (Pill) দুখীয়া শিশু বা গৰ্ভৱতী মাতৃৰ মাজত বিনামূলীয়াকৈ বিতৰণ ব্যৱস্থা'ৰ কেৰোণ তথা সততাৰ অভাৱৰ বাবে এই ব্যৱস্থায়ো আশানুৰূপ ফল দেখুওৱাব নোৱাৰিলে। সেয়ে, তৃতীয় পন্থা অনুসাৰে নিমখৰ যোগেদি আয়'ডিন (Iodine) ৰ যোগান ধৰাৰ লেখীয়াকৈ চাউলৰ যোগেদি Vit - A যোগান ধৰাৰ কথা ভবা হ'ল। কিয়নো প্ৰায়বোৰ দুখীয়া দেশৰ মানুহৰ ভাতেই হ'ল প্ৰধান খাদ্য। সেয়ে আমি খোৱা চাউলবোৰক Vit - A সমৃদ্ধ কৰি দৃষ্টিহীনতাৰ লেখীয়া জটিল সমস্যা সমাধান কৰিব খোজা হৈছে।

## সোণালী ধান উৎপাদনৰ কাৰিকৰী কথা ঃ

আমি খোৱা বিভিন্ন শাক - পাচলি, কণী, মাছ - মাংস আদিত যথেষ্ট পৰিমাণে Vit - A থাকে; কিন্তু আমাৰ মূল খাদ্য ভাতত Vit - A নাথাকে বুলিলেই হয়। সেয়ে Vit - A সংশ্লেষণ কৰিব পৰা জিন (জিনত থকা DNA বোৰে জীৱদেহৰ চৰিত্ৰবোৰ বহন কৰে) অন্য জীৱদেহৰ কোষৰ পৰা আনি

ধানত সংস্থাপন কৰিব খোজা হৈছে। এই প্ৰচেষ্টাৰ শেষ ফল হৈছে 'সোণালী ধান'।

আমি খোৱা চাউলবোৰত Vit - A প্ৰস্তুত কৰিবলৈ আৱশ্যক হোৱা প্ৰাথমিক পদাৰ্থবিধ অৰ্থাৎ B- caroten (বিটা - কেৰ'টিন) নাথাকে। কিন্তু কুমলীয়া চাউলত Gemayl Geranyl Pyrophosphate (GGPP) নামৰ ৰাসায়নিক পদাৰ্থ থাকে। তাক বিশেষ ৰাসায়নিক বিক্ৰিয়াৰে B-carotene লৈ ৰূপান্তৰিত কৰিব পাৰি। কিন্তু এই ৰাসায়নিক বিক্ৰিয়া সংঘটিত কৰিবলৈ দৰকাৰ হোৱা ৩ টা নিৰ্দিষ্ট এনযাইম (enzyme) আৰু (Phytoene synthetase, Phytoene desaturase এই সাধাৰণ ধানবোৰত নাই। সেয়ে enzyme কেইবিধৰ উৎপাদন নিয়ন্ত্ৰণ কৰা ৩ টা নিৰ্দিষ্ট জিন অন্য জীৱকোষৰ পৰা সংগ্ৰহ কৰি আনি ধানত স্থাপন কৰিবৰ বাবে চিন্তা কৰা হ'ল। তাৰবাবে চুইজাৰলেণ্ড (Swizerland)ৰ জুৰিক (Zurich) নগৰত অৱস্থিত Swiss Federal Technical Institute - ৰ বিশিষ্ট উদ্ভিদ বিজ্ঞানী ইংগ প্ৰ'ট্ৰিকুছ (Ingo Potrykus) আৰু তেওঁৰ সহযোগী এদল বিজ্ঞানীয়ে ১৯৯২ চনত Vit - A সমৃদ্ধ ধানৰ উদ্ভাৱন এক অভিলাসী আঁচনি গ্ৰহণ কৰে। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ পিছত তেওঁলোকে ডেফ'ডিল (Daffodil) নামৰ ফুলবিধৰ পৰা দুটা জিন (Psy & Icy ) আৰু এবিধ বিশেষ বেক্টেৰিয়াৰ পৰা এটা জিন (Crt 1 gene) আনি ধানত সংস্থাপন কৰে। এনেদৰে উদ্ভাৱন কৰা ধানবিধে নিজস্বভাৱে B - carotene সংশ্লেষণ কৰিব পৰা হ'ল। পৰীক্ষাগাৰত এই কথাৰ প্ৰমাণো পোৱা গ'ল। গতিকে এনেধৰণৰ চাউল খালে আমাৰ শৰীৰে উপযুক্ত পৰিমানে Vit - A সংশ্লেষণ কৰিব পাৰিব বুলি ভবা হৈছে। উল্লেখযোগ্য যে তেওঁলোকে পৰীক্ষা চলাইছিল Talpel - 39 নামৰ এবিধ জাপানী ধানত। ডেফ'ডিল গছৰ পৰা সংগ্ৰহ কৰা gene টোৱে প্ৰস্তুত কৰা B -carotene-এ চাউলৰ ৰং সোণ- হালধীয়া কৰি তোলে বাবে এই চাউলবিধৰ নাম ৰখা হ'ল সোণালী চাউল ( সোণালী ধান) বা (Golden -Rice)

**চুইজাৰলেণ্ডৰ পৰা এছিয়া মহাদেশ পালেহি সোণালী চাউল**

চুইজাৰলেণ্ডৰ পৰা সোণালী চাউল ইতিমধ্যেই 2002 চনৰ জানুৱাৰী মাহৰ 19 তাৰিখে আমাৰ এছিয়া মহাদেশৰ ফিলিপাইনত থকা আন্তৰ্জাতিক ধান শস্য গৱেষণা কেন্দ্ৰ IRRI- (International Rice Research Institute) আহি পাইছে। IRRI-ৰ বিজ্ঞানীসকলে এতিয়া "Vit - A" ৰ নাটনিৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ ক্ষেত্ৰত সোণালী চাউলৰ নিৰ্বিঘ্নতা আৰু উপযোগিতাৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা চলাই আছে। চুইজাৰলেণ্ডৰ আৱিষ্কাৰক সকলে এই চাউল প্ৰস্তুত কৰাৰ প্ৰযুক্তি, বীজ, আনকি তেওঁলোকে যিকেইটা জিনৰ অন্তৰ্ভূক্তিৰে সোণালী চাউল সৃষ্টি কৰিলে, সেই জিনকেইটাৰ চানেকী বা মডেলো বিনামূলীয়াকৈ উন্নয়নশীল দেশবোৰত যোগান ধৰিছে।

উদ্ভিদ প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰতে ইতিমধ্যে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় বিজ্ঞানী সকলে সোণালী চাউল সৃষ্টিকাৰী জিনকেইটা I R - 64 আৰু Pusa - 1 নামৰ ধান প্ৰজাতিত অন্তৰ্ভুক্ত কৰাৰ কথা চিন্তা কৰিছে। এই ক্ষেত্ৰত ভাৰতীয় জৈৱপ্ৰযুক্তি বিদ্যা

বিভাগ (DBT - Department of Bio - technology)ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

**সোণালী ধানৰ ভৱিষ্যৎ ঃ**

সোণালী ধান সম্পৰ্কত পৃথিৱীজুৰি বিতৰ্কৰ সৃষ্টি হৈছে। বিভিন্ন পৰিবেশপ্ৰেমী সংগঠনে ইয়াৰ বিৰোধিতা কৰাও দেখা গৈছে। তেওঁলোকৰ মতে এনেদৰে সৃষ্টি কৰা ধানে ভৱিষ্যতলৈ সমগ্ৰ জীৱ-জগতৰে বিপদ মাতি আনিব পাৰে। তদুপৰি এইবোৰে জৈৱ বৈচিত্ৰ হ্ৰাসৰ প্ৰক্ৰিয়াটো অধিক খৰতকীয়া কৰিব বুলিও শংকা কৰা হৈছে। বহুতে আকৌ ইয়াক বহুজাতিক কোম্পানীৰ মুনাফা লুটাৰ কাৰচাজি বুলিও ক'ব খোজে। পিছে সোণালী ধানৰ উদ্ভাৱক তথা সমৰ্থক সকলে বিৰোধীৰ এনে শংকা অমূলক বুলি কৈছে। তেওঁলোকৰ মতে দৃষ্টিহীনতাৰ নিচিনা সমস্যা সমাধানৰ বাবে সোণালী ধান হ'ব পাৰে অতি ফলপ্ৰসূ। তদুপৰি কৃষকে এই ধানৰ বীজ এবাৰ কিনি লৈ পাছলৈ নিজেই সংৰক্ষণ কৰিব পাৰিব। গতিকে বহুজাতিক কোম্পানীৰ আগ্ৰাসী হাঁতোৰাত সোমোৱাৰ কথাও তেনেই ভিত্তিহীন। অসংখ্য যুক্তি তৰ্কৰ মাজেৰে 'সোণালী ধান'ৰ গৱেষণা আগবাঢ়িছে।

তদুপৰি এটা কথা ঠিক যে বৰ্তমান সোণালী চাউলৰ প্ৰতি গ্ৰামত পোৱা 1.6 মাইক্ৰগ্ৰাম পৰিমাণৰ B-Carotene অতি কম, আৰু এই পৰিমান এটা শিশুক প্ৰতিদিনে প্ৰয়োজন হোৱা Vit - A ৰ মাত্ৰ 12% হে আৰু এজন প্ৰাপ্ত বয়স্কৰ নিত্য প্ৰয়োজনীয়তাৰ মাত্ৰ 15%হে। কিন্তু অদূৰ ভৱিষ্যতে B-Caroten ৰ পৰিমাণ বৰ্তমানৰ পৰিমাণতকৈ যে কেইবাগুণো বৃদ্ধি কৰিব পৰা যাব সেইটো ধ্ৰুপ।

**"আইৰন-ধান (Iron - Rice)"- ৰক্ত হীনতাৰ বিৰুদ্ধে জৈৱ প্ৰযুক্তিবিদ্যাৰ প্ৰত্যাহ্বান ঃ**

আগতে উল্লেখ কৰা হৈছে যে উন্নয়নশীল দেশসমূহৰ জনস্বাস্থ্য সম্পৰ্কীয় এটা মুখ্য সমস্যা হ'ল ৰক্তহীনতা। ৰক্তহীনতা দেহত iron - ৰ পৰিমাণ কম হোৱাৰ ফলত হয়। পৃথিৱীৰ প্ৰায় 30% লোক iron পুষ্টিহীনতাত আক্ৰান্ত। তদুপৰি উন্নয়নশীল দেশবোৰৰ 39% প্ৰাক-স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা 52% মহিলাও ৰক্তহীনতাত ভোগে। এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ ছবিখন আৰু দুখ লগা।

**ৰক্তহীনতা দুৰ কৰাৰ উপায় ঃ**

আইৰন পুষ্টিহীনতা দূৰ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে। ইয়াৰে প্ৰথমটো ব্যৱস্থা অনুসাৰে ভুক্তভোগীৰ মাজত আইৰণ যুক্ত ঔষধ (iron tablets) বিতৰণ কৰা হ'ল। কিন্তু সদায় এনেদৰে টেবলেট যোগান ধৰাটো অতি খৰচী প্ৰক্ৰিয়া আৰু ইয়াৰ কিছু পাৰ্শ্বক্ৰিয়াও লক্ষ্য কৰা গ'ল। দ্বিতীয় পন্থা অনুসাৰে খাদ্যত আইৰণ মিহলি কৰি দিয়াৰ (food fortification) ব্যৱস্থা কৰা হ'ল। এই পন্থাটো বৰ কাৰ্যকৰী আছিল যদিও খাদ্যৰ ৰং আৰু সোৱাদৰ সালসলনি হোৱা আৰু আন কিছুমান জটিল কাৰিকৰী কাৰণৰ বাবেও ই দীৰ্ঘস্থায়ী নহ'ল। সেয়ে তৃতীয় পন্থা অনুসাৰে পৃথিৱীৰ বেছিভাগ মানুহৰ মূল আহাৰ হিচাপে ব্যৱহৃত চাউলত জৈৱিক প্ৰক্ৰিয়াৰে আইৰণৰ পৰিমান বৃদ্ধি কৰিবলৈ ব্যৱস্থা লোৱা হ'ল, যাতে আমি খোৱা ভাতখিনিৰ পৰাই আমাৰ শৰীৰে

আৱশ্যকীয় আইৰনখিনি পাব পাৰে। ইয়াৰ বাবে জীৱ-প্ৰযুক্তিবিদ্যা (Bio-Technology)ৰ আধুনিক কৌশল খটুৱাই ধানবোৰক এনে সাজ প্ৰদান কৰা হ'ল যে ই নিজে-নিজে আইৰণ অধিক পৰিমাণে সংশ্লেষণ কৰিব পৰা হ'ল। অধিক আইৰণ যুক্ত এনেবোৰ ধানকে কোৱা হৈছে আইৰণ - ধান (Iron - Rice) । এইখিনিতে এটা কথা কোৱা ভাল যে, আমি খোৱা চাউলত আইৰণৰ পৰিমাণ নামমাত্ৰ । (প্ৰতি 100 gm) চাউলত মাথোঁ 0.2-2.8 মিলিগ্ৰাম আইৰণ থাকে। এই কম পৰিমাণৰ আইৰণ খিনিকে আমাৰ দেহে সম্পূৰ্ণকৈ শুহি ল'ব নোৱাৰে। আকৌ ভাতৰ লগত খোৱা অন্যান্য খোৱা বস্তুত যিখিনি আইৰণ থাকে, সেইখিনি আমাৰ দেহে শুহি লোৱাৰ ক্ষেত্ৰত খোৱা ভাত কেইটাই বাধা দিয়ে। ইয়াৰ কাৰণ হ'ল চাউলত থকা ফাইটেট (Phytate) নামৰ এবিধ এনযাইম (enzyme)। এই এনযাইম বিধে খাদ্যত থকা আইৰণবোৰৰ বেছিভাগকে আটক কৰি ৰাখে। সেইবাবে আমাৰ শৰীৰ আইৰণৰ অভাৱত ভোগে।

**<u>আইৰণ ধান উৎপাদনৰ কাৰিকৰী কৌশল ঃ</u>**

আইৰণ ধান উৎপাদনৰ বাবে জীৱ-প্ৰযুক্তি বিদ্যাই এক অভিনৱ ব্যৱস্থা হাতত লৈছে। যিহেতু চাউলত (ধানত) বংশগতিক কাৰণতেই আইৰণৰ পৰিমাণ কম, গতিকে জিনীয় সংস্থাপন (genetic transplant) প্ৰথাৰ সহায় লোৱা হ'ল। ইয়াৰ বাবে আইৰণ সংশ্লেষণ কৰা জিন এটা (Ferritin gene) মাহজাতীয় শস্য এবিধৰ (Phaseolus Vulgaris, ফেন্সবিন) পৰা আনি ধানত সংস্থাপন কৰা হ'ল। ফলত ধানত আইৰণৰ পৰিমান দুগুণ হোৱা দেখা গ'ল। কিন্তু, খাদ্যত থকা আইৰণখিনি আহৰণ কৰাত শৰীৰক বাধা দিয়ে ফাইটেট (Phytate) নামৰ এনযাইমবিধে। সেয়ে দ্বিতীয় পৰ্যায়ত এই এনযাইম বিধক নিষ্ক্ৰিয় কৰিবলৈ Aspergilius fumigatus নামৰ এবিধ বেক্টেৰিয়াৰ পৰা এটা জিন আনি আগৰবিধ ধানতে সংস্থাপন কৰা হ'ল। বেক্টেৰিয়াৰ পৰা সংগ্ৰহিত এই জিনটোৱে ফাইটেজ (Phytase) নামৰ এবিধ এনযাইম প্ৰস্তুত কৰে। এইবিধ এনযাইমে ধানত থকা Phytate নামৰ enzyme বিধক ভাঙি পেলায়, ফলত আমাৰ খাদ্যত থকা আইৰণখিনি সহজে শৰীৰৰ বাবে উপলব্ধ হয়। শেষত আমাৰ পাচনতন্ত্ৰৰ পৰা শৰীৰে যাতে আইৰণবোৰ সহজে আৰু উপযুক্ত ভাবে আহৰণ কৰিব পাৰে তাৰ বাবেও ব্যৱস্থা লোৱা হ'ল। ইয়াৰ বাবে অন্য এটা জিন স্থাপন কৰা হ'ল। এই জিনটোৱে শৰীৰত ছিছটিন (Cystein) সমৃদ্ধ প্ৰ'টিন (Protein) বিধৰ উৎপাদন বৃদ্ধি কৰে; ফলত শৰীৰে খাদ্যবস্তুত থকা আইৰণবোৰ সহজে ল'ব পাৰে। এই তিনিওটা জিনক এনেভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা লোৱা হ'ল যাতে এইবোৰৰ প্ৰকাশ কেৱল ধানটোতহে হ'ব (গা-গছ বা শিপা, পাত আদিত নহয়)।

সদ্য প্ৰকাশিত তথ্যমতে আইৰণ সমৃদ্ধ ধানৰ পৰা মানুহে নিতৌ প্ৰয়োজন হোৱা আইৰণৰ আধা বা তাতোকৈ বেছি পাব পাৰিব।

**<u>সোণালী- আইৰণ ধান</u>** <u>(Golden - Iron Rice)</u> **ঃ**

তৃতীয় বিশ্বৰ দুখীয়া জনসাধাৰণৰ দৃষ্টিহীনতা আৰু

ৰক্তহীনতাৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি একেবিধ চাউলকে Vit - A আৰু আইৰণ সমৃদ্ধ কৰিব খোজা হৈছে যাতে খাওঁতেই একেলগে আইৰণ আৰু Vit - A আৱশ্যকীয় পৰিমাণত পাব পাৰে। সেয়ে Vit - A সমৃদ্ধ ধান (আইৰণ ধান)ৰ মাজত সংকৰণ (hybridization) ঘটাই এবিধ নতুন জাতৰ ধান উদ্ভাৱন কৰা হৈছে আৰু ইয়াৰে নাম হৈছে সোণালী আইৰণ ধান (Golden - Iron Rice)। ইতিমধ্যে এই দিশত বিস্তৃত গৱেষণা পৃথিৱীৰ বিভিন্ন গৱেষণাগাৰত চলি আছে।

অৱশ্যে এটা কথা আমি সকলোৱে মনত ৰখা ভাল যে জিন একোটা সংগ্ৰহ কৰা আৰু ইয়াক অন্য কোষত নি সংস্থাপন কৰা কথাটো বৰ সহজ নহয়। তদুপৰি জিনটো কেতিয়াবা সফলতাৰে সংস্থাপন কৰিলেও বিভিন্ন কাৰণত ইয়াৰ প্ৰকাশ বাধাগ্ৰস্ত হ'ব পাৰে। মুঠতে পৰীক্ষাগাৰত জিন সংস্থাপন কৰি উন্নতমানৰ শস্য উৎপাদন কৰা প্ৰক্ৰিয়াটো এটা বৰ জটিল, খৰচী আৰু দীঘলীয়া প্ৰক্ৰিয়া। তথাপি বৰ্তমানলৈ কৰা গৱেষণাৰ ফলাফলে আমাক আশা দেখুওৱাইছে যে অনাগত দিনত ভাতকে মূল আহাৰ হিচাপে লোৱা দুখীয়া জনগণে দৃষ্টিহীনতা আৰু ৰক্তহীনতাৰ লেখীয়া ব্যাধিৰ পৰা ভাত খায়েই পৰিত্ৰাণ পাব।




OOOOOOOOOOOOOOOOOOO

# হিৰোচিমা আৰু নাগাচাকিয়ে মানৱ সভ্যতাক কোনো শিক্ষা দিব নোৱাৰিলে

মঃ হজৰত আলী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

পুৱা আঠ বাজি পোন্ধৰ মিনিট গৈছে । পাৰমাণবিক বোমা পোলোৱা হ'ল । ৪৩ ছেকেণ্ডৰ পিছত । চকু চাঁট মাৰি ধৰা তীব্ৰ পোহৰ; এটা প্ৰবল কম্পন । চক ব্ৰেভ প্লেনখন আংশিক বেঁকা হ'ল । তলত বিৰাট মেঘ । কুণ্ডলী পকাই পকাই ধোঁৱাবোৰ দ্ৰুতভাৱে সিচঁৰতি হৈ পৰিছে ।

...... পুৱাৰ সময় । দূৰৰ পৰাই মেঘৰ কুণ্ডলীবোৰ দেখা গৈছে । উচ্চতা ১২,০০০ মিটাৰৰো বেছি ।

বি - ২৯ প্লেনখনৰ ফ্লাইট ডায়েৰীত এনেদৰেই ঘটনাটো লিপিবদ্ধ কৰা হৈছিল । 'এনোলা গে' প্লেনখনৰ নাম আৰু সেই কুখ্যাত বোমা পাৰমাণবিক বোমা । নাম - 'লিটিল বয়'। এই 'লিটিল বয়'কেই হিৰোচিমাৰ ঠিক মূৰৰ ওপৰত নিক্ষেপ কৰি যুদ্ধৰ এক কলংকিত ইতিহাস ৰচনা কৰিছিল - 'এনোলা গে' নামৰ বিমানখনে । সেইদিনা আছিল ৬ আগষ্ট, ১৯৪৫ ।

এই ঘটনাৰ ঠিক তিনি দিনৰ পিছত পুণৰাবৃত্তি ঘটে । এই বাৰৰ লক্ষ্য নাগাচাকি । ৯ আগষ্ট, ১৯৪৫ । সময় দুপৰীয়া ১১ বাজি ২ মিনিট । নাগাচাকিৰ ওপৰত নিক্ষেপ কৰা হ'ল আৰু এটি পাৰমাণবিক বোমা । নাম 'ফেট্‌মেন্' । এইটোৰ বিধ্বংসী ক্ষমতা আৰু বেছি আৰু ব্যাপক । 'লিটিল বয়'ত ব্যৱহাৰ কৰা হৈছিল ৬০ কিলোগ্ৰাম মান উইৰেনিয়াম ২৩৫ । পাৰমাণবিক বিভাজনৰ মাধ্যমত বিস্ফোৰণ ঘটিছিল মাত্ৰ ৭০০ গ্ৰাম । 'ফেটমেন'ত ব্যৱহাৰ কৰা হৈছিল ২০ কিলোগ্ৰাম প্লুটোনিয়াম ২৩৯ । এই প্লুটোনিয়ামৰ ১.৩ কিলোগ্ৰাম বিস্ফোৰণে অংশগ্ৰহণ কৰে । লিটল বয়'ৰ বিস্ফোৰণ ক্ষমতা আছিল ১২৫০০ টন টি এন টি বা নাইট্ৰো টল্যুইনৰ বিস্ফোৰণ ক্ষমতাৰ সমান । 'ফেটমেন' আছিল ২২০০০ টন টি এন টিৰ সমতুল্য ।

৩৩ বছৰ বয়সীয়া মহিলা এগৰাকীৰ নাম ফু তাবা কিতা ইয়ামা । লিটিল বয়'ৰ য'ত বিস্ফোৰণ ঘটিছিল অৰ্থাৎ মাটিৰ পৰা ওপৰৰ আকাশলৈ ঠিক যি ঠাইতে সেই পাৰমাণবিক বোমাটোৱে তাৰ প্ৰথম আগ্ৰাসী হাতোৰা আগবঢ়াইছিল; মহিলাগৰাকী সেই ঠাইৰ পৰা প্ৰায় ১.৭ কিলোমিটাৰ দূৰত থিয় হৈ আছিল ।

মহিলা গৰাকীৰ নিজৰ কথা ঃ-

"কোনোবাই যেন চিঞৰি চিঞৰি কৈছিল - পেৰাচুট,

পেৰাচুট নামিছে । চিঞৰটো কাণত পৰাৰ লগে লগে আকাশলৈ চালো আৰু তাৰ পিছমুহূৰ্ততেই বিজুলীৰ দৰে চমকি উঠা এক উজ্বল পোহৰে মোৰ চকু দুটা যেন জলক-তবক লগাই দিলে । তীব্ৰ উজ্বলতা আৰু প্ৰচণ্ড শব্দ । লগে লগে এনে লাগিল যেন মোৰ ভৰিৰ তলৰ মাটিবোৰ কঁপিবলৈ ধৰিছে । মই মাটিৰ ওপৰত কৰ্ফাল খাই পৰিলোঁ আৰু পিছমুহূৰ্ততেই ধ্বংসস্তূপৰ ভিতৰত মই চেঁপা খাই সোমাই পৰিলোঁ । অন্ধকাৰ...... ভয়ংকৰ গাঢ় অন্ধকাৰ । চকুৰে একোকে দেখা নাপাওঁ । তথাপিও আপ্ৰাণ চেষ্টা কৰি ভস্মস্তূপৰ ভিতৰৰ পৰা কিছু সময়ৰ পিছত কোনোৰকমে ওলাই আহিলোঁ । কিন্তু উশাহ লবলৈ গৈয়েই কিহবাৰ যেন গোন্ধ পালো । বতাহৰ গোন্ধ ? হ'ব পাৰে । সেই গোন্ধ যেন সহ্য কৰিব নোৱাৰি । পিছমুহূৰ্ততেই মই উচপ খাই উঠিলো। এয়া কি ? মোৰ মুখমণ্ডলত জলকীয়াই পোৰাৰ দৰে অসহ্য যন্ত্ৰণা। দুই হাত আৰু বাহুতো এই যন্ত্ৰণা বিয়পি পৰিল । কান্ধৰ পৰা নখৰ আগলৈকে পানীজোলা বান্ধিলে । হাত দুখনৰ ছালবোৰ দেহৰ পৰা বিচ্ছিন্ন হৈ অদ্ভুত ধৰণেৰে ওলমি ৰ'ল ।

কিছু সময়ৰ আগতে মূৰৰ ওপৰত আছিল নীলা আকাশ। এতিয়া অন্ধকাৰ । সূৰ্যাস্তৰ সময়ত হোৱা কানি-মুনি আন্ধাৰৰ দৰেই । পগলাৰ দৰে ধ্বংসস্তূপৰ ওপৰেদিয়েই জপিয়াই জপিয়াই মই দলংখনৰ ফালে ঢাপলি মেলিলো । দলঙৰ তললৈ চায়েই মোৰ মূৰ্চ্ছা যোৱাৰ দৰে অৱস্থা হ'ল । শ-শ মানুহ নদীৰ পানীত পৰি ছটফটাব লাগিছে । সিহঁতৰ মুখবোৰ ফুলি উঠিছে । নদীৰ পানীত মৰা কুকুৰ- মেকুৰীৰ দৰে অগনিত মানুহৰ শ ওপঙি আছে । ছিন্ন-ভিন্ন কাপোৰেৰে মানুহবোৰক উলংগ বুলিয়েই ক'ব পাৰি । যন্ত্ৰণাত ছটফট কৰি শ শ নৰ-নাৰী নদীৰ পানীত জঁপিয়াই পৰিছে । নদীৰ পাৰৰ অ-গভীৰ পানীৰ মাজত দেখিলোঁ এজনী ছোৱালীৰ মৃতদেহ । তাইৰ বুকুখন ছিন্ন ভিন্ন। ক্ষতস্থানৰ পৰা বৈ আহিছে তেজৰ ধাৰা ।

শৰীৰৰ জ্বলা-পোৰা ক্ৰমে কষ্টকৰ হৈ আহিল । এই পোৰণি - জুয়ে পোৰাৰ দৰে নহয়, অন্য ধৰণৰ । মোৰ হাত দুখনৰ পৰা বৈ আহিছে একধৰণৰ হালধীয়া ৰস । মই ক্ৰমে কুঁজা হৈ গৈছো । মোৰ কাষতে এদল স্কুলীয়া ছাত্ৰ-ছাত্ৰী । মোৰ দৰে সিহঁতো কুঁজা হৈ পৰিছে । সিহঁতে 'মা- মা' বুলি চিঞৰিছিল । কিন্তু ক'ত সিহঁতৰ মা ? এটাৰ পিছত এটাকৈ প্ৰত্যেকেই মৃত্যুৰ কোলাত শুই পৰিছিল ।

ক্ৰমে মোৰ মুখৰ মাংসপেশী কঠিন হৈ আহিল । দৃষ্টি শক্তিও কমি আহিল । দুগালত হাত বুলাই মুখৰ অৱস্থা বুজিবলৈ চেষ্টা কৰিলোঁ । এনে লাগিল মোৰ মুখখন যেন স্বাভাৱিকতকৈ দুগুণ হৈ পৰিল । আশ্ৰয় বিচাৰি মই দৌৰিবলৈ ধৰিলোঁ । মোৰ দুয়োকাষেৰে ষ্ট্ৰেচাৰত আহত সকলক লৈ যোৱা হৈছে । লৈ যোৱা হৈছে গাড়ী আৰু ট্ৰাকত বোজাই

কৰি মৃতদেহ । আৰু বাটৰ দুয়োকাষেৰে বলিয়াৰ দৰে লৰা-ধপৰা কৰি আগবাঢ়িছে অজস্ৰ স্ত্ৰী আৰু পুৰুষ ।”

পৰ্যবেক্ষক সকলৰ মতে পাৰমাণবিক বোমা বিস্ফোৰণৰ সময়ত হিৰোচিমাৰ জনসংখ্যা আছিল ৩,৫০,০০০। বিস্ফোৰণ কেন্দ্ৰৰ পৰা এক কিলোমিটাৰৰ ভিতৰত যাৰ বসতি আছিল তাৰ ভিতৰত শতকৰা ৬০ জনেই মৰিছিল ২৪ ঘন্টাৰ ভিতৰত । অৱশিষ্ট শতকৰা ৯০ জন পৰৱৰ্ত্তী দহ দিনৰ ভিতৰতেই মৰিছিল । আন্তৰ্জাতিক বিশেষজ্ঞসকলৰ মতে ১৯৪৫ চনৰ শেষলৈকে হিৰোচিমাৰ মৃতৰ সংখ্যা হৈছিল ১,৫০,০০০ । ইয়াৰ ভিতৰত ২০,০০০ সৈনিক ।

বোমা পেলোৱাৰ সময়ত অনেকৰ ধাৰণা নাগাচাকিৰ মুঠ জনসংখ্যা আছিল ২,৮০,০০০ । সন্মিলিত জাতিপুঞ্জৰ মতে মৃতৰ সংখ্যা ২,৭০,০০০ ।

বোমা বিস্ফোৰণৰ পিছতো যিসকল নমৰিল, তেওঁলোক নানা ধৰণৰ দুৰাৰোগ্য ব্যাধি লৈ বাচি থাকিল । তেওঁলোকৰ মাজত দেখা দিলে চকুৰ বেমাৰ, তেজৰ বেমাৰ, কেন্‌চাৰ আৰু মানসিক ৰোগ । দেখা গৈছে হিৰোচিমা আৰু নাগাচাকিত সেই সময়ত যিসকল আছিল এতিয়াও বাচি আছে, তেওঁলোকৰ অনেকেই এতিয়া থাইৰয়েড, স্তন, ফুচফুচ, জিভাৰ লাল গ্ৰন্থি, হাঁড়, কেন্সাৰত ভুগিছে । হিৰোচিমা আৰু নাগাচাকিৰ নিষ্ঠুৰতম ঘটনাই মানৱ সভ্যতাৰ কিমানখিনি আঘাত হানিলে ? যেন মুঠেই হনা নাই । যদি হানিলেহেঁতেন তেন্তে এই মুহূৰ্ততো পৃথিৱীৰ অস্ত্ৰাগাৰত দহ হাজাৰ পাৰমাণবিক অস্ত্ৰৰ ঠাই নহ'লহেঁতেন । এনে কেইহাজাৰ মান অস্ত্ৰ যাৰ ক্ষমতা হিৰোচিমাত নিক্ষিপ্ত বোমাতকৈ সাত লাখ গুণ বেছি আৰু আশংকা তাতেই । কাৰণ ইতিহাসে এইটোকে প্ৰমাণ কৰে যে যুদ্ধত কোনো দেশে তাৰ অস্ত্ৰাগাৰৰ শেষ নোহোৱা পৰ্য্যন্ত কেতিয়াও আত্মসমৰ্পন নকৰে ।

পাৰমাণবিক যুদ্ধ পৃথিৱীৰ বাবে যে কিমান ক্ষতিকাৰক ! তথাপিও দ্বিতীয় বিশ্বযুদ্ধৰ পিছত পৃথিৱীৰ অস্ত্ৰাগাৰত পাৰমাণবিক মাৰণাস্ত্ৰৰ সংখ্যা দিনে দিনে বাঢ়িয়েই গৈছে । মুঠ পাৰমাণবিক অস্ত্ৰৰ সংখ্যা বৰ্তমান দহ হাজাৰ । আৰু ইয়াৰ লগতে পাৰমাণবিক যুদ্ধৰ সম্ভাৱনাও যে বঢ়া নাই সেই কথাও কোনোৱে দৃঢ়তাৰে ক'ব নোৱাৰে । সেয়ে যদি হয়, হিৰোচিমা আৰু নাগাচাকিয়ে তেন্তে মানৱ সভ্যতাক কোনো শিক্ষাই দিব নোৱাৰিলে !!

ভাৱধাৰা সহজ-সৰল, সুন্দৰ আৰু সাৱলীল ভাষাত বৰ্ণনা কৰিব পাৰিছিল। তেখেতে লিখা ভাৰতীয় দৰ্শন গ্ৰন্থখনেই ভাৰতীয় দৰ্শনক বিশ্বৰ দৰবাৰত সুপ্ৰতিষ্ঠিত কৰিব পাৰিছে। ভাৰতীয় দৰ্শনৰ উদ্ভাৱক, ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ এজন প্ৰকৃত দাৰ্শনিক হোৱা হেতুকেই তেখেত সত্যনিষ্ঠ ধাৰ্মিক তথা দেশপ্ৰেমিক আছিল । মুঠৰ ওপৰত ডঃ ৰাধাকৃষ্ণণক বাদ দি ভাৰতীয় দৰ্শন অসম্পূৰ্ণ।

ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ নিচিনা এজন ব্যক্তি পৰাধীন ভাৰতবৰ্ষত ইমান উচ্চ শিক্ষিত হোৱাটোৱেই আচৰিত কথা। ইয়াৰ উপৰিও এনে এজন ব্যক্তিয়ে সেই সময়ত ভাৰতৰ ৰাষ্ট্ৰদূত, ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি হিচাবে কাৰ্য নিৰ্বাহ কৰাত আমি ভাৰতীয় সকলে গৌৰৱ অনুভৱ কৰো। উপ ৰাষ্ট্ৰপতি হৈ থকা অৱস্থাতে তেখেতক দেশৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন' প্ৰদান কৰা হয় আৰু সঁচাকৈয়ে তেখেত ভাৰত ৰত্ন।

ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি, ডঃ ৰাজেন্দ্ৰ প্ৰসাদে সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লোৱাত, তেখেতে ভাৰতৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি হিচাবে ১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ কাৰ্যনিৰ্বাহ কৰে। দ্বিতীয়বাৰৰ বাবে পুনৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত কৰিব খোজাত তেখেতে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

১৯৭৫ চনৰ ১৭ এপ্ৰিল তাৰিখে এইজন মহান শিক্ষক, বিশ্ববিখ্যাত দাৰ্শনিক, প্ৰবীণ ৰাজনীতিবিদ, ভাৰত ৰত্ন, সু-বক্তা ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে ইহলীলা সম্বৰণ কৰে।

এইজনা ব্যক্তিয়ে জগতলৈ আগবঢ়োৱা বৰঙনিৰ বাবে সন্মান প্ৰদৰ্শন কৰি আমাৰ দেশে তেখেতৰ জন্মদিন ৫ চেপ্তেম্বৰ তাৰিখটো শিক্ষক দিৱস হিচাবে পালন কৰি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ উপৰিও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত চৰকাৰৰ তৰফৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয়। আহক আমি সকলোৱে মিলি এইজনা মহান ব্যক্তিক শিক্ষক দিৱসৰ জৰিয়তে শ্ৰদ্ধাৰে সোঁৱৰো আৰু তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰো।

("This man (Dr. Sarvapalli Radhakrishnan) speaks from a bleeding heart, not like an ordinary ambasador.")

**Stelin, President of USSR**

# কোন তুমি মনালিছা....!

পবিস্মীতা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

"পেইন্টিং ইজ এ ফৰ্ম অব পয়েট্ৰি মে'ড টু বি ছিন"- লিওনাৰ্ড - ডা- ভিন্সি।

পৃথিৱীৰ ইতিহাসৰ সবাতোকৈ ৰহস্যময় চিত্ৰ - 'মনালিছা' লিওনাৰ্ড - ডা- ভিন্সিৰ এক অমৰ সৃষ্টি। সসীমৰ ৰূপতৃষ্ণাৰে উদ্ভাষিত এই মনালিছা আছিল ৰোমৰ এজন দৰিদ্ৰপ্ৰায় ব্যৱসায়ীৰ মৰমৰ জীয়ৰী! ফ্ৰান্সেস্কো ডা গিওকোণ্ডো নামৰ ফ্লোৰেন্স বাসী এজনৰ তৃতীয়া পত্নী অথচ "প্ৰথম আৰু শেষ প্ৰেম।"

গিওকোণ্ডো বংশৰ শেষ পুৰুষ আছিল ফ্ৰান্সেস্কো। ডেকা বয়সতে নিজ ভাতৃক হেৰুৱাৰ পিছত গিওকোণ্ডো বংশৰ ৰক্ষাৰ ভাৰ পৰে ফ্ৰান্সেস্কোৰ ওপৰত। ক্ৰমে প্ৰথমা আৰু দ্বিতীয়া পত্নী মোন্না ভান্না আৰু মোনাবিচেৰ মৃত্যুৰ পিছত ফ্ৰান্সেস্কোৱে তৃতীয় বাৰৰ বাবে বিয়া কৰালে ৰোমৰ এগৰাকী অতি দুখীয়া ব্যৱসায়ীৰ অতি মৰমৰ কন্যা মনালিছাক। ফ্ৰান্সেস্কোৰ নিজৰ ভাষাতেই তেওঁৰ প্ৰথম আৰু শেষ প্ৰেম আছিল - মনালিছা মেৰাৰাউনি। লিছাৰ প্ৰেমৰ আবেশত ফ্ৰান্সেস্কোই লাহে লাহে ঘূৰাই পালে তেওঁৰ হেৰুৱা ঐশ্বৰ্য - পুৰুষত্ব। লিছা গৰ্ভৱতী হ'ল। ফ্ৰান্সেস্কোৰ মনত অপাৰ আনন্দ। লিছাৰ ৰূপ - লাৱন্যক চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্য তেওঁ আমন্ত্ৰণ কৰি আনিলে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পী লিওনাৰ্ড - ডা - ভিন্সিক। লিছাক ভিন্সিৰ বাসগৃহলৈ নিয়মিতভাৱে পঠোৱাৰ ব্যৱস্থা কৰা হ'ল। শিল্পী গৰাকীও বিভোৰ হৈ পৰিল লিছাৰ ৰূপ খোদন কৰাত। কিন্তু ছবিখন আঁকা সম্পূৰ্ণ নহওতেই হঠাৎ এদিন ঘৰৰ চিৰি বগাই থাকোঁতেই লিছা পিছলি তলত পৰিল। পৃথিৱীৰ বিখ্যাত- বিখ্যাত চিকিৎসক সকলক মাতি অনা হ'ল। স্বয়ং লিওনাৰ্ড -ডা- ভিন্সিয়েও বহুতো চেষ্টা কৰিলে লিছাক বচাবলৈ, কিন্তু নোৱাৰিলে। মনালিছা সকলোৰে পৰা বহু দূৰলৈ গুচি গ'ল। কিন্তু ৰৈ গ'ল লিছাৰ স্মৃতি। লিওনাৰ্ড-ডা-ভিন্সিৰ তুলিকাত পৰি মনালিছা হৈ পৰিল অন্তহীন ৰহস্যৰ এক ইতিহাস।

১৫০২ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহত সম্ৰাট দ্বাদশ লুইৰ মুখ্য সেনানায়ক ত্ৰেমুইলে নেপোল্‌ছৰ চহৰ অধিকাৰ কৰিছিল। এই নেপোল্‌ছ চহৰতেই তেতিয়া বাস কৰিছিল বিশ্বৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকাৰ লিওনাৰ্ড-ডা-ভিন্সি। ডা-ভিন্সিৰ লগত চিনাকি হোৱাৰ উদ্দেশ্য ত্ৰেমুইলে সহযোগী তিনি গৰাকী যোদ্ধাক লগত লৈ এদিন ভিন্সিৰ বাসগৃহ ওলালগৈ। এই তিনি গৰাকী যোদ্ধাৰ ভিতৰত এগৰাকী আছিল বুগেভিল। সাধাৰণ চা-চিনাকি হোৱাৰ পিছত দ্বাদশ লুইৰ প্ৰতিনিধিবৰ্গই গম পালে যে ডা- ভিন্সিয়ে সেই সময়ত গভীৰ মনোযোগেৰে এখন ছবি আঁকি আছে। তেওঁলোকে ছবি খন চাব খোজাত ডা-ভিন্সিয়ে আপত্তি দৰ্শাই ক'লে যে, অৰ্ধনিৰ্মিত ছবিখন তেওঁ দেখুৱাব নোৱাৰে। এনে সময়তেই কোঠাটোত এটি মাখি সোমাল। ত্ৰেমুইলে কথা প্ৰসংগত ক'লে যে মাখিৰ ভৰিৰ সংখ্যা ৫'ল ছখন। ডা-ভিন্সি যেন অলপ বিৰক্ত হ'ল। তেওঁ ক'লে যে মাখিৰ ভৰিৰ সংখ্যা

# আজিৰ সমাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা

**শেখৰ জ্যোতি দাস**
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

আজিৰ অসমখনত হত্যা, হিংসা, লুণ্ঠন, সন্ত্ৰাসবাদ, বিভেদ কামিতাই ভৰাই পেলাইছে । অশুভ শক্তিৰ উত্থানে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদ আৰু অস্পৃশ্যতা বৰ্জনৰ দৰে মহান আদৰ্শ গণতান্ত্ৰিক মহান চেতনাৰ পতন ঘটাইছে । গুৰুজনাৰ উত্তৰ পুৰুষসকলৰ বহুতেই মানবতাবাদী, অস্পৃশ্যতা বৰ্জনৰ আদৰ্শক বিসৰ্জন দিয়াৰ বাবেই অসমখন টুকুৰা-টুকুৰ ৰাজ্যলৈ ৰূপান্তৰিত হ'ল । এনে এটি পৰিস্থিতিৰ পৰা অসমখনক ৰক্ষা কৰিবলৈ আজি শংকৰদেৱৰ প্ৰাসংগিকতাৰ অতি প্ৰয়োজন । কিয়নো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল বিভিন্ন ধৰ্ম, জাতি-উপজাতিৰে ভৰপূৰ অসমত অনৈক্যৰ মাজত ঐক্য স্থাপন কৰিব পৰা আদৰ্শৰ গৰাকী । তেঁৱেই আছিল বৃহৎ অসম, অসমীয়া জাতি, অসমৰ ধৰ্ম, ভাষা, সমাজক আৰু সংস্কৃতিৰ বৰভেটিৰ প্ৰতিষ্ঠাতা। এইখিনি সম্ভৱ কৰি তুলিছিল তেওঁ প্ৰৱৰ্ত্তন কৰা আৰু প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ ডোলেৰে অসমৰ বিভিন্ন, ধৰ্ম, ভাষা, জাতি-উপজাতিৰ মানুহক বান্ধি ।

অসমৰ ধৰ্ম, সমাজ, ভাষা-সাহিত্য, সংস্কৃতিৰ গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৃহৎ অসমীয়া জাতি গঠনৰ সপোন দেখিছিল। তেখেতে চকুৰ আগত দেখা পাইছিল বিভিন্ন ধৰ্ম বিশ্বাস, সামাজিক বৈষম্য, ৰীতি-নীতিয়ে জলা-কলা খুউৱা আৰু ৰাজনীতিৰে বিচ্ছিন্ন কৰি ৰখা এখন দ্বন্দ্বমুখৰ সমাজ । এনে এখন সমাজক সংস্কাৰ কৰি এটা জাতি গঠন কৰিবৰ বাবে তেওঁ এটি সহজ আৰু বিজ্ঞানসন্মত ধৰ্মৰ কথা ভাবিছিল । বেদ, উপনিষদ, পুৰাণ, গীতা, ভাগৱতৰ গভীৰ অধ্যয়ন আৰু তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা পুষ্ট শংকৰদেৱে ধৰ্মৰ নামত বিচ্ছিন্ন হৈ পৰা সমাজখন একমুখী কৰিবৰ বাবেই এক দেৱতা, এক শৰণৰ কথা ভাবিলে । তেওঁ প্ৰবৰ্তন আৰু প্ৰচাৰ কৰিলে নৱ বৈষ্ণৱ ধৰ্ম।

হৰি নাম শ্ৰবণ কীৰ্তনৰ যোগেদি সকলোৱেই যে ঈশ্বৰক উপাসনা কৰিব পাৰে। হৰিনাম শ্ৰবণ কৰাত যে কাকো কোনেও বাধা দিব নোৱাৰে সেই কথা তেওঁ স্পষ্ট ভাবে কৈছে ঃ

নাহি ভকতিত জাতি-অজাতি বিচাৰ ।
হৰি ভকতিত সমস্তৰে অধিকাৰ ।।

মহাপুৰুষ জনাই কৈছিল যে ভগৱানৰ নাম ল'বলৈ যাওঁতে কোনো জটিলতাৰ মাজলৈ যাব নালাগে ।

শংকৰদেৱৰ মানৱতাবাদী আৰু অস্পৃশ্যতা বৰ্জনৰ এই মহান আদৰ্শত আপ্লুত হৈয়েই নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, কছাৰীৰ ৰমাই, ভোটৰ দামোদৰ, মিচিঙৰ পৰমানন্দ,কৈৱতৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, মুছলমানৰ চান্দসাই, ব্ৰাহ্মণৰ ৰাম ৰাম গুৰু, দামোদৰ দেৱ, অনন্ত কন্দলি, কায়স্থৰ মাধৱদেৱ এই সকলোৱেই নৱ-বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি একেখন সমাজতে বহিব পাৰিছিল। কিন্তু গুৰুজনাই সমাজৰ অৱহেলিত শোষিত সকলৰ কথা গভীৰভাৱে উপলব্ধি কৰি কৈছিল -

কিৰাত কছাৰী খাচী গাৰো মিৰি যৱন কংকগোৱাল।
অসম মুলুক ধোৱা যে তুৰুক কুৱাচ ম্লেচ চণ্ডাল ।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ সংগত পবিত্ৰ হয় ।
ভকতি লভিয়া সংসাৰ তৰিয়া বৈকুণ্ঠে সুখে চলয় ।।

গুৰজনাৰ এই মহান বাণী সকলোৱে উপলব্ধি কৰা উচিত । গুৰুজনাই যোগ্যজনক যে আসনত বহুৱাইছিল তাৰ স্পষ্ট প্ৰমাণ পোৱা যায় । তেওঁ আসনৰ উত্তৰাধিকাৰী নিজ পুত্ৰ ৰমানন্দক মনোনীত নকৰি সেই আসনৰ যোগ্যৰাজি মাধৱদেৱক মনোনীত কৰিছিল । তেওঁ প্ৰতিষ্ঠা কৰা সমাজখনত কুমাৰ, কমাৰ, মুচিয়াৰৰ দৰে অৱহেলিত জনেও স্থান পাইছিল । সমাজখনক কৰ্মমুখী কৰি তোলাৰ উদ্দেশ্যৰে তেওঁ অসমীয়া সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ হিচাপে সৃষ্টি কৰা নামঘৰে স্থাপত্য, ভাস্কৰ্য্যৰ সৃষ্টিত অৰিহণা যোগাইছিল ।

গুৰুজনাৰ মহান বাণীক ভালদৰে উপলব্ধি কৰাহেঁতেন আজিৰ অসমত হত্যা, হিংসা, সন্ত্ৰাসে গা কৰি নুঠিলহেঁতেন । তেওঁৰ আদৰ্শ, দৰ্শনক উপলব্ধি কৰিবলৈ আজিৰ নতুন প্ৰজন্মই যত্ন কৰা উচিত । কোনো কোনোৱে শংকৰদেৱৰ ভাৱধাৰা কাৰাগাৰাত বন্দী কৰি ৰখাৰহে ব্যৱস্থা কৰিছে । তেওঁলোক ব্যস্ত হৈ পৰিছে কাৰ লগত খাব পাৰি, কাৰ লগত খাব নোৱাৰি, চুৱা, পা-পৰাচিত আছে তাক লৈ যুঁজ কৰাত । জাত-কুলক লৈহে ধৰ্মীয় সমাজত স্থান নিৰ্ণয় কৰা হৈছে। এনেবোৰ কথাই শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শক অপমানিত কৰাৰ উপৰিও বিচ্ছিন্নতাবাদৰ সৃষ্টি কৰিছে । এই ভয়াবহ সমস্যাবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে শংকৰদেৱৰ মহান আদৰ্শ প্ৰকৃতাৰ্থত ৰূপায়িত কৰিব লাগিব ।

# শিক্ষক, দাৰ্শনিক তথা ৰাজনীতিবিদ ড°সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ

**আফৰোজ আৰা আহমেদ (জুলি)**
স্নাতক মহলা, দৰ্শন বিভাগ

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ দৰ্শন বিভাগৰ এজন মহান শিক্ষক, বিশ্ব বিখ্যাত দাৰ্শনিক তথা ভাৰতীয় সাহিত্যৰ স্ৰষ্টা, প্ৰজাহিতৈষী ৰাজনীতিবিদ, গৱেষক, সু-চিন্তক, সুৱক্তা, সু-লেখক ৰূপে গোটেই বিশ্বত সুপৰিচিত।

অন্ধ্ৰপ্ৰদেশৰ তিৰুতান্নি নামৰ এখন সৰু গাঁও, পবিত্ৰ তীৰ্থভূমি আৰু ইয়াতেই ১৮৮৮ চনৰ চেপ্তেম্বৰ মাহৰ ৫ তাৰিখে পিতৃ ৰক্ষণশীল ব্ৰাহ্মণ, বীৰস্বামীৰ ঔৰষত আৰু মাতৃ শিবা কামাম্মাৰ গৰ্ভত এইজনা ব্যক্তিৰ জন্ম হৈছিল। পিতৃ এজন শিক্ষক আছিল আৰু আৰ্থিক অৱস্থা জুৰুলা হোৱা হেতুকে তহচিলদাৰৰ কাম কৰি সু-পুত্ৰ ৰাধাকৃষ্ণণক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিছিল।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুজীৰ ভাষাত "মহান শিক্ষক" আছিল। এইজনা মহান শিক্ষকৰ শিক্ষাগত অৰ্হতা সম্পৰ্কে কিছু তথ্য নিশ্চয় আমি জনা প্ৰয়োজন।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে তিৰুতান্নিত প্ৰাথমিক শিক্ষা, তিৰুপতি চহৰত মাধ্যমিক শিক্ষা, ভেলুৰত দৰ্শন বিভাগত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ভিতৰত দৰ্শনত অনাৰ্চ সহ প্ৰথম স্থান অধিকাৰ কৰে আৰু দৰ্শনতে এম. এ. উপাধি লাভ কৰে।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে ২০ বছৰ বয়সতেই ডক্টৰেট উপাধি লাভ কৰে। সেই সময়ত মাদ্ৰাজ খৃষ্টান কলেজৰ মুৰব্বী অধ্যাপক এ.জি হাগে ড° ৰাধাকৃষ্ণণৰ 'দ্যা এথিক্স - অৱ বেদান্ত এণ্ড ইটচ্ মেটেৰিয়েল প্ৰিচাপোজিচন' নামৰ গৱেষণা পত্ৰখনৰ বাবে ড° ৰাধাকৃষ্ণণক প্ৰশংসা কৰিছিল। ইয়াৰ উপৰিও তেখেতে 'এচেনছিয়েল অৱ চাইক'লজি', 'দ্যা ফিল'চফি অৱ ৰবীন্দ্ৰনাথ টেগোৰ', 'দ্যা ৰেইন অৱ ৰিলিজন ইন কন্টেমপৰাৰী ফিলচ'ফি', 'ভাৰতীয় দৰ্শন', 'দ্যা ৰিলিজন উইনীড', 'এ আইডিয়েলিষ্টিক ভিউ অৱ লাইফ', 'গ্ৰেট ইণ্ডিয়ান',' ইষ্ট এণ্ড ওৱেষ্ট চাম ৰিফ্লেকচন','ৰিকভাৰি অৱ ফেইথ', 'এ চোৰ্চ বুক ইন ফিলচফি',' ব্ৰহ্মসূত্ৰ' প্ৰভৃতি

বিশ্ব বিখ্যাত কিতাপ সমূহ ৰচনা কৰিছিল।

ড° ৰাধাকৃষ্ণণ এজন মহান বিশ্ব বৰেণ্য শিক্ষক আছিল। তেখেতে ছাত্ৰ অৱস্থাৰ পৰাই আৰ্থিক ভাবে শোচনীয় হোৱাৰ বাবেই ঘৰুৱা শিক্ষকতা কৰি পঢ়াৰ খৰছ উলিয়াইছিল । ১৯০৯ চনৰ পৰা ১৯১৭ চনলৈ ড° ৰাধাকৃষ্ণণে মাদ্ৰাজ প্ৰেছিডেন্সী কলেজৰ দৰ্শন বিষয়ৰ সহকাৰী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯১৮ চনৰ পৰা ১৯২১ চনলৈ মহীশূৰ বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপকৰ দায়িত্ব সূচাৰুৰূপে পালন কৰে। ১৯২২ চনৰ পৰা ১৯২৯ চনলৈ কোলকাতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ ৫ম জৰ্জ আসনৰ অধ্যাপকৰ পদ শুৱনি কৰে। ১৯০৯ চনৰ পৰা ১৯২৯ চনলৈ ভাৰতবৰ্ষত শিক্ষকতা কৰি ১৯২৯ চনত অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজত অধ্যক্ষৰ দায়িত্বত সুখ্যাতিৰে কাৰ্যনিৰ্ব্বাহ কৰি ১৯৩১ চনত পুনৰ স্বদেশলৈ উভতি আহি অন্ধ্ৰ বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ দায়িত্ব পালন কৰে। এই পদবীত ১৯৩৬ চনলৈ কাৰ্যনিৰ্ব্বাহ কৰি পুনৰ ১৯৩৬ চনত লণ্ডনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰাচ্য আৰু দৰ্শনৰ অধ্যাপক পদত সুনাম অৰ্জন কৰে। ড° ৰাধাকৃষ্ণণৰ স্বদেশ প্ৰীতিৰ বাবে পুনৰ ১৯৩৯ চনত ভাৰতবৰ্ষলৈ উভতি আহি বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ত উপাচাৰ্যৰ দায়িত্ব ১৯৪৮ চনলৈ সুচাৰুৰূপে চলাই নিয়ে। ১৯৪৮ চনৰ পৰা দুবছৰৰ বাবে ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় আয়োগৰ সভাপতিৰ আসন অলংকৃত কৰি প্ৰায় চাৰিটা দশক শিক্ষকতা কৰি, শিক্ষা জগতৰ আমুল পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱাৰ লগতে মহান শিক্ষকৰ মৰ্যাদা লাভ কৰে আৰু মহান শিক্ষকৰ স্বীকৃতি হিচাপে তেখেতৰ জন্ম দিনটো ভাৰতবৰ্ষত 'শিক্ষক দিবস' হিচাবে পালন কৰে।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ বিশ্বৰ ভিতৰত এজন নামজ্বলা দাৰ্শনিক আছিল। তেওঁ সজ চিন্তাৰ জৰিয়তে এইটো অনুভৱ কৰিছিল যে - শুদ্ধ কৰ্ম, বিশ্বাস আৰু কৰ্ম্ম ধৰ্মৰ অবিচ্ছেদ্য অংগ। দাৰ্শনিক চিন্তাধাৰাৰে ধৰ্ম্মৰ বিষয়ে এনেদৰে ৰৰ্ণনা কৰিছে যে, "ধৰ্ম্মৰ মূল উদ্দেশ্য হৈছে মানৱ জাতিক জন্তুৰপৰা মানুহলৈ, মানৱতাৰপৰা আধ্যাত্মিকতালৈ, অশান্তিৰপৰা প্ৰশান্তিলৈ, অন্ধকাৰৰ পৰা পোহৰলৈ উদ্ভাসিত কৰা।"

ড°ৰাধাকৃষ্ণণে দৰ্শনৰ সঠিক ব্যাখ্যা আগবঢ়োৱাৰ বাবে বিশ্বৰ নমস্য ব্যক্তি ৰূপে স্বীকৃত হৈছে। তেখেতৰ নিচিনা এজন জ্ঞানী তথা জ্ঞানৰ প্ৰেমী পৃথিৱীৰ ভিতৰত বিৰল। দাৰ্শনিক ড০ ৰাধাকৃষ্ণণে দৰ্শনৰ যিকোনো

ভাৰধাৰা সহজ-সৰল, সুন্দৰ আৰু সাৱলীল ভাষাত বৰ্ণনা কৰিব পাৰিছিল। তেখেতে লিখা ভাৰতীয় দৰ্শন গ্ৰন্থখনেই ভাৰতীয় দৰ্শনক বিশ্বৰ দৰবাৰত সুপ্ৰতিষ্ঠিত কৰিব পাৰিছে। ভাৰতীয় দৰ্শনৰ উদ্ভাৱক, ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ এজন প্ৰকৃত দাৰ্শনিক হোৱা হেতুকেই তেখেত সত্যনিষ্ঠ ধাৰ্মিক তথা দেশপ্ৰেমিক আছিল । মুঠৰ ওপৰত ড° ৰাধাকৃষ্ণণক বাদ দি ভাৰতীয় দৰ্শন অসম্পূৰ্ণ।

ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ নিচিনা এজন ব্যক্তি পৰাধীন ভাৰতবৰ্ষত ইমান উচ্চ শিক্ষিত হোৱাটোৱেই আচৰিত কথা। ইয়াৰ উপৰিও এনে এজন ব্যক্তিয়ে সেই সময়ত ভাৰতৰ ৰাষ্ট্ৰদূত, ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈ ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি হিচাবে কাৰ্য নিৰ্বাহ কৰাত আমি ভাৰতীয় সকলে গৌৰৱ অনুভৱ কৰো। উপ ৰাষ্ট্ৰপতি হৈ থকা অৱস্থাতে তেখেতক দেশৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন' প্ৰদান কৰা হয় আৰু সঁচাকৈয়ে তেখেত ভাৰত ৰত্ন।

ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি, ড° ৰাজেন্দ্ৰ প্ৰসাদে সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লোৱাত, তেখেতে ভাৰতৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি হিচাবে ১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ কাৰ্যনিৰ্বাহ কৰে। দ্বিতীয়বাৰৰ বাবে পুনৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত কৰিব খোজাত তেখেতে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

১৯৭৫ চনৰ ১৭ এপ্ৰিল তাৰিখে এইজন মহান শিক্ষক, বিশ্ববিখ্যাত দাৰ্শনিক, প্ৰবীণ ৰাজনীতিবিদ, ভাৰত ৰত্ন, সু-বক্তা ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে ইহলীলা সম্বৰণ কৰে।

এইজনা ব্যক্তিয়ে জগতলৈ আগবঢ়োৱা বৰঙণিৰ বাবে সন্মান প্ৰদৰ্শন কৰি আমাৰ দেশে তেখেতৰ জন্মদিন ৫ চেপ্তেম্বৰ তাৰিখটো শিক্ষক দিৱস হিচাবে পালন কৰি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ উপৰিও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত চৰকাৰৰ তৰফৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয়। আহক আমি সকলোৱে মিলি এইজনা মহান ব্যক্তিক শিক্ষক দিৱসৰ জৰিয়তে শ্ৰদ্ধাৰে সোঁৱৰো আৰু তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰো।

("This man (Dr. Sarvapalli Radhakrishnan) speaks from a bleeding heart, not like an ordinary ambasador.")

**Stelin, President of USSR**

# কোন তুমি মনালিছা....!

পৰিস্মীতা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

"পেইন্টিং ইজ এ ফৰ্ম অব পয়েট্ৰি মে'ড টু বি ছিন"- লিওনাৰ্ড - ডা- ভিন্সি।

পৃথিৱীৰ ইতিহাসৰ সবাতোকৈ ৰহস্যময় চিত্ৰ - 'মনালিছা' লিওনাৰ্ড - ডা- ভিন্সিৰ এক অমৰ সৃষ্টি। সসীমৰ ৰূপতৃষ্ণাৰে উদ্ভাষিত এই মনালিছা আছিল ৰোমৰ এজন দৰিদ্ৰপ্ৰায় ব্যৱসায়ীৰ মৰমৰ জীয়ৰী। ফ্ৰান্সেস্কো ডা গিওকোণ্ডো নামৰ ফ্লোৰেন্স বাসী এজনৰ তৃতীয়া পত্নী অথচ "প্ৰথম আৰু শেষ প্ৰেম।"

গিওকোণ্ডো বংশৰ শেষ পুৰুষ আছিল ফ্ৰান্সেস্কো। ডেকা বয়সতে নিজ ভাতৃক হেৰুৱাৰ পিছত গিওকোণ্ডো বংশৰ ৰক্ষাৰ ভাৰ পৰে ফ্ৰান্সেস্কোৰ ওপৰত। ক্ৰমে প্ৰথমা আৰু দ্বিতীয়া পত্নী মোন্না ভান্না আৰু মোনাবিচেৰ মৃত্যুৰ পিছত ফ্ৰান্সেস্কোৱে তৃতীয় বাৰৰ বাবে বিয়া কৰালে ৰোমৰ এগৰাকী অতি দুখীয়া ব্যৱসায়ীৰ অতি মৰমৰ কন্যা মনালিছাক। ফ্ৰান্সেস্কোৰ নিজৰ ভাষাতেই তেওঁৰ প্ৰথম আৰু শেষ প্ৰেম আছিল - মনালিছা মেৰাৰাউনি। লিছাৰ প্ৰেমৰ আবেশত ফ্ৰান্সেস্কোই লাহে লাহে ঘূৰাই পালে তেওঁৰ হেৰুৱা ঐশ্বৰ্য - পুৰুষত্ব। লিছা গৰ্ভৱতী হ'ল। ফ্ৰান্সেস্কোৰ মনত অপাৰ আনন্দ। লিছাৰ ৰূপ - লাৱন্যক চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে তেওঁ আমন্ত্ৰণ কৰি আনিলে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পী লিওনাৰ্ড - ডা - ভিন্সিক। লিছাক ভিন্সিৰ বাসগৃহলৈ নিয়মিতভাৱে পঠোৱাৰ ব্যৱস্থা কৰা হ'ল। শিল্পী গৰাকীও বিভোৰ হৈ পৰিল লিছাৰ ৰূপ খোদন কৰাত। কিন্তু ছবিখন অঁকা সম্পূৰ্ণ নহওতেই হঠাৎ এদিন ঘৰৰ চিৰি বগাই থাকোঁতেই লিছা পিছলি তলত পৰিল। পৃথিৱীৰ বিখ্যাত- বিখ্যাত চিকিৎসক সকলক মাতি অনা হ'ল। স্বয়ং লিওনাৰ্ড -ডা- ভিন্সিয়েও বহুতো চেষ্টা কৰিলে লিছাক বচাবলৈ, কিন্তু নোৱাৰিলে। মনালিছা সকলোৰে পৰা বহু দূৰলৈ গুচি গ'ল। কিন্তু ৰৈ গ'ল লিছাৰ স্মৃতি। লিওনাৰ্ড-ডা-ভিন্সিৰ তুলিকাত পৰি মনালিছা হৈ পৰিল অন্তহীন ৰহস্যৰ এক ইতিহাস।

১৫০২ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহত সম্ৰাট দ্বাদশ লুইৰ মুখ্য সেনানায়ক ত্ৰেমুইলে নেপোলছৰ চহৰ অধিকাৰ কৰিছিল। এই নেপোলছ চহৰতেই তেতিয়া বাস কৰিছিল বিশ্বৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকাৰ লিওনাৰ্ড-ডা-ভিন্সি। ডা-ভিন্সিৰ লগত চিনাকি হোৱাৰ উদ্দেশ্যে ত্ৰেমুইলে সহযোগী তিনি গৰাকী যোদ্ধাক লগত লৈ এদিন ভিন্সিৰ বাসগৃহ ওলালগৈ। এই তিনি গৰাকী যোদ্ধাৰ ভিতৰত এগৰাকী আছিল বুগেভিল। সাধাৰণ চা-চিনাকি হোৱাৰ পিছত দ্বাদশ লুইৰ প্ৰতিনিধিবৰ্গই গম পালে যে ডা-ভিন্সিয়ে সেই সময়ত গভীৰ মনোযোগেৰে এখন ছবি আঁকি আছে। তেওঁলোকে ছবি খন চাব খোজাত ডা-ভিন্সিয়ে আপত্তি দৰ্শাই ক'লে যে, অৰ্ধনিৰ্মিত ছবিখন তেওঁ দেখুৱাব নোৱাৰে। এনে সময়তেই কোঠাটোত এটি মাখি সোমাল। ত্ৰেমুইলে কথা প্ৰসংগত ক'লে যে মাখিৰ ভৰিৰ সংখ্যা হ'ল ছখন। ডা-ভিন্সি যেন অলপ বিৰক্ত হ'ল। তেওঁ ক'লে যে মাখিৰ ভৰিৰ সংখ্যা

ছখন নহয়, চাৰিখনহে। ত্ৰেমুইল অলপ অপদস্থ হ'ল আৰু লগে লগে বুগেভিলক নির্দেশ দিলে যে মাখিটো ধৰিব লাগে। বুগেভিল অলপ আচৰিত হ'ল। ই আকৌ কেনেধৰণৰ আদেশ। তথাপি কোনো প্ৰত্যুত্তৰ নকৰি তেওঁ মাখিটোৰ পিছে পিছে খেদা-খেদি আৰম্ভ কৰি দিলে। এবাৰ মাখিটো গৈ পৰিলগৈ দক্ষিণফালৰ পৰ্দাখনৰ ওপৰত। এক মুহূৰ্তও নষ্ট নকৰি বুগেভিল জঁপিয়াই পৰিল পৰ্দাখনৰ ওপৰত। সাধাৰণ ভাৱে লগাই থোৱা পৰ্দাখন বুগেভিলৰ গাৰ ভৰত চিঙি পৰিল। কিন্তু এয়া কি আশ্বৰ্য্য। হাজাৰ - হাজাৰ মানুহৰ মনত সপোন ৰচনা কৰা যি নাৰী, সেই ৰহস্যময়ীৰ হাঁহিৰে মুখৰিত হৈ আছে কোঠাটোৰ বেৰখন। যি নাৰীক অনুভৱ কৰা গ'লেও অনুধাবন কৰা অসম্ভৱ সেই ছলনাময়ীৰ প্ৰতিকৃতিটোক আটাইবোৰে ৰ লাগি চাই ৰ'ল। প্ৰতিকৃতি খন দেখি বুগেভিল কঁপি উঠিল, সিৰাই-সিৰাই বৈ গ'ল উষ্ণ তেজৰ কোবাল সোঁত। তেওঁৰ মনৰ পৰা যেন চিৰকালৰ বাবে আঁতৰি গ'ল অভিমান, ক্ষোভ, বিৰক্তি আৰু ক্ৰোধ। যি অপৰূপা লাৱন্যময়ীক সমুখত ৰাখি ডা-ভিঙ্গিয়ে ছবিখন আঁকিছে সেই ৰমনীক লগ পোৱাৰ বাবে উদ্বাউল হৈ পৰিল বুগেভিল। সতৃষ্ণ নয়নে বুগেভিলে ডা-ভিঙ্গিক প্ৰশ্ন কৰিলে, "ছবিখন কাৰ?" ডা-ভিঙ্গিয়ে ক'লে যে যি মহীয়সীৰ ছবিখন তেওঁ আঁকিছে সেই মহীয়সীৰ নাম ধাম গোপনে ৰাখিবলৈ তেওঁ প্ৰতিশ্ৰুতিবদ্ধ আৰু এই প্ৰতিশ্ৰুতি ভংগ কৰিলে মৃতা ৰমণী গৰাকীৰ প্ৰতি অবিচাৰ কৰা হ'ব। এইবাৰ তেওঁ কাতৰ কণ্ঠেৰে সুধিলে - "অৰ্থাৎ এই ছবিৰ নায়িকাক আপুনি মৃতা বুলি ক'ব বিচাৰিছে? আৰু মই ইয়াক বিশ্বাস কৰিব লাগিব? অসম্ভৱ। আপুনি সঁচা কথা কওক শিল্পী"।

ডা-ভিঙ্গিয়ে অলপ ইতস্ততঃ বোধ কৰিলে। তথাপি বুগেভিলৰ আবেগ আৰু আকুলতাক অনুভৱ কৰি ক'বলৈ বাধ্য হ'ল যে - ছবিখন ফ্লোৰেন্স চহৰৰ অভিজাত ব্যক্তি ফ্ৰান্সেস্কোৰ তৃতীয়া স্ত্ৰী মনালিছাৰ। আৰু লগতে মনালিছাৰ মৃত্যু হোৱা কথাটো যে সঁচা তাকো কলে।

বুগেভিল আৰু ৰ'ব নোৱাৰিলে। ডা-ভিঙ্গিৰ পৰা বিদায় ল'লে এটি সাবধান বাণী শুনাই - "প্ৰয়োজনবশতঃ ফ্লোৰেন্স চহৰ ধ্বংসও কৰা হ'ব পাৰে, তথাপি মনালিছাক মোক লাগিবই।" বুগেভিল ফ্লোৰেন্সৰ ঘৰ অভিমুখে ৰাওনা হ'ল। ডা-ভিঙ্গিৰ অন্তৰ কঁপি উঠিল। তেওঁ জানে, বুগেভিলৰ দাম্ভিকতা মাথোন মূৰ্খতাৰ বাহিৰে অইন একো নহয়। কিন্তু এনেকুৱা দাম্ভিকতাই ইতিহাসক বহুবাৰ ৰক্তাক্ত কৰি গৈছে, ভৱিষ্যতেও যে এনে নহ'ব তাৰ নিশ্চয়তাই বা কি?

ফ্ৰান্সেস্কো শয্যাশায়ী আছিল। তথাপি বিচনাৰ পৰা উঠি বুগেভিলক স্বাগতম জনালে। ফ্ৰান্সেস্কোক তেনে অৱস্থাত দেখি বুগেভিলৰ অন্তৰখন পমি গ'ল। কিছু সময় একেথৰে ফ্ৰান্সেস্কোৰ ফালে চাই থকাৰ পিছত বুগেভিলে ক'লে যে - ডা-ভিঙ্গিৰ ষ্টুডিঅ'ত তেওঁ মনালিছাৰ এখনি প্ৰতিকৃতি দেখা পাইছে আৰু ভিঙ্গিৰ মতে নাৰী গৰাকী জীৱিত নহয়। কথাটো বিশ্বাস কৰিবলৈ টান পাইছে তেওঁ নিজ চকুৰে মনালিছাক চাবলৈ তালৈ গৈছে। ফ্ৰান্সেস্কোই বিমৰ্ষ মনেৰে ক'লে যে মনালিছাৰ সঁচাকৈয়ে মৃত্যু হৈছে। মাথোঁ বাচি আছে ডা-ভিঙ্গিৰ ছবিত আৰু স্মৃতিৰ জগতত। আচলতে লিছা চিৰশান্তিত শুই আছে ভীল্লা গীৰ্জাৰ কাষৰ সবাতোকৈ সুন্দৰ কবৰটোত।

কিন্তু ইমানৰ পিছতো বুগেভিলৰ বিশ্বাস নহ'লগৈ। তেওঁ চিৎকাৰ কৰি উঠিল "মই নিজে কবৰ খান্দি পৰীক্ষা কৰিম আপোনাৰ কথা সঁচা নে মিছা।"

ফ্ৰান্সেস্কোই নৰীয়া দেহাৰেই বুগেভিলক সতৰ্ক কৰি দিলে - গীৰ্জাৰ পবিত্ৰ কবৰত হাত নিদিবলৈ। কিন্তু বুগেভিল তেতিয়া আবেগৰ শিখৰত। তেওঁ অকনো কুণ্ঠাবোধ নকৰিলে গীৰ্জাৰ কবৰত হাত দিবলৈ।

ইমানৰ পিছত জনতা নীৰবে থাকিব নোৱাৰিলে। ফ্লোৰেন্সবাসীয়ে ফৰাচী সকলক ধিক্কাৰ দিলে। বুগেভিলৰ ওপৰত আৰম্ভ কৰা হ'ল দৈহিক উৎপীড়ন। তেওঁৰ ৰক্ত ৰঞ্জিত শৰীৰটো আনি ৰখা হ'ল সেনাপতি ত্ৰেমুইলৰ সমুখত। দাবী কৰা হ'ল বুগেভিলৰ মৃত্যুদণ্ড।

সকলো কথা জনাৰ পিছত ত্ৰেমুইলৰ উপায় নাছিল। বুগেভিলৰ অপৰাধ অমাৰ্জনীয় বুলি স্বীকাৰ কৰি আদেশ দিলে তেওঁৰ শিৰচ্ছেদৰ। গন প্ৰহাৰত ক্ষত বিক্ষত হোৱা বুগেভিলৰ দেহটো চোঁচৰাই লৈ যোৱা হ'ল বধ্যভূমি অভিমুখে। মৃত্যুৰ পিছতো মনালিছাই এনেদৰে ৰচনা কৰি গ'ল উন্মাদ প্ৰেমৰ এটি অমৰ কাহিনী।

১৯১১ চনৰ ১২ আগষ্ট । পেৰিচৰ লুঙৰ সংগ্ৰহশালাটোত হঠাতে হুৱা-দুৱা লাগি গ'ল। পৃথিৱী বিখ্যাত মনালিছা ছবিখন যি ঠাইত আঁৰি থোৱা আছিল, সেই ঠাইখিনি খালী হৈ আছে। সংগ্ৰহশালাৰ এগৰাকী কৰ্মকৰ্তাই টেলিফোন হাতত লৈ পেৰিচ পুলিচলৈ এই বুলি আতংকত চিঞৰি উঠিল - "Someone has stolen the Monalisha!"

মুহূৰ্তৰ ভিতৰতে শতাধিক আৰক্ষী বাহিনীৰ মানুহ আহি সংগ্ৰহশালাটো তন্ন-তন্নকৈ চলাথ কৰি দেখিলে যে যিটো সোণৰ ফ্ৰেমেৰে ছবিখন বন্ধোৱাই ৰখা হৈছিল, সেই ফ্ৰেমটো সংগ্ৰহশালাটোৰ কোনো এটা চুকত পৰি আছে। অৰ্থাৎ কোনোবাই ফ্ৰেম খুলি মনালিছাক লৈ গুচি গ'ল।

সম্পূৰ্ণ দুটা বছৰ পাৰ হৈ গ'ল। ১৯১৩ চনৰ নৱেম্বৰ মাহৰ কোনো এটা দিনত ফ্ৰোৰেন্সৰ আলফ্ৰেডো গেৰী নামৰ এগৰাকী চিত্ৰ ব্যৱসায়ীয়ে এখন চিঠি পালে ভিনচেঞ্জো পেৰুগিয়া নামৰ কোনো এজন মানুহৰ পৰা য'ত লিখা আছিল সেই শিহৰণকাৰী কথাষাৰ - "মই 'মনালিছা' খন চুৰ কৰিছোঁ।" পেৰুগিয়াক বিচাৰি গেৰীয়ে ১৯১৩ চনৰ ১০ ডিচেম্বৰত ফ্লোৰেন্সৰ এখন সস্তীয়া হোটেল ওলালগৈ। তাতেই পেৰুগিয়াৰ কোঠাত সঁচাকৈয়ে ওলাই পৰিল - "মনালিছা"। চিত্ৰখন লুঙৰ সংগ্ৰহশালালৈ পুনৰ পঠাই দিয়া হ'ল। লগতে আটক কৰা হ'ল পেৰুগিয়াক। ১৯১৪ চনত চুৰিৰ অপৰাধত দোষী সাব্যস্ত কৰি তেওঁক ১ বছৰ ১৫ দিনৰ বাবে কাৰাগাৰত ৰখাৰ নিৰ্দেশ দিয়া হ'ল।

ইটালীবাসী দেশপ্ৰেমিক এই পেৰুগিয়া আছিল এগৰাকী চিত্ৰকৰ আৰু ১৯১০ চনত মনালিছাৰ ছবিখন তেওঁ নিজহাতে সোণৰ ফ্ৰেমেৰে বন্ধাইছিল আৰু তেওঁ স্বীকাৰ কৰিলে যে ছবিখন তেওঁ চুৰ কৰিছিল 'ইটালীৰ সৌন্দৰ্য্য বৰ্ধন'ৰ বাবেহে।

(কাকত আৰু আলোচনীৰ সহায় লৈ)



# সাফল্যৰ আন নাম সাহস

**মানস প্ৰতিম বৰা**
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

উইনষ্টন চাৰ্চিলে কৈছিল - "সাহসেই মানুহৰ প্ৰথম আৰু প্ৰধান গুণ। কিয়নো সাহসেই আন সকলো গুণৰ অস্তিত্ব নিশ্চিত কৰে।" সঁচাকৈয়ে সাহস মানুহৰ মনৰ এপাত শক্তিশালী অস্ত্ৰ। প্ৰত্যেক মানুহে জীৱনত সফলতা বিচাৰে। নিজৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে সাহস লাগিবই। গতিকে সাহসেই হ'ল সিদ্ধিৰ মূল।

আমাৰ জীৱনত কৈশোৰত সিঁচা কঠীয়া যৌৱন কালত পূৰঠ হয়। সময় থাকোতে যিজনে শস্য সময়মতে চপাব পাৰে তেওঁৰ ভৱিষ্যৎ জীৱন সুখৰ হয়। এই সময়ত বহুতো বিপদ বিঘিনি আহিব পাৰে। যিজনে সাহস আৰু ইচ্ছা শক্তিৰে সকলো বাধা অতিক্ৰম কৰিব পাৰে তেওঁহে শিৰ উচ্চ কৰি জীয়াই থাকিব পাৰে।

"লাইফ ইজ নট এ বেড অব ৰ'জেজ"-ইংৰাজীৰ এই সুন্দৰ প্ৰৱচন ফাঁকিয়ে জীৱনৰ ঘাত - প্ৰতিঘাতৰ কথাকে বুজায় যে মানুহৰ জীৱনত সুখ আৰু দুখ এটা মুদ্ৰাৰ দুটা পিঠিৰ নিচিনা। সুখ থাকিলে দুখ থাকিবই । কিন্তু সেই বুলি দুখ দেখিলে ভয়তে আঁতৰি আহিলে নহ'ব। সাহসেৰে দুখক জয় কৰিব পাৰিলেহে জীৱনত সফলতা আহিব। মানুহৰ প্ৰতিভা বিকাশত সাহসে ইতিবাচক ভূমিকা পালন কৰে। বহুতৰ নিজৰ শক্তি সামৰ্থ্যৰ প্ৰতি সম্যক জ্ঞান নাই। তেওঁলোকে বিপদ-আপদ দেখিলেই ভয়ত পেপুৱা লাগে আৰু অথাই সাগৰ হেন জ্ঞান কৰি সেইবোৰৰ পৰা নিস্তাৰ নাই বুলি ভাবে। কোনো কাম কৰাৰ আগতে "নোৱাৰিম"বুলি পিছ হুহুকি অহা জনে কেতিয়াও সফলতাৰ মুখ নেদেখে। তেনেজনৰ নেতিবাচক দৃষ্টি ভংগীয়ে হ'ল সফলতাৰ অন্তৰায়।

জীৱনত বিপদ-বিঘিনি আহিবই। সাহস আৰু ইচ্ছা শক্তিৰ দ্বাৰা স্থিত প্ৰজ্ঞৰ দৰে সেইবোৰৰ সন্মুখীন হোৱাজনহে সকলো বিপদ হেলাৰঙে পাৰ কৰিব পাৰে। মহা-মহা পুৰুষৰ জীৱন গাথালৈ চকু দিলেই দেখা যায় তেওঁলোকৰ জীৱনলৈ কম ধুমুহা অহা নাছিল। যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, শংকৰদেৱ আদি ধৰ্মগুৰু সকলে সাহসেৰে সকলো বিপদৰ মুখা-মুখি হ'ব পাৰিছিল বাবেহে বিজয়মালা পিন্ধিবলৈ সক্ষম হৈছিল। জ্ঞানীলোকে এনেয়ে কোৱা নাই - "যোগ্য ভোগ্য বসুন্ধৰা"। মানুহৰ জীৱনৰ পথ কন্টকময়। সেই পথৰে সকলোৱে সাহসেৰে সাৰথি বিহীন ভাৱে জীৱনৰ ৰথ চলাই লৈ যাব লাগিব। ইচ্ছা থাকিলে যিকোনো কামেই সমাধা কৰিব পাৰি। সেয়েহে ভিক্টৰ হিউগোৱে কৈছিল- "মানুহৰ শক্তিৰ অভাৱ নাই ।" অভাৱ আছে ইচ্ছা শক্তিৰ। আমাৰ কৰি পাৰ্বতী বৰুৱায়ো ডেকাসকলক সাহসেৰে নিজৰ কৰ্তব্য পথত আগুৱাই যাবলৈ উৎসাহ দিছে এনেদৰে - তই চলাব লাগিব সাৰথিবিহীন জীৱনৰ মহাৰথ ; তোৰ কন্টকময় পথ।

মানুহৰ জীৱনটো চৰিত্ৰ গঠনৰ কমাৰশাল বুলি ক'ব পাৰি। জীৱনত যদি সংগ্ৰাম নাথাকে, সংঘাত নাথাকে তেনে জীৱন দৰাচলতে বিৰক্তিকৰ হ'ব। জীৱনৰ মাদকতা পোৱা যায় সংগ্ৰামৰ মাজেৰে। উৎসাহেৰে জীৱনৰ লগত মোকাবিলা কৰিব পৰা জনহে প্ৰকৃত মানুহ। সেয়ে উইলিয়াম মেফফিকৰ ভাষাত "যি সকল উৎসাহী আৰু শান্ত, পৃথিৱী খন তেওঁলোকৰহে ।"

# সৎ কৰ্মই শ্ৰেষ্ঠ ধৰ্ম

**জিতেন্দ্ৰ কুমাৰ হীৰা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

কৰ্মই শ্ৰেষ্ঠ। কৰ্মই সুস্থ সমাজ গঢ় দিয়ে। কৰ্ম অবিহনে কোনো মানুহে তিষ্ঠি থাকিব নোৱাৰে। সকলোৱেই কৰ্ম কৰে। কিন্তু কৰ্ম কৰিলেই নহয়। কাৰণ সৎ কৰ্ম অবিহনে ধৰ্ম লাভ কৰিব নোৱাৰি। সুস্থ সমাজ গঢ়িব নোৱাৰি। জীৱনৰ অৰ্থ হৈছে "কৰ্ম জীৱন"। জ্ঞান, ধৰ্ম, কৰ্ম, ভক্তি, সকলো প্ৰকাৰৰ সাধনাতে চিত্ত স্থিৰ কৰিবলৈ হ'লে যোগ সাধনাৰ প্ৰয়োজন হয়। কায়-মনো-বাক্যে সৰ্বদায় ভগৱানক নিত্য সংযুক্ত কৰি আৰু সৰ্বদায় তেওঁক স্মৃতিত ৰাখি নিষ্কাম কৰ্ম কৰাই হৈছে যোগ ধৰ্ম। পৰিয়ালৰ প্ৰতি, সমাজৰ প্ৰতি, দুখীয়া নিছলাৰ প্ৰতি, দেশৰ প্ৰতি, বিশ্ব মানৱৰ প্ৰতি, প্ৰতিজন ব্যক্তিৰেই কৰণীয় কৰ্ত্তব্য থাকে। প্ৰতিজন ব্যক্তিয়ে কৰণীয় কৰ্ম সমূহ সুচাৰুৰূপে পালন নকৰিলে সমাজৰ ৰক্ষা হ'ব নোৱাৰে। সমাজ ৰক্ষিত নহ'লে সৃষ্টি ৰক্ষা নহয়। ব্যক্তি মাত্ৰেই যদি জ্ঞানহীন, বিবেচনাহীন হয়, তেনেহ'লে সমাজত ধৰ্ম, নীতি-নিয়ম, শৃংখলা, সুখ-শান্তি, বিচাৰ-বুদ্ধি, শান্ত বাতাবৰণ আদিৰ বিপৰীতে অশুভ শক্তি সমূহ অন্তৰায় হিচাপে মূৰ দাঙি উঠে আৰু সুস্থ সমাজ ব্যৱস্থাত ব্যাঘাত জন্মায়। কৰণীয় কৰ্মখিনি নিষ্ঠা সহকাৰে যি জনে পালন কৰে তেৱেঁই হৈছে প্ৰকৃত মানুহ অৰ্থাৎ মনুষ্য হিচাপে জগতত চিনাকি দিব পাৰে। সাৰ্থক জীৱনৰ অৰ্থ হৈছে সম্যক ৰূপে পালন কৰা কৰ্ম। স্ব-কৰ্ম পালনেই স্ব-ধৰ্ম। কিয়নো প্ৰতিগৰাকী ব্যক্তিয়ে কেৱল নিজ - নিজ কৰ্ম পালন কৰিয়েই জীৱনত সিদ্ধি লাভ কৰিব পাৰে। যাৰ দ্বাৰা ৰক্ষিত হৈ সুন্দৰ, সুস্থ সমাজ গঢ়ি উঠে।

প্ৰতিটো কৰ্মৰে একোটা মহান উদ্দেশ্য থাকে। উদ্দেশ্যবিহীন কৰ্মৰ জৰিয়তে কোনেও কেতিয়াও সফলতা আৰ্জিব নোৱাৰে। সততা, সত্যানুৰাগ, ধৰ্ম প্ৰৱণতা, কৰ্ত্তব্যনিষ্ঠা আদি সমাজৰ পৰা লোপ পালে জাতিৰ সৰ্বাংগীন অৱনতি অৱধাৰিত হয়। তেতিয়া জাতিটোৱে আনৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়াত পৰে। যি সৎ সি সদায় মহৎ। মহৎ অৱদানে নিজক, জাতিক, দেশক যাউতিযুগীয়া কৰি চিৰস্মৰণীয় ভাৱে উজ্জ্বল ৰূপত গঢ়ি তোলাত অবিহনা যোগায়। কৰ্মত অনভিজ্ঞ, কৰ্মবিমুখ, এলেহুৱা, একান্ত অৰ্থপৰাণ, স্বাৰ্থপৰ, কথা আৰু কামৰ মাজত সাদৃশ্য ৰাখিব নোৱাৰা ব্যক্তি মাত্ৰেই কৰণীয় কৰ্ত্তব্য সমূহ সুচাৰুৰূপে কৰিব নোৱাৰে। সেয়েহে প্ৰতিজন ব্যক্তিয়ে কৰণীয় কৰ্তব্যসমূহ নিঃস্বাৰ্থ ভাৱে দহজনৰ উপযোগী হোৱাকৈ কৰিব লাগে। কেৱল নিজৰ কাৰণে চিন্তা কৰিলে নহয়। কবি চন্দ্ৰ কুমাৰ আগৰৱালা দেৱে "সুখ" নামৰ কবিতাত কৈছে -

"অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই।

দায়িত্ব- জ্ঞান কৰ্তব্য জ্ঞানৰ শাখা। নিজৰ ওপৰত যি কামৰ দায়িত্ব অৰ্পিত হয় তেওঁ সেই দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি যোৱাটোৱেই হৈছে কৰ্মৰ মাজেদি পোৱা ধৰ্ম। তেতিয়াহে সুন্দৰ ফল লাভ কৰিব পাৰে। সুন্দৰ য'ত সৌন্দৰ্য ত'ত। সৌন্দৰ্যই দেশক মহিয়ান কৰে। দেশ মহিয়ান হ'লে শ্ৰীবৃদ্ধি হয়। শ্ৰীবৃদ্ধি হ'লে সৌষ্ঠৱ বাঢ়ে। সৌষ্ঠৱ বাঢ়িলে জনগণৰ মংগল সাধন হয়। মংগল হ'লে অপায় অমংগল দূৰ হয়। অপায় অমংগল দূৰ হ'লে সকলোৰে সুখ হয়। সুখ হ'লে চিৰশান্তি বিৰাজ কৰে। চিৰশান্তিয়ে মানুহৰ কামনা- বাসনা দূৰ কৰে। কামনা-বাসনা দূৰ হ'লে মানুহ নিস্বাৰ্থ হয়। নিস্বাৰ্থ হ'লে অন্যৰ উপকাৰ সাধন হয়। অন্যৰ উপকাৰ হ'লে ধৰ্ম হয়। এতেকে বুজা গ'ল যে মানুহে সৎ কৰ্মৰ ফলত ধৰ্ম অৰ্জন কৰিব পাৰে। সেয়েহে সৎ কৰ্মই শ্ৰেষ্ঠ ধৰ্ম বুলি কোৱা হয়।

# শিৰোনামা ঃ টুৱেণ্টি - ২০ ৱৰ্ল্ড কাপ আৰু ভাৰতবৰ্ষ

**মৃ. প. বৰা**
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)



আধুনিক ক্ৰিকেটত নতুন সংযোজন টুৱেণ্টি- ২০। নৱ প্ৰজন্মক এক গতিশীল, ৰোমাঞ্চকৰ, আকৰ্ষণীয় তথা উত্তেজনাপূৰ্ণ ক্ৰিকেট প্ৰদান কৰাৰ প্ৰচেষ্টাতে জন্ম "টুৱেণ্টি-২০" ক্ৰিকেটৰ। টুৱেণ্টি-২০ প্ৰথমখন স্বীকৃতিপ্ৰাপ্ত খেল অনুষ্ঠিত হৈছিল ২০০৩ চনৰ ১৩ জুনত ইংলেণ্ডৰ ছাউদাম্পটনত। প্ৰতিদ্বন্দ্বী দুই কাউণ্টি দল আছিল হেম্পশ্বায়াৰ আৰু ছাছেক্স। ৮৫০০ দৰ্শকে উপভোগ কৰা এই মেচখনত হেম্পশ্বায়াৰ ৫ ৰাণত জয়ী হৈছিল। 'টুৱেণ্টি-২০" গাঁথনিৰ প্ৰথমখন আন্তৰ্জাতিক মেচ অনুষ্ঠিত হৈছিল অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ মাজত ২০০৫ বৰ্ষৰ ১৭ ফেব্ৰুৱাৰীত অকলেণ্ডত। এই মেচখনত অষ্ট্ৰেলিয়া ৪৪ ৰাণত জয়ী হৈছিল।

'টুৱেণ্টি-২০' মেচৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি আৰু ইয়াৰ প্ৰসাৰৰ স্বাৰ্থত আন্তৰ্জাতিক ক্ৰিকেট কাউন্সিলে ১১ ছেপ্টেম্বৰ ২০০৭ৰ পৰা দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত কৰিছিল। এই নতুন সংস্কৰণৰ প্ৰথম বিশ্বযুদ্ধ। টেষ্টখেলা দহখন দেশৰ উপৰি আই চি চিৰ সহযোগী সদস্য স্কটলেণ্ড আৰু কেনিয়াই এই প্ৰতিদ্বন্দ্বিতাত অংশ লৈছিল।

যেন ৰূপকথাৰ কাহিনীহে। কেৱল এখন "টুৱেণ্টি-২০" আন্তৰ্জাতিক মেচেৰে অভিজ্ঞ ভাৰতীয় দলে মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত বিশ্ব চেম্পিয়নশ্বিপত অৱতীৰ্ণ হৈছিল। ভাৰতীয় দলৰ অভিজ্ঞ ত্ৰিমূৰ্তি তেণ্ডুলকাৰ, দ্ৰাবিড় আৰু গাংগুলীৰ অনুপস্থিতিত যুৱ শক্তিৰে অৱতীৰ্ণ হৈছিল টীম ইণ্ডিয়া। "টুৱেণ্টি-২০ ৱৰ্ল্ড কাপ"ৰ প্ৰাকমুহূৰ্তত কোটি-কোটি ভাৰতীয় ক্ৰিকেট প্ৰেমীৰ মনত উদ্ৰেক হৈছিল এটা জটিল প্ৰশ্ন ঃ ৱেষ্টইণ্ডিজ ৱৰ্ল্ড কাপত শোচনীয় প্ৰদৰ্শন কৰা দলটোৱে ভাল প্ৰদৰ্শন কৰিব পাৰিবনে? ভাৰতীয় উপমহাদেশৰ দুই দল ভাৰত আৰু পাকিস্তানে কম অভিজ্ঞ দলেৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে আনবোৰ দেশে পূৰ্ণশক্তিৰে জাতীয় দলটোকে অৱতীৰ্ণ কৰাইছিল। স্বাভাৱিকতে দুয়োটা দলৰ বাবে আছিল বৃহৎ প্ৰত্যাহ্বান।

কিন্তু সকলো জল্পনা -কল্পনাৰ ওৰ পেলাই ক্ৰিকেটৰ এই নতুন সংস্কৰণৰ বিশ্বযুদ্ধত নতুন ৰূপত দেখা গ'ল টীম ইণ্ডিয়াৰ দলটো । কেৱল এজন বা দুজন খেলুৱৈৰ প্ৰদৰ্শনৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা নহ'ল। বৰং দেখা গ'ল টোটেল টীম ৱৰ্ক- যিটো ভলেমান দিনৰ পৰা দৃষ্টিগোচৰ হোৱা নাছিল ভাৰতীয় দলত। প্ৰতিখন খেলতে আত্ম প্ৰকাশ ঘটিছিল এজন নতুন নায়কৰ।

আৰম্ভণি সন্তোষজনক নাছিল ভাৰতৰ বাবে। স্কটলেণ্ডৰ বিৰুদ্ধে গ্ৰুপৰ প্ৰথমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত হোৱাৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছিল পাকিস্তানৰ বিৰুদ্ধে পৰবৰ্তী খেলখন। ৰোমাঞ্চকৰ খেলখন টাই হোৱাৰ

পিছত বল আউট পদ্ধতিৰে চিৰন্তন প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি 'ছুপাৰ এইট' পৰ্যায়লৈ উন্নীত হয় ভাৰত। প্ৰথমখন খেলত নিউজিলেণ্ডৰ হাতত ১০ ৰাণত পৰাস্ত হোৱাৰ পিছত প্ৰতিবন্ধকতা আহি পৰে ভাৰতৰ যাত্ৰাপথত। ছেমি ফাইনেললৈ উন্নীত হ'বলৈ পৰাস্ত কৰিব লাগিব ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ দৰে শক্তিশালী দলক। কিন্তু প্ৰবল আত্মবিশ্বাসী আৰু শান্ত অধিনায়ক ধোনীয়ে সতীৰ্থসকলক উৎসাহ দি কৈছিল- "ফলাফলক লৈ মূৰ নঘমাবা। নিজৰ শ্ৰেষ্ঠখিনি উজাৰি দিয়া।" যুৱৰাজৰ বিস্ফোৰক ইনিংছৰে ইংলেণ্ডক হেৰুৱালে ১৮ ৰাণত। পৰৱৰ্তী খেলত আঘাতৰ বাবে যুৱৰাজ দলত নাথাকিলেও ২০ বছৰীয়া ৰোহিত শৰ্মাৰ অৰ্ধশতকীয় ইনিংছৰে ভাৰতক সন্মান জনক স্থিতিত উপনীত কৰোৱাৰ পিছত বাওঁহতীয়া পেচ বলাৰ ৰুদ্ৰ প্ৰতাপ সিঙৰ দুৰ্দান্ত বলিঙত দক্ষিণ আফ্ৰিকাৰ টুৰ্ণামেণ্টৰ পৰা বিদায় নিশ্চিত হয়। ছেমিফাইনেলত প্ৰতিদ্বন্দ্বী বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়া। সন্মুখত এক ডাঙৰ পৰীক্ষা। এই পৰীক্ষাতো অনায়াসে উত্তীৰ্ণ হ'ল ধোনি এণ্ড কোম্পানী। মাত্ৰ ৩০ বলত ৭০ ৰাণৰ ইনিংছ খেলি পুনৰ জিলিকি উঠিল যুৱৰাজ। বলিঙত চমক দেখুৱালে শ্ৰীশান্তে। কেংগাৰু বাহিনীৰ দৰ্প চূৰ্ণ কৰি ফাইনেলত প্ৰৱেশ কৰে ভাৰতে। ফাইনেলখন আছিল এক থ্ৰিলাৰ। তিনিটা বল বাকী থকা অৱস্থাত শ্বাসৰুদ্ধকাৰী ফাইনেলত চিৰন্তন প্ৰতিদ্বন্দ্বী পাকিস্তানক পৰাস্ত কৰে ৫ ৰাণত। টীম ইণ্ডিয়াই ইতিহাস ৰচনা কৰে। ধোনী এণ্ড বিগ্ৰেডে ভাৰতীয় ক্ৰিকেটৰ সোণালী দিনবোৰ ঘূৰাই আনি ধন্য কৰে ভাৰতীয় সকলক। প্ৰশংসাৰ পাত্ৰ ধোনীৰ বিচক্ষণতা। তেণ্ডুলকাৰ, দ্ৰাবিড়, গাংগুলীৰ অৱৰ্তমানত ধোনীৰ নেতৃত্বত এই যুৱ বিগ্ৰেডৰ হাতত ভাৰতীয় ক্ৰিকেট সুৰক্ষিত বুলিয়ে ক'ব পাৰি।

"টুৱেণ্টি-২০" ক্ৰিকেট সম্বন্ধে বিভিন্ন মুনিৰ বিভিন্ন মত। কোনোৱে কৈছে "ফাষ্টফুড", আন কোনোবাৰ মতে "লটাৰী", আন কোনোবাই কৈছে "আন্দাৰৱেৰ", আন কোনোবাই কৈছে ............

খেল পথাৰৰ বাহিৰত সংগীতৰ উদ্দামতা, স্বল্পবসনা, লাস্যময়ীৰ নৃত্য, ৰঙীন পোচাক, উল্লাস, পেভেলিয়নৰ সলনি ফুটবলৰ দৰে ছাইড লাইনৰ বাহিৰত প্ৰতিদ্বন্দ্বী দলৰ খেলুৱৈৰ আসন। বেটছমেন দ্ৰুতগতিৰে ক্ৰিজলৈ অহা, ন' বলৰ পিছত ফ্ৰী হিট, বল আউট আদি এক অভিনৱ বিনোদন পেকেজ। মুঠতে তিনিঘণ্টা টপগীয়েৰত থাকিব লাগিব। মুঠতে "টুৱেণ্টি-২০" এক নতুন উদ্দাম।

প্ৰবন্ধটোৰ উৎস-

১। টুৱেণ্টি-২০ আৰু ভাৰত (ৰঞ্জন কুমাৰ ভট্টাচাৰ্য)
২। যেন ৰূপকথাহে আছিল ভাৰতৰ যাত্ৰা (নীলাংকু শৰ্মা)
৩। এক অভিনৱ বিনোদনৰ পেকেজ (শিৱাজী পুৰকায়স্থ)



# দোমোজা

**ৰিতুপৰ্ণ পাটৰ**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এমাহ ... সম্পূৰ্ণ একমাহ ! প্ৰকাশে আঙুলিৰ মূৰত গণ্তি কৰিলে। হয় ঠিকেই আছে, এমাহেই হ'ল অংকিতাক লগ নোপোৱাৰ। লগ পোৱাতো বাদেই, তাইৰ ছাঁটোকে এই সুদীৰ্ঘ এমাহ সি দেখা নাই।

তিনিআলি চ'কলৈ গৈ মনটো আজিও বেয়া লাগিল প্ৰকাশৰ। অংকিতাক যি কোনো প্ৰকাৰে লগ ধৰি বহুদিনৰ সাঁচতীয়া মনৰ কথাবোৰ হিয়া উজাৰি পাতিম বুলি দৃঢ় হৈয়ে সি গৈছিল। কিন্তু অংকিতাই তাৰ সেই দৃঢ়তা ম্লান কৰি পেলালে। তাৰ সকলো হিচাপ, সকলো ভাৱনা খেলি-মেলিৰ মাজত সোমাই পৰিল। তিনিআলি চ'কটোত থকা বিৰিঞ্চৰ গুমটিখনৰ পোনে-পোনেই অংকিতাৰ ঘৰ। কিন্তু তাত এঘণ্টা জুৰি লগ পোৱাৰ আশাৰে বোন্দাপৰ দি থাকিও কোনো ফল নেপালে। তাৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল - কিয় বাৰু সি প্ৰেমত পৰিছিল ? কিহে পাইছিল তাক প্ৰেমৰ অটল সমুদ্ৰত হাবু-ডুবু খাবলৈ ? প্ৰেমৰ পথ ইমান জৰাজীৰ্ণ বুলি জনাহেঁতেন সি কেতিয়াও প্ৰেমত নপৰে ... প্ৰেম বিচাৰি সি কেতিয়াও হাবা-থুৰি নাখায় ...। উস! প্ৰেয়সীৰ পৰা নিলগে থকাৰ কি যে যন্ত্ৰণা প্ৰেমত পৰাজনৰ বাদে সেয়া বাৰু কোনে উপলব্ধি কৰে? এইবোৰ সি এতিয়া বাৰুকৈয়ে উপলব্ধি কৰিছে। সি মৰ্মাহত হৈ পৰিছে। সেয়েহে সি ঈশ্বৰক সোধে ... বাৰে-বাৰে ...

হে প্ৰভু ! য'ত তুমি বিদ্যমান তাত ইমান বেদনা, ইমান বাধা, ইমান শংকা কিয় ? যি পথেৰে তুমি হেনো অহা-যোৱা কৰা সেই পথ ইমান কণ্টকময় কিয় ? য'ত তুমি থাকা তাৰেই প্ৰতি মানুহৰ ইমান ঘৃণা কিয় ? কিয় প্ৰভু কিয় ?

কথাবোৰ ভাবি-ভাবি সি একো পাৰ নেপায়, অথচ এই একেবোৰ কথাকে সি সদায় ভাবি আহিছে ...একেখিনি প্ৰশ্নকে কৰি আহিছে। অংকিতাৰ পৰা আঁতৰি থকাৰ বেদনাই তাক খুলি-খুলি খাইছে। তাইক লগ পাবলৈ, মাত্ৰ এবাৰ তাইৰ সতে কথা পাতিবলৈ তাৰ হৃদয় ব্যাকুল হৈ পৰিছে। হয়তো সি বৰ অধীৰ হৈ পৰিছে । বাস্তৱিক জগতৰ পৰা তাৰ মন ক্ৰমাত বিচ্ছিন্ন হৈ আহিব ধৰিছে ...। সি মাজে-মাজে ভাৱে ... চ'কটোৰ কাষতেই সি এটা যেন ঘৰ সাজি বাস কৰিব ...। ভাবিলে কি হ'ব, সি যে একোকে কৰিব নোৱাৰে। আগতে তাইক মাতষাৰ লগাবলৈ যোৱাৰ চলেৰে ঘৰলৈ গৈ দুই এষাৰ কথাও পাতিব পাৰিছিল । কিন্তু এতিয়া সি তেনেকৈ কৰিব নোৱাৰে। কাৰণ 'সময়' সিহঁতৰ প্ৰেমৰ মাজত সোমাই পৰিল। সান্ত্বনা লভিবলৈকে হওঁক বা আন কিবা কাৰণতেই সকলোবোৰ দোষ সি এই 'সময়'ৰ ওপৰতেই জাপি দিয়ে। প্ৰকাশে নিজকে সুধি চায় ... যিজনী অংকিতাই তাক এপলক নেদেখিলেই, এষাৰি মাত দিব নেপালেই শোৱা-খোৱা সকলো বাদ দিছিল; সেই একেই জনী অংকিতাই তাক বাৰু অতদিনে নেদেখাকৈ শান্তিৰে থাকিব পাৰিছেনে ? তাই বাৰু

জানিছেনে যে ... এই এমাহে চাইকেলেৰে চ'কলৈ তাত বাটি কৰি-কৰি সি ভাগৰি পৰিছে ! গুমটিখনৰ একাষে থকা তামোলৰ ফলা গা-গছেৰে নিৰ্মিত ক্ষুদ্ৰ চাং খনৰ গাতে ছাইকেলখন আওজাই থৈ চাঙতে বহি-বহি সি পুৰণি কথাবোৰকেই ভাবি থাকিল। স্বয়ংক্ৰিয় ভাৱেই পাখি লগা কাঁড়ৰ দৰে তাৰ মন উৰি গ'ল মধুৰ অতীতৰ বুকুলৈ .....।

অংকিতা বৰদলৈ মানে প্ৰকাশৰ প্ৰেয়সী। মৰিগাঁও জিলাৰ এখন ভিতৰুৱা গাঁও হাটবৰ। এই গাঁৱৰে এটি ক্ষুদ্ৰ দৰিদ্ৰ পৰিয়ালৰ জীয়ৰী অংকিতা। তাহাঁতৰ ঘৰত প্ৰাণী মাথো তিনিটাহে। তাই, তাইৰ মাক যমুনা বৰদলৈ আৰু দেউতাক প্ৰভাত বৰদলৈ। অংকিতাহঁতৰ ঘৰৰ পৰা তিনিআলিৰ উত্তৰ দিশে যিটো পথ গৈছে সেই পথেৰে প্ৰায় এক কিঃমিঃ গলেই পোৱা যায় সাতবড়ি নামৰ গাঁওখন। এই সাতবড়ি গাঁৱৰে এটি নিম্ন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা প্ৰকাশজ্যোতি কাশ্যপ। প্ৰকাশ আৰু অংকিতা দুয়ো ক্লাছমেট্। লগতে ভাল বন্ধুত্বও আছে সিহঁতৰ মাজত। বৰ্তমান দুয়ো স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী।

উত্তাল যৌৱনৰ অবিচ্ছিন্ন তাগিদাত তাই মানে অংকিতাই সিহঁতৰ বন্ধুত্বক এটা অন্য ৰূপ দিবলৈ মন মেলিলে। প্ৰকাশেও আপত্তিহীনভাৱেই তাইক সেই ৰূপেৰে গ্ৰহণ কৰিলে। কাৰণ, সেই সময়ত সিও উতলা যৌৱনৰ আক্ৰমণত ভাৰাক্ৰান্ত হৈ প্ৰেম বিচাৰি অজস্ৰ ৰমনীৰ হৃদয়ৰ দুৱাৰত টুকুৰিয়াই ফুৰিছিল। তেনে মুহূৰ্তত উপযাচি অহা কোনো গাভৰুৰ প্ৰেমৰ প্ৰস্তাৱক সি বাৰু কেনেকৈ অগ্ৰাহ্য কৰে? গতিকে অংকিতাক সি প্ৰমাণ-পত্ৰ প্ৰদান কৰিলে 'প্ৰেয়সী' ৰূপেৰে। এয়া আছিল ঠিক ক্লাছ নাইন-টেন্ মানৰ কথা। তেনেদৰেই আৰম্ভ হৈছিল সিহঁতৰ প্ৰেমৰ দিন আৰু খুব সুন্দৰ ভাৱেই অতিবাহিত হৈছিল প্ৰতিটো পল-অনুপল, প্ৰতিটো দিন-মাহ-বছৰ ...। ইজনে-সিজনৰ অবিহনে একমুহূৰ্তও থাকিব নোৱাৰে। চুম্বক ক্ষেত্ৰৰ উত্তৰ আৰু দক্ষিণ মেৰুৰ পৰস্পৰ আকৰ্ষণৰ দৰেই তীব্ৰ সিহঁত দুয়োৰে পৰস্পৰ আকৰ্ষণ। দুয়ো যেন কল্পনাৰ গভীৰ সমুদ্ৰত বিলীন হৈ যোৱা আজন্ম প্ৰেমিক-প্ৰেমিকা। সিহঁত যেন মুক্ত পক্ষী ... কোনো বাধা নাই...কোনো শংকা নাই...নাইকোনো চিন্তা...। দুয়ো কেৱল প্ৰেমৰ সাধনাতেই অবিৰত মত্ত। প্ৰেমৰ সুস্বাদু ৰস পান কৰি এনেদৰেই যেন সমগ্ৰ জীৱন পাৰ কৰিব...। তেনেকৈয়ে সিহঁতৰ জীৱনৰ ওপৰেদি পাৰ হৈ গ'ল ছটা সোণালী বসন্ত...। অৱশ্যে দুয়োখন ঘৰৰ মানুহে কথাটো তেতিয়ালৈকে গম পোৱা নাছিল। কিন্তু ইয়াৰ পিছত দুয়োৰে সম্পৰ্কৰ বিষয়ে ঘৰৰ মানুহে যেতিয়া লাহে-লাহে জানিব পাৰিলে, তেতিয়াই যেন প্ৰকাশ আৰু অংকিতাৰ প্ৰেমৰ মাজলৈ সংঘাত নামি আহিল। খেলি-মেলিবোৰ যেন আৰম্ভ হ'ল ঠিক সেই তেতিয়াৰ পৰাই ...।

প্ৰকাশ! ঐ প্ৰকাশ! কি হ'ল? এনেকৈ ইয়াতে ৰাতিটো কটাম বুলি ভাবিছ নেকি?..... বিৰিঞ্চৰ গল্‌গলীয়া কণ্ঠই তাৰ তন্ময়তা ভাগি দিলে। চিন্তাৰ পথাৰত হাল বাই থাকোতে ধৰিত্ৰীৰ বুকুলৈ কেতিয়া যে সন্ধ্যা নামি আহি পৰিবেশটো তমসাচ্ছন্ন কৰি তুলিলে সি গমকে নাপালে। লৰালৰিকৈ চাইকেলখন লৈ বিৰিঞ্চক মাত লগাই গৃহাভিমুখে সি চাইকেল চলাই দিলে। আহোঁতে ৰাস্তাত সি এইবোৰ

কথাকেই ভাবি আহিলে। প্ৰকাশে লক্ষ্য কৰিছে সেই তেতিয়াৰ পৰাই যেন সকলো ক্ৰমান্বয়ে সলনি হৈ আহিছিল। সি প্ৰায়ে শুনিছিল অংকিতাক তাইৰ ঘৰৰ মানুহে কৰা অত্যাচাৰৰ কথা। তাই হেনো খুব কান্দিছিল তেতিয়া, কথাবোৰ শুনি সিও কান্দিছিল হিয়া ঢাকুৰি ...। কিন্তু সি এই সকলোবোৰ অংকিতাৰ দৰেই নীৰৱে সহ্য কৰাৰ বাহিৰে আৰু একো কৰিব পৰা নাছিল। তাইক সান্ত্বনাকণ দিবলৈকো সি অসমৰ্থ হৈ পৰিছিল। অংকিতা ঘৰৰ পৰা ওলাবলৈ প্ৰায় বাদ দিছিল। কাৎচিত পদুলি মুখলৈ অৱশ্যে ওলায় ...। প্ৰকাশক যদিও ঘৰৰ মানুহে অসংখ্য গালি পাৰিছিল - বুজাইছিল, তথাপি সি কিন্তু চ'কলৈ যাতায়াত কৰা বাদ দিয়া নাছিল। কাৰণ, তাৰ এক কথা - সি অংকিতাক ভাল পায় হিয়া উজাৰি অকৃত্ৰিম ভাৱে আৰু তাইক সি পাহৰিব নোৱাৰে জনম-জনমলৈ .....। তাৰ মতত সি অটল হৈ ৰৈছিল। কথাবোৰ মনতে পাগুলিয়াই-পাগুলিয়াই সি ঘৰ পালেহি। গা বেয়া বুলি মাকক ফাঁকি দি ভাত নোখোৱাকৈয়ে সি বিছনাত বাগৰ দিলে। অতীতৰ কথাবোৰেই জুমুৰি দি ধৰি পুনৰ তাৰ মন-মগজু তোলপাৰ লগালেহি .....।

পিছদিনা আবেলি পুনৰ সি গুমটি চৌহদত হাজিৰ হ'লহি। তাৰ মুখখন বৰ্ষা কালৰ আকাশৰ দৰে গোমা। অৱশ্যে তাৰ সেই গোমোঠা মুখৰ ছবিখন বেছি পৰ বৰ্তি নাথাকিল। অংকিতাৰ পত্ৰ এখনি বিৰিঞ্চুৰ পৰা লাভ কৰি সি জপিয়াই উঠিল। তাৰ গোমা মুখখনি পূৰ্ণিমাৰ জোনটোৰ দৰে উজলি উঠিল। অলপো পলম নকৰি সি চিঠিখন মেলি এফালৰ পৰা বাক্যবোৰৰ ওপৰত চকু ফুৰাই গ'ল। চিঠিত তাইৰ বতৰা লিখিছে ... প্ৰকাশৰো খবৰ লৈছে ... তাই অভিমান কৰিছে সি তাইৰ বাতৰি নোলোৱাৰ বাবে। তাই জানে যে সেইটো কাহানিও সম্ভৱ নহয়। তথাপি তাই লিখিছে ... অভিমান কৰিছে ...। কৰক ! তাইৰ তেনে অভিমানৰ বাবেইতো সি তাইৰ প্ৰতি অধিক অনুৰক্ত। চিঠিত তাই ওলাব-সোমাব নোৱাৰাৰ কাৰণবোৰো লিখিছে। প্ৰকাশেও অৱশ্যে জানে যে ইয়াৰ মূলতে পৰিস্থিতিয়েই দায়ী। তাই প্ৰকাশক লগ পাব বিচাৰে। কিবা কথা আছে হেনো। প্ৰকাশৰ বুকুখন তৎক্ষণাত সঘনে স্পন্দিত হ'বলৈ ধৰিলে ... কি বা কথা তাইৰ ! তথাপি সি এটা সুখৰ হুমুনিয়াহ কাঢ়িলে। যা হওঁক, বহুদিনৰ মূৰত হেঁপাহ পলুৱাই কথা পাতিবলৈ সি এটা সুযোগ পাব। সি মনতে ভাবিলে - সঁচাকৈয়ে মানুহ পৰিস্থিতিৰ দাস। পৰিস্থিতিয়ে মানুহক কেনেকৈ কোন দিশে উটুৱাই নিয়ে সেয়া কোনেও বুজিব নোৱাৰে। পৰিস্থিতিয়ে মানুহক কেতিয়াবা বিচাৰিলেও একো নিদিয়ে আৰু নিবিচাৰিলেও কেতিয়াবা বহু কিবা-কিবি দিয়ে। কি আচৰিত এই পৰিস্থিতি !

আজি বিহুৰ ফাংচন আছে। সেইদিনা চিঠিৰ কথামতে অংকিতাই প্ৰকাশক লগ ধৰাৰ কথা। মূল ষ্টেজৰ পিছফালে সেয়েহে প্ৰকাশ অধীৰ অপেক্ষাৰত .....। সময় যিমানেই পাৰ হৈ গৈছে সিমানেই তাৰ বুকুৰ স্পন্দনো ক্ৰমাত বাঢ়ি আহিছে ... উশাহ বোৰ চুটি হৈ আহিছে। সি ভাবি পোৱা নাই অংকিতাৰ সতে আজি কি কথা পাতিব ....... অংকিতাই বা কি কথা ক'ব ...। অৱশ্যে সি আৰু বেছি ভাবিব লগা নহ'ল। যথা

সময়ত অংকিতা আহি তাৰ কাষত থিয় হ'ল। সি মাথো থৰ হৈ তাইৰ পিনেই চাই ৰ'ল। তাৰ মুখেৰে এযাৰিও মাত ওলোৱা নাই। সি ভাবিবলৈ নেপালে কিয় তাৰ এনে হৈছে। কোনোবা আপোনজনক বহুদিনৰ মূৰত লগ পালে হয়তো এনেকুৱাই হয়। অজস্র কথা ক'বলৈ মন যায় কিন্তু মুখেৰে একো ওলাই নাহে। প্ৰকাশো ইয়াৰ বাহিৰত নগ'ল। পাছত যেনিবা অংকিতাৰ সঁহাৰিৰে মাত ওলাল আৰু শেষত সকলো স্বাভাৱিক হৈ পৰিল। দুয়ো হিয়া উজাৰি অসংখ্য কথা পাতিলে বহু সময় ...। পিছে অংকিতাৰ শেষৰ দুটামান কথাই প্ৰকাশৰ কলিজাটো ভাঙি চুৰমাৰ কৰি দিলে ... তাৰ কণ্ঠ শুকাই গৈ মাতবোৰ পুনৰ হেৰাই থাকিল ...। খেলি-মেলি, ভয়-আশংকা, বিষাদেৰে তাৰ মনান্তৰ ভৰি পৰিল। এনে ভাৱ হ'ল - আকাশ খন যেন তাৰ মূৰৰ ওপৰতে খহি পৰিল ... তাৰ মূৰটো যেন চক্ৰাকাৰে তীব্ৰ বেগত ঘূৰিব ধৰিছে ... চকুৰেও ধূৱঁলি-কুৱঁলি দেখিছে ... সি বিস্ময়াভূত হৈ পৰিল - কি শুনিছে এইবোৰ !

অংকিতাই কথাবোৰ ঠিকেই ভাবিছিল। তাই ঘৰখন কিছু চাব লাগে, সেইটো তাইৰ দায়িত্ব। যিহেতু তাইৰ আগে-পিছে ভাতৃ-ভগ্নী বুলিবলৈ কোনো নাই। তাইনো দেউতাকৰ হাতত ধৰি আৰু কিমান চলিব ! তাইৰ ঘৰৰ আৰ্থিক অৱস্থাও শোচনীয়। গতিকে তাই কিবা এটা কৰি দেউতাকক সহায় কৰাত প্ৰকাশৰ কোনো আপত্তি নাই। তাই সেইবোৰৰ বাবেই যে তাক লগ বা দেখা কৰিব নোৱাৰে তাতো তাৰ একো আপত্তি নাই। কিন্তু বিয়া ! সি বাৰু কথাটো কেনেকৈ সহ্য কৰে? বিশ্বাস কৰেই বা কেনেকৈ যে - অংকিতাৰ বিয়া ঠিক হৈছে। সি মানি লববলৈ টান পালেও এয়া যে ঠিক ...। তাই প্ৰকাশক শীঘ্ৰে কিবা এটা উপায় উলিয়াবলৈ কৈ মণ্ডপৰ মাজলৈ গুচি গ'ল। সি কিন্তু ষ্টেজৰ পিছফালেই থিয় হৈ ৰ'ল সৰগ পৰা মানুহটোৰ দৰে ...। কাৰণ, সি জানে যে - এতিয়া সি একো কৰিব নোৱাৰে। বৰ্ত্তমান সি অধ্যয়নৰত ছাত্ৰ। তেনেস্থলত সি বিয়াৰ কথা চিন্তাই কৰিব নোৱাৰে, চিন্তা কৰিলেও পদক্ষেপ লব নোৱাৰে। উপাৰ্জনৰ এটা সুগম পথ নোহোৱাকৈ বিয়াৰ কথা ভবাটো তাৰ বাবে অমূলক, অলীক। ডিগ্ৰীধাৰি হোৱাৰ পিছত চাকৰিৰ দৰে কিবা এটা আশা কৰিবলৈকো তাৰ সেইটোও কমপ্লিট হোৱা নাই। সিফালে ব্যৱসায় কৰিবলৈকো সি অসমৰ্থ, মূলধনৰ অভাৱ। তেন্তে, সি এতিয়া কৰিব কি ? উপাৰ্জনৰ এটা উচিত ব্যৱস্থা কৰি বিয়াও কৰিব নোৱাৰে, ইফালে তাৰ প্ৰথম প্ৰেম পাত্ৰ অংকিতাকো হেৰুৱাব নোখোজে। সি বৰ দোমোজাত পৰিল। এনে জটিল সন্ধিক্ষণৰ বাবেই সিদ্ধান্ত লোৱাৰ ক্ষমতাকনো তাৰ মন-মগজুৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হ'ল ... তাৰ ভৰি দুখনে শৰীৰৰ বোজা লোৱাৰ শক্তিকণ যেন ক্ৰমাত হেৰুৱাই পেলাইছে ... কাণেৰেও একো নুশুনা হৈ আহিছে ... সি বৰ দুৰ্বল হৈ পৰিছে তাৰ ভাৱ হৈছে - এই মুহূৰ্ত্ততে সি যেন ঢলি পৰিব ...

আই বসুমতীৰ বুকুতে আশ্ৰয় লব ...।

# দিক্‌ভ্ৰান্ত

**দিপিকা শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

জ্যোতিস্মিতাৰ আত্মহত্যাৰ কথাটো পিছদিনা গোটেই জিলাখনতে বিয়পি পৰিল। সকলোৰে মুখত একেটাই কথা জ্যোতিস্মিতাই কিয় আত্মহত্যা কৰিলে? কোনেও তাৰ কাৰণ বিচাৰি নাপালে। বুজি নাপালে তেওঁৰ শাহুৱেক মালাই। বুজি নাপালে পুলিচে আৰু তেওঁৰ স্বামী বাতুল হাজৰিকাই।

"যোৱা কালি খাই বৈ দুয়ো শুবলৈ গৈছিলো। অৱশ্যে আগতকৈ কালি জ্যোতিস্মিতাৰ মনটো কিবা বেলেগ যেন দেখিছিলো, যদিও মই সোধা নাছিলো। ভাবিছিলো দুই সপ্তাহ ধৰি ভনীয়েক মালৱিকা ইয়াতে আছিল আৰু আজি গ'লগৈ। হয়তো ভনীয়েক যোৱাৰ বাবে জ্যোতিয়ে বেজাৰ পাইছে। কিছু সময়ৰ পাছত মোৰ টোপনি আহিল আৰু হঠাৎ ৰাতি দুটা মান বজাত ফেঁচাৰ এটা বিকট চিঞৰত মোৰ টোপনি ভাগি গ'ল। সাৰ পাই দেখো মোৰ কাষত জ্যোতিস্মিতা নাই। ভাবিছিলো বাহিৰলৈ গৈছে। বহু সময়ৰ পিছলৈকে নহা দেখি টেবুলৰ পৰা টৰ্চটো লৈ বিচনাৰ পৰা নামি আহোঁ। তেতিয়া দুৱাৰ খোলা হৈয়ে আছিল। বাহিৰলৈ আহি চাৰিও পিনে টৰ্চ মাৰি চাই জ্যোতিস্মিতাক ক'তো দেখা নাপালোঁ। কলৈ গ'ল? কিবা এক অজান আশঙ্কাত মোৰ গাটো জিকাৰ খাই উঠিল। ভিতৰলৈ আহি কম কেইটা চাই দেখোঁ আটাই কেইটা কমেই বন্ধ হৈ আছে। ঠিক সেই সময়তে মায়ে মোক মাত লগাই ওলাই আহে। মই মাক জ্যোতি নাইকিয়া হোৱাৰ কথা কওঁ। মোৰ কথাত মা অবাক হয়। তাৰ পাছত মাৰ লগত বাহিৰলৈ ওলাই আহোঁ আৰু চাৰিও ফালে বিচাৰি একো উৱাদিহ নাপাই, পিছফালৰ বাট টোৰেদি দুয়ো আগবাঢ়ো। কিছুদূৰ যোৱাৰ পিছত দেখিবলৈ পালোঁ লেচুজোপাত জ্যোতিস্মিতাৰ দেহটো উলমি আছে। একেজাপে মই গছৰ ডালত উঠি জ্যোতিক নমাই আনো। ডিঙিৰ পৰা ৰছীডাল খুলি দি ভালকৈ পৰীক্ষা কৰি দেখো জ্যোতিস্মিতা ইহ সংসাৰত আৰু নাই। মই পাগলৰ দৰে চিঞৰিবলৈ ধৰিলো। জ্যোতি তুমি ক'লৈ গ'লা? তুমি মোক অকলশৰীয়া কৰি কিয় গুচি গ'লা জ্যোতি। মোক তুমি এবাৰ মাতা জ্যোতি, মাত্ৰ এবাৰ মাতা। নহ'লে মই পাগল হৈ যাম। মই কেনেদৰে জীয়াই থাকিম জ্যোতি? তাৰ পিছত মই আৰু একো ক'ব নোৱাৰোঁ। যেতিয়া সাৰ পাওঁ তেতিয়া মই আমাৰ ড্ৰয়িং কমৰ বিচনাত। বহুতো মানুহৰ মাজত মোৰ নিচেই কাষতে বহি আছে ডাঃ অমৰ কলিতা।"

বাতুল হাজৰিকাৰ গোটেই কথাখিনি একান্ত মনে শুনি ডায়েৰীত লিখি লৈছে পুলিছ ইন্সপেক্টৰ জনে। তাৰ পিছত কৈছে ব'লক হাজৰিকা ডেড বডীটো ক'ত আছে চাওগৈ। আগে-আগে হাজৰিকা আৰু পিছে-পিছে ইন্সপেক্টৰ। ইন্সপেক্টৰে জ্যোতিৰ শটো ভালকৈ পৰীক্ষা কৰি চালে। হঠাৎ বুকুৰ ব্লাউজৰ মাজেৰে ওলাই থকা কাগজৰ টুকুৰা এটা চকুত পৰাত তেওঁ টুকুৰাটো উলিয়াই আনি মেলি চালে। তাত মাত্ৰ

এষাৰ কথা লিখা আছিল। "মোৰ মৃত্যুৰ বাবে কোনো দায়ী নহয়।" পুলিচ এজনে জ্যোতিৰ শটো গাড়ীত উঠালে আৰু ইন্সপেক্টৰে হাজৰিকাৰ পৰা বিদায় লৈ গাড়ীত উঠিল গৈ।

জ্যোতিৰ মৃত্যুৰ কেইসপ্তাহ মানৰ পিছত হাজৰিকাই কিবা কাৰণত আলমাৰী খোলাত নীলা খামৰ এখন চিঠি পায়। তাত নিজৰ নামটো দেখি লৰা-লৰিকৈ খুলি পঢ়ি চায়। তাত লিখা আছিল - দেৱতুল্য স্বামী,

মোৰ হৃদয় ভৰা মৰমবোৰ গ্ৰহণ কৰিব। আপুনি যে মোক জীৱনত কেতিয়াওঁ ক্ষমা কৰিব নোৱাৰে সেই কথা মই জানো । তথাপি মই আজি মোৰ জীৱনৰ সকলো কথা আপোনাৰ আগত ব্যক্ত কৰি যাম বুলিয়েই হাতত কলম ললো।

এয়া আজিৰ পৰা ১৫ বছৰৰ আগৰ কথা। মোৰ জন্ম হৈছিল এটা খুব দুখীয়া পৰিয়ালত। অৱস্থাৰ তাড়নাত পৰি দেউতাই এদিন পুৰণি গাওঁ এৰি গৈছিল এখন নতুন ঠাইলৈ। তাত হাবি-জংঘল ভাঙি দেউতাই এটা চিট উলিয়াই লৈছিল। তিনি বছৰ মানৰ পিছত নৰ পিশাচ চৰকাৰৰ পুলিচৰ অত্যাচাৰ । পথাৰৰ লহ-পহিয়াকৈ বাঢ়ি অহা পকা-ধানবোৰ হাতীৰে গচকাই, ঘৰ-দুৱাৰবোৰ ভাঙি পেলালে। এই অত্যাচাৰৰ ফলতেই আমি নতুন গাওঁখন এৰিবলৈ বাধ্য হলো। তেতিয়া মোৰ বয়স আছিল পোন্ধৰ বছৰ।

সেই দিনা আমি আহি গুৱাহাটী চহৰত উপস্থিত হ'লো। চহৰত উঠিয়েই দেউতাই পুৰণি বন্ধু এজনৰ ওচৰলৈ গ'ল। তেখেত আছিল পি, ডাব্লিউ, ডিৰ ইঞ্জিনিয়াৰ ৰমেন চলিহা। তেওঁ ডিব্ৰুগড়ত চাকৰি কৰে। দেউতাই তেখেতক আমাৰ দুখৰ কথা কোৱাত আমাক তেখেতৰ ঘৰতে থকা-মেলাৰ ব্যৱস্থা কৰি দিলে। তাৰ চাৰি দিনৰ পিছতেই চলিহা যাবলৈ ওলাল ডিব্ৰুগড়লৈ। তেখেতে দেউতাক জনালে যে তেওঁ মোকো লগত লৈ গৈ তাত চাকৰি এটাৰ ব্যৱস্থা কৰি দিব। দেউতাই কোনো আপত্তি নকৰিলে, হয়তো চাকৰি এটা পালে আমাৰ অভাৱ দূৰ হোৱাৰ আশাত।

সেইদিনা চলিহা আৰু মই সন্ধ্যা তেখেতৰ কোৱাৰ্টাৰত উপস্থিত হ'লো। তেখেতৰ ৰান্ধনি ল'ৰা ৰতনে ৰাতিৰ সাজ আহাৰ ৰন্ধা-বঢ়া কৰিলে। ৰাতি ভাত-পানী খোৱাৰ পিছত ৰতন যেতিয়া শুবলৈ গ'ল তেতিয়া চলিহাই মোক মাতি নি তেখেতৰ ওচৰত বহিবলৈ দি কৈছিল - জ্যোতি তুমি ইমান ধুনীয়া, প্ৰথম দৃষ্টিতে তুমি মোৰ মন প্ৰাণ হৰি নিছিলা। তোমাক গুৱাহাটীত এৰি থৈ মই ইয়াত কেনেকৈ থাকিম কোৱাছোন? সেই বাবে তোমাক মোৰ লগত লৈ আহিলোঁ।

ঃ তেনেহলে আপুনি মোক চাকৰি দিবলৈ অনা নাই?

ঃ চাকৰি !

ঃ ইমান সহজ নহয় যে যেতিয়াই তেতিয়াই পাবা। লাহে-লাহে চাই মেলি যোগাৰ কৰি দিম বাৰু। এই বুলি কৈ তেওঁ মোক গাৰ ফালে টানি নিয়ে। মই বহুত আপত্তি কৰিলো, কাকুতি-মিনতি কৰিলোঁ তথাপি ৰমেন চলিহাৰ মন গলাব নোৱাৰিলোঁ। শেষত চাকৰিৰ আশাত নিজকে অৰ্পণ কৰিলো ৰমেন চলিহাৰ হাতত । এদিন-দুদিনকৈ তিনি মাহত ভৰি দিলে। মই গম পালোঁ যে মই অন্তঃসত্ত্বা। ইফালে চাকৰিৰো কোনো খবৰ নাই। মই তেখেতক কথাটো জনালো। তেতিয়াই তেখেতে ক'লে যে তুমি চিন্তা নকৰিবা। মই তাৰ ব্যৱস্থা কৰিম।

এমাহ-দুমাহ কৰি যেতিয়া ছমাহত ভৰি দিয়ে তেতিয়া কতবাৰ অনুনয়-বিনয় কৰিলো তথাপি তেওঁৰ কাণ সাৰেই

নাই। তাৰ অলপ দিনৰ পিছত একেৰাহে পাঁচদিন চলিহা ঘৰলৈ নহাত মই বৰ চিন্তাত পৰিলোঁ। পাছদিনা মই গৈ অফিচত খবৰ লৈ জানিব পাৰিলোঁ যে তেখেত তাৰ পৰা বদলি হৈ গৈছে। কথাটো শুনাৰ পিছত পৃথিৱীখন যেন মোৰ ভৰিৰ তলৰ পৰা খহি গৈছে তেনেকুৱা লাগিবলৈ ধৰিলে। গোটেই পৃথিৱীখন মই অন্ধকাৰ দেখিলোঁ। দুদিন কান্দি-কান্দি কোৱাৰ্টাৰত পৰি থাকিলো। তাৰ পিছদিনা ৰতনো ঘৰৰ পৰা অন্তৰ্ধান হ'ল। উপায়হীন হৈ মই ভাবিবলৈ ধৰিলো যে ইয়াত অকলে-অকলে থাকো কেনেকৈ? খামেই বা কি? তেতিয়া দেউতালৈ খুব মনত পৰিব ধৰিলে। এনে এজন কু-চৰিত্ৰৰ মানুহৰ ঘৰত আশ্ৰয় লৈছিলো কিয়? তাতকৈ আমি ভিক্ষা খুজি খোৱা হলেই ভাল আছিল। তেওঁলোকৰ ঘৰত আশ্ৰয় লোৱাৰ বাবেই মোৰ জীৱনলৈ নামি আহে বিৰাট ধুমুহা। সেই ধুমুহাতে মোৰ জীৱনৰ সকলোবোৰ হেৰুৱাব লগাত পৰো। দেউতাৰ ওচৰলৈ গুচি যাবলৈ মোৰ হাতত টকা নাছিল। উপাই নাপাই এদিন মই আত্মহত্যা কৰিবলৈ ৰাতি ঘৰৰ পৰা ওলাই আহিছিলো। কিন্তু দেউতালৈ বৰকৈ ঘৰত পৰিবলৈ ধৰিলে। দেউতানো ইমান নিষ্ঠুৰ হ'লনে? আজি ছটা মাহে, খবৰ এটাকে নললে। কপালত যি আছিল হৈ গ'ল। মই এই মুহূৰ্তত যদি ৰমেন চলিহাক লগ পালোহেঁতেন, তেনেহ'লে তেওঁক দেখুৱাই দিলোহেঁতেন সতী-সাবিত্ৰী, জয়মতী, মূলা গাভৰুৰ দৰে সতী ৰমনীৰ কিমান শক্তি। মোৰ সতীত্ব হৰণ কৰি চোৰৰ নিচিনা বদলি হৈ গুচি গ'লা তোমাক পোৱা হ'লে ........

কে ......... ৰে ............ক। হঠাৎ নিচেই কাষতে গাড়ীখন বৰ জোৰেৰে ৰৈ গ'ল। তেতিয়াহে মোৰ চেতনা ফিৰি আহিল। ড্ৰাইভাৰৰ চিটৰ পৰা হৃষ্ট-পুষ্ট মানুহ এজন নামি আহিল আৰু মোক ক'লে- এই, গাড়ী অহা দেখা নাছিলি? পাগলীৰ দৰে ৰাস্তাই-ৰাস্তাই ঘূৰি-ফুৰিচ কিয়? মই উচপ্ খাই উঠিলো। ভয়তে মোৰ হাত-ভৰি কঁপিব ধৰিলে। মানুহজনে এইবাৰ দুগুণ জোৰেৰে সুধিলে - তই কোন?

মই লাহেকৈ কলো - মই জ্যোতিস্মিতা।

ঃ এই ৰাতি অকলে কলৈ যোৱা ?

ঃ আত্মহত্যা কৰিবলৈ।

ঃ কি আত্মহত্যা কৰিবলৈ?

ঃ হয়।

ঃ তোমাৰ ঘৰ ক'ত?

ঃ গুৱাহাটীত।

ঃ ইয়াত ক'ত থাকা?

ঃ পি, ডাব্লিউ, ডিৰ কোৱাৰ্টাৰত।

ঃ কাৰ ঘৰত?

ঃ ইঞ্জিনীয়াৰ ৰমেন চলিহাৰ ঘৰত। তেওঁ ইয়াৰ পৰা বদলি হৈ গুচি গ'ল।

ঃ তোমাক নিনিলে কিয়? ইয়াত তোমাৰ কোনো নাই? এতিয়া কলৈ যাবা?

ঃ আত্মহত্যা কৰিবলৈ।

ঃ আমাৰ ঘৰলৈ ব'লা। মই তোমাক গুৱাহাটীলৈ পঠাই দিম।

মই নাযাওঁ, মানুহজনে প্ৰায় জোৰ কৰি লৈ গ'ল। সেইদিনা তেখেতে মোৰ লগত একো কথা নাপাতিলে। ভাত-পানী খোৱাৰ পিছত বিচনাত বাগৰ দিলো যদিও টোপনি নাহিল। পিছদিনা তেখেত বাৰান্দাতে বহি আছিল। মোক মাতি আনি তেখেতৰ ওচৰতে বহিবলৈ দিলে। তাৰ পিছত

ক'লে - কোৱাচোন কালি তুমি কিয় আত্মহত্যা কৰিবলৈ ওলাইছিলা?

মই তেওঁক পুৰণি গাওঁ এৰাৰ পৰা আত্মহত্যা কৰিবলৈ যোৱালৈকে সকলো কথা ক'লো। তেখেতে মোক সান্ত্বনা দি কৈছিল যে পৰহিলৈ মই গুৱাহাটীলৈ যাম আৰু তাত মই তোমাৰ দেউতাৰ খবৰ কৰিম। বৰ্তমান তুমি ইয়াতে থাকা। তেখেত হ'ল ডিব্ৰুগড় মেডিকেল কলেজৰ অধ্যাপক ডাঃ সীমান্ত ফুকন। তেখেতৰ পৰিয়াল বুলিবলৈ পত্নী অলকা ফুকন, একমাত্ৰ কন্যা বৰ্ণালী আৰু একমাত্ৰ পুত্ৰ কংকণ। তেওঁলোকে মোক নিজৰ ছোৱালীৰ দৰেই মৰম-চেনেহ কৰিছিল। তিনিদিনৰ পিছত ডাঃ ফুকন দেৱে গুৱাহাটীৰ পৰা আহি মোক কৈছিলহি যে জ্যোতি তোমাৰ দেউতাক ৰমেন চলিহাৰ ঘৰত বিচাৰিছিলো। কিন্তু চাৰি মাহৰ আগতে দেউতাৰে তেওঁলোকৰ ঘৰৰ পৰা বিদায় ললে। সেইদিনা মই খুব কান্দিছিলো। কান্দি-কান্দি মোৰ অশান্ত মনটোক সান্ত্বনা দিছিলো। তেওঁলোকে মোক খুব বুজাইছিল। ডাঃ সীমান্ত ফুকন আৰু অলকা বাইদেৱে মোক নিজৰ ভনী আৰু ননদ বুলি গ্ৰহণ কৰিলে। তেতিয়া অলকা বৌৱে মোক কৈছিল আমি থাকোতে তুমি কিয় চিন্তা কৰিব লাগে জ্যোতি। আমি মৰা নাই নহয়। আমি জানো তোমাক খেদি দিম?

তেওঁৰ কথাত মই কান্দিবলৈ এৰি দিলো। বৰ্ণালী যদিও মোতকৈ বয়সত সৰু আছিল তথাপিও তাই মোৰ বান্ধৱীৰ দৰেই হৈ পৰিছিল আৰু কংকণৰ ৰং ধেমালিয়ে মোৰ অন্তৰত থকা দুখবোৰ পাহৰাই ৰাখিছিল। কেইদিন মানৰ পিছতে মই এটা মৃত সন্তান প্ৰসৱ কৰিলোঁ। ঘৰৰ সকলোৱে দুখ পাইছিল। কিন্তু মই হলে দুখ পোৱা নাছিলোঁ। কাৰণ সি আছিল ৰমেন চলিহাৰ সন্তান। ৰমেন চলিহাৰ সকলো চিন মোৰ গাৰ পৰা আঁতৰাই নিয়াৰ বাবে মই ভগৱানক ধন্যবাদ জনালো। তাৰ পিছৰ পৰা নবৌৱে মোক আগতকৈও বেছি মৰম কৰা হ'ল। লাহে-লাহে মই তেওঁলোকৰ ঘৰৰে এজনী হৈ পৰিলোঁ।

ডাঃ সীমান্ত ফুকনৰ যত্নতেই আপোনাৰ লগত মোৰ বিয়া হৈ গ'ল। আমাৰ বিয়া হোৱা আঠমাহ হৈছে।

এয়ে মোৰ জীৱন কাহিনী। ইমান খিনি জনাৰ পিছত আপুনি জানো মোক ক্ষমা কৰিব পাৰিব?

সেই বাবেই আজি মই আত্মহত্যা কৰিবলৈ ওলাইছো। অলপ সময়ৰ পিছত পাছফালৰ লেচু গছ জোপাত মোৰ মৃত দেহটো আপোনালোকে দেখা পাব। আজি মই অকলে আত্মহত্যা কৰিবলৈ ওলোৱা নাই। মই আত্মহত্যা কৰাৰ লগতে মোৰ অবাঞ্চিত অতীত অধ্যায়বো আত্মহত্যা ঘটিছে। মোক ক্ষমা কৰিব।

ইতি,

জ্যোতিস্মিতা

চিঠিখন পঢ়ি যাওঁতে শেষলৈ ৰাতুল হাজৰিকাই মূৰ আছুৱাই যোৱা হেন পালে। তেওঁ কাষৰ বিচনাত লাহেকৈ শুই পৰিল। বহুপৰ পিছত চেতনা ঘূৰাই পাই হাজৰিকাই ভাবিব ধৰিলে-জ্যোতিস্মিতাই আত্মহত্যা কৰি ইঞ্জিনিয়াৰ ৰমেন চলিহাৰ প্ৰতি প্ৰতিশোধ ল'লে নে ৰাতুলৰ প্ৰতি অবাঞ্চিত অবিচাৰ কৰিলে! তেওঁ চিন্তাৰ পাৰাপাৰ হেৰুৱাই পেলালে। ৰাতুল হাজৰিকা যেন দিক্‌ভ্ৰান্ত হৈ পৰিল ...।

# অকাল সূৰ্যাস্ত

মনালিছা শইকীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

আকাশত জোনটোৱে মেঘৰ লগত লুকা-ভাকু খেলিছে আৰু তৰাবোৰেও ইয়াৰ আনন্দ উপভোগ কৰি যেন মিচিকিয়াই হাঁহিছে। খিড়িকীৰে সোমাই অহা ৰিব্‌ৰিব্ মলয়া জাকে অৰ্ঘৰ দেহ-মন শাঁত পেলাই গ'ল।

অৰ্ঘই লাহেকৈ খিড়িকীৰে বাহিৰৰ ফট্‌ফটীয়া জোনাকৰ ফালে এবাৰ চাই পঠিয়ালে। অৰ্ঘৰ কাণত লাহেকৈ ভাঁহি উঠিল সেই যে তৃষাই কোৱা কথাষাৰ ঃ- "এন্ধাৰ ৰাতিবোৰ নোহোৱা হ'লে হয়তো জোনাকক মানুহে দুখৰ পিছত অহা সুখক আদৰি লোৱাৰ দৰে আদৰিব নোৱাৰিলেহেঁতেন আৰু জোনাকবোৰ মানুহৰ অতিকৈ প্ৰিয় নহ'লহেতেঁন। নহয়নে বাৰু অৰ্ঘ?"

'থক্' ! হঠাৎ বতাহজাকে খিড়িকীত কোবোৱা শব্দত অৰ্ঘ উচপ্ খাই উঠিল। লগে-লগে অৰ্ঘৰ চকুযুৰি সেমেকি উঠিল। অৰ্ঘৰ দুগালেৰে বৈ গ'ল দুধাৰি তপত চকুলো। অৰ্ঘই লাহেকৈ ফুটা-নুফুটাৰ মাজেৰে কৈ পেলালে...তৃষা...।

অৰ্ঘ, মানে অৰ্ঘদীপ বৰুৱা। দীপক বৰুৱা আৰু অপৰ্ণা বৰুৱাৰ একমাত্ৰ সন্তান। অৰ্ঘৰ পোন্ধৰ বছৰ মান বয়সতে এদিন এটা মটৰ দুৰ্ঘটনাত অৰ্ঘৰ মাক-দেউতাকৰ অকাল মৃত্যু ঘটিল। মাক-দেউতাকৰ মৃত্যুৰ পিছত অৰ্ঘ ককাক-আইতাকৰ লগত থাকিবলৈ ললে। কিন্তু ছয় বছৰ পিছত অৰ্ঘৰ ককাকৰ মৃত্যু হয় আৰু তাৰ তিনি বছৰ মানৰ পিছতে আইতাকবো মৃত্যু হয়! ক্ৰমে মাক-দেউতাক আৰু ককাক-আইতাকৰ মৃত্যুৱে অৰ্ঘৰ জীৱনত এক প্ৰবল ধুমুহাৰ সৃষ্টি কৰিলে। কিন্তু এই ধুমুহা জাকৰ মাজতো অৰ্ঘই নিজৰ স্থিতি নেহেৰুৱাই আগুৱাই যাবলৈ সমৰ্থ হয়।

তৃষাৰ লগত অৰ্ঘৰ প্ৰথম দেখা হৈছিল সেইদিনা - যিদিনা অৰ্ঘৰ বন্ধু ৰাজীৱৰ বিয়া আছিল। সেইদিনা বিয়া ঘৰৰ উদুলি-মুদুলিৰ মাজত হঠাৎ পিছ ফালৰ পৰা অৰ্ঘক কোনোবাই এটা প্ৰচণ্ড খুন্দা মাৰিলে। অৰ্ঘই ঘূৰি চাই দেখিলে এজনী বাইছ-তেইছ বছৰীয়া সুন্দৰী গাভৰু । তাই অৰ্ঘৰ ফালে এখোজ-দুখোজকৈ আগুৱাই আহি ক'লে - "ক্ষমা কৰিব, মই বৰ বেছি লৰালৰিকৈ আহিছিলো।"

অৰ্ঘ ঃ- "হ'ব একো নহয়।"

অৰ্ঘ ঃ- "মোৰ নাম অৰ্ঘদীপ বৰুৱা। পিছে আপোনাৰ!!"

ছোৱালীজনীয়ে ক'লে ঃ- মোৰ নাম তৃষা ..... তৃষা হাজৰিকা।

এইদৰে কথা বতৰাৰ মাজেৰে বহু সময় পাৰ হৈ গ'ল। তৃষাই অৰ্ঘৰ পিনে চাই মুখত এমোকোৰা হাঁহি লৈ তাৰ পৰা আঁতৰি গ'ল। তৃষাৰ এপলক চাৱনিয়ে যেন অৰ্ঘৰ সমগ্ৰ শৰীৰ কিবা এক মধুৰ আমেজেৰে জোকাৰি দি গ'ল।

সেইদিনা অৰ্ঘ ৰাজীৱহঁতৰ ঘৰলৈ গৈছিল। তাতে সি দুমাহৰ আগত বিয়াত লগ পোৱা তৃষাক লগ পালে। তেতিয়াৰে পৰা দুয়োৰে মাজত বন্ধুত্ব হ'ল। আৰু এই বন্ধুত্ব ক্ৰমে বাঢ়ি

আহিৰলৈ ধৰিলে। অৰ্ঘৰ মনত এই বন্ধুত্বই কেতিয়া এক নতুন ৰূপ ল'লে সি গমকে নাপালে। সি নিজেও নুবুজিলে যে, কিয় তৃষাক তাৰ ইমান ভাল লাগে, কিয় তৃষা তাৰ বাবে হৈ পৰিছে আন সকলোবোৰতকৈ বেলেগ। সি নিজেই নিজকে কলে, সি বাৰু প্ৰেমত পৰিছে নেকি? নে ই মাথো এক আকৰ্ষণ? নাই-নাই ই মাথো এক আকৰ্ষণ হ'ব নোৱাৰে, সি সঁচাকৈয়ে প্ৰেমত পৰিছে। এইদৰেই কিছু দিন বাগৰি গ'ল। লাহে - লাহে অৰ্ঘৰ হৃদয়ে অনুভৱ কৰিলে তৃষাৰ প্ৰয়োজন। হৃদয়ৰ তাগিদাতে এদিন সি তৃষাক কৈ পেলালে - "তৃষা মই নাজানো যে তুমি মোৰ বিষয়ে কি ভাবা। কিন্তু, এইটো সত্য যে, মই তোমাক ভাল পাওঁ। তৃষা মোৰ হিয়াখন আজি তোমাৰ হাতত বাকি দিলো, ইয়াক তুমি কি ভাৱে গ্ৰহণ কৰিব খোজা, এইটো সম্পূৰ্ণ তোমাৰ ওপৰত।"

তৃষাই মৌন হৈ থাকিয়েই অৰ্ঘৰ প্ৰস্তাৱৰ প্ৰতি সহাঁৰি জনালে।

লাহে - লাহে আঙুলিৰ মূৰেৰে পাৰ হৈ আহিল সময়বোৰ । হাঁহি - কান্দোন, কিছু খং আৰু অভিমান, কিছু আবেগ, কিছু অনুভূতিৰ মাজেৰে অৰ্ঘ আৰু তৃষাই পাৰ কৰিলে প্ৰেমৰ ছয়টা বছৰ। আৰু ইমানতে আহি পৰিল অৰ্ঘ আৰু তৃষাৰ প্ৰেমৰ মাজত এটা প্ৰচণ্ড বাধা। তৃষাৰ দেউতাকে অৰ্ঘক জোঁৱাই ৰূপে গ্ৰহণ কৰিবলৈ অমান্তি হ'ল। কিয়নো তৃষাৰ দেউতাক জয়ন্ত হাজৰিকা আছিল চহৰৰ এজন নামী ব্যক্তি আৰু তেওঁ একমাত্ৰ জীয়ৰী তৃষাৰ বাবে বিচাৰিছিল এজন চহকী ঘৰৰ ল'ৰা। কিন্তু অৰ্ঘ আৰু তৃষাৰ প্ৰেমে তেওঁক অনুভৱ কৰালে যে ধনেই সকলো নহয়। তেওঁ অৰ্ঘ আৰু তৃষাৰ প্ৰকৃত প্ৰেমৰ মাজৰ পৰা বাধাৰ ওখ প্ৰাচীৰখন আঁতৰাই দিবলৈ বাধ্য হ'ল। দুয়োকে বিবাহৰ পবিত্ৰ এনাজৰীৰে বন্ধাৰ সিদ্ধান্তৰে তেওঁ অৰ্ঘ আৰু তৃষাৰ বিয়া ঠিক কৰি পেলালে।

কিন্তু ..... কিয় বাৰু এনেকুৱা হয় যে ফুলিব খোজোতেই কলিটি মৰহি যায়। তৃষাইতো অৰ্ঘক আজীৱন লগত থকাৰ প্ৰতিশ্ৰুতি দিছিল। তেন্তে কিয় তাই অৰ্ঘক অকলশৰীয়া কৰি এৰি থৈ গ'ল মাথো এবুকু স্মৃতি, দুচকু ভৰা অশ্ৰু আৰু নিসংগতা ...।

সেইদিনা অৰ্ঘ আৰু তৃষা বিয়াৰ বজাৰ কৰিবলৈ, বজাৰলৈ গৈছিল। বিয়ালৈ মাত্ৰ এসপ্তাহ বাকী। তৃষাই দোকানত পাহৰি এৰি থৈ অহা কাপোৰৰ বেগটো আনিবলৈ বুলি ৰাস্তা পাৰ হওঁতেই সিফালৰ পৰা অহা এখন বাইকে তৃষাক খুন্দা মাৰি দিলে আৰু তৃষা গৈ কিছু আঁতৰত চিটিকি পৰিলগৈ। অৰ্ঘই তৃষা বুলি বলিয়াৰ দৰে চিঞৰি তৃষাৰ ফালে দৌৰি আহিল আৰু তৃষাক সাবটি ধৰি বহি পৰিল। কেই মুহূৰ্ত মান থাকি তৃষাই শেষ নিশ্বাস পেলালে। মৃত্যুৰ সময়ত তৃষাই অৰ্ঘৰ ফালে কৰুণ দৃষ্টিৰে চাই একো নকৈও যেন বহু কিবা-কিবি কৈ গল। সেইদিনাৰ পৰাই নিসংগতাই হৈ পৰিল অৰ্ঘৰ বাবে আপোন, অতিকৈ আপোন।

... অহা আৰু যোৱাৰ মাজত আমাৰ জীৱনটো কিছুপৰ থমকি ৰয় যদিও ই শেষ নহয়। সময়ৰ সোঁতত ই পুনৰ গতি সলায়। কিয়নো, পোৱা আৰু নোপোৱাৰ মাজতেইতো জীৱন আৰু প্ৰেম হ'ল আত্মাৰ প্ৰতিচ্ছবি। শৰীৰৰ মৃত্যু হ'লেও আত্মাৰ মৃত্যু কেতিয়াও নহয়। তেনেহলে প্ৰেমৰ জানো মৃত্যু হ'ব পাৰে। প্ৰেমৰ জানো মৃত্যু হয় ...? নিশ্চয় নহয় ...।

# এন্ধাৰে আৱৰা জোনাক

শ্ৰী ৰুমী বৰদলৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

ট্ৰেইনখনে এটা দীঘলীয়া উকি মাৰি ষ্টেচনত ৰ'ল। এজন-এজনকৈ যাত্ৰীবোৰ নামিবলৈ ধৰিলে। শেষত ট্ৰেইনখনে আকৌ এটা উকি মাৰি গন্তব্য স্থানলৈ গতি কৰিলে। সময় তেতিয়া ১১-৩০ বাজিছে। ষ্টেচনত বৰ বেছি মানুহ নাছিল। যিকেইজন আছিল তেওঁলোকে নিজ-নিজ ঠাই অভিমুখে যাত্ৰা কৰিলে। এই নিৰ্জন ৰাতি এখোজ-দুখোজ কৰি মই অকলে-অকলে আগবাঢ়িবলৈ ধৰিলো। ষ্টেচনৰ পৰাও আমাৰ গাঁৱলৈ অলপ দূৰ আছিল । অকলে যোৱাটো সম্ভৱ নহয়। কাৰণ বাটত এখন ডাঠ হাবি য'ত দিনতেই সূৰ্যৰ পোহৰেয়ো ঢুকি পোৱা নাছিল। তাৰপৰা আমাৰ গাঁৱলৈ বৈ যোৱা এখন নৈ আৰু পথাৰ খন । তাৰ পিছতহে আমাৰ গাঁও আঁহতগুৰি। ষ্টেচন পাৰহে হাবিখনো পাৰ হ'লো । হঠাতে মোৰ কাণত নুপূৰৰ শব্দ পৰাত ঘূৰি চাই দেখো মোৰ বাল্যকালৰ বান্ধৱী পৰীস্মিতা । মই মৰমতে পৰী বুলি মাতো। লগে-লগে মই চিঞঁৰি উঠিলো। অ' পৰী। তাইয়ো মোক দেখি চিঞঁৰিলে সমীৰ। আচলতে মোৰ নাম সমীৰণ জ্যোতি শইকীয়া। তাই মোক সমীৰ বুলিয়েই মাতিছিল। তাইৰ লগতে কথাপাতি আহোতে কেতিয়া গাঁও পালোহি গমেই নাপালো। কিন্তু এটা কথা ভাবি মই আচৰিত হৈছো। তাই ইমান ৰাতি ক'লৈ গৈছিল আৰু বাটত কথাপাতি আহোতে তাই মোৰ পৰা প্ৰায় তিনি-চাৰি হাত আঁতৰে-আঁতৰে আছিল। সেইদিনা পূৰ্ণিমা আছিল যদিও তাইৰ মুখখন স্পষ্টকৈ দেখা পোৱা নাছিলো চুলিবোৰো আউল-বাউল লাগি আছিল। পিন্ধনতো এখন বগা শাড়ী। তাৰ উপৰিও তাই আঁহত জুপিৰ তলতে ৰ'ল আৰু মোক ক'লে তই গৈ থাক মই গৈ আছো আৰু একেলগে আহিব কোৱাত অমান্তি হ'ল। কথাবোৰ যেন খেলি-মেলি। ঘৰৰ পদূলি মুখতে অলপ ৰ'লো; কাৰণ পৰী হঁতৰ ঘৰ আমাৰ ঘৰ পাৰ হৈহে পায়। কিন্তু ক'তো একো উৱাদিহ নাপাই ঘৰলৈকে গ'লো। তেতিয়া ঘৰত দেউতাৰ বাহিৰে সকলো কালঘুমটিত মাত্ৰ মাইহে মোৰ মাত শুনি সাৰ পাই উঠি আহিল। তাৰ পিছত গা-ধুবলৈ দি খোৱা-বোৱাৰ দিহা কৰিলে। তেতিয়া প্ৰায় তিনিটা বাজো-বাজো, সেইকাৰণে কাকো একো নকৈ বিছনাত বাগৰ দিলো। কিন্তু বহু সময়লৈকে টোপনি অহা নাছিল। বাৰে বাৰে পৰীৰ কথাই আমনি কৰিলে- ক'ত গ'ল তাই, কিয় মোৰ লগত নাহিল? যিজনীয়ে মই নহ'লে নহয় তাই ইমান সলনি হৈ গ'ল নে? তথাপিও দিনৰ পৰিশ্ৰমে কেতিয়া চকুলৈ টোপনি আনিলে কবই নোৱাৰিলো। মাথো চকু মেলি দেখা পালো বেলি বহু ওপৰত মই উঠা গম পাই মাই চাহ জলপান খাবলৈ দিলে। ভাইটি-ভণ্টীহঁতক নেদেখি সিহঁতৰ কথা মাক সুধিলো। তোক জগাই-জগাই বলে নোৱাৰি

স্কুললৈ গ'লগৈ। তেন্তে আজি তাইৰ মুখ খন পাচিটোৰ দৰে হৈ আহিব। দৰকাৰ হ'লে মোক নামাতিবই। যিহে আকৰী আৰু অভিমানী। গতিকে স্কুলৰ পৰা অহাৰ আগতেই পৰীহঁতৰ ঘৰ ওলালোগৈ তাই ভাল পোৱা গোলপীয়া ৰঙৰ শাড়ীখন লৈ। ভিতৰত গৈ দেখো সন্মুখৰ টিভিটোৰ ওপৰত পৰীৰ ফটোখন আগতে মই দিয়া চুইদাৰ পিচ্‌টো পিন্ধি উঠা। সঁচাকৈ তাইক গোলপীয়া ৰং টোৰে সৈতে বেছ ভাল লাগে। আনফালে আমি দুয়োটাই উঠা ফটোখন। কিন্তু এয়া কি পৰীৰ ফটোখনত মালা। খুড়ীয়ে কোন সময়ত চাহ দিলেহি গমেই নাপালো। খুড়ীৰ দ্বিতীয়টো মাততহে চকখাই উঠিলো। মই চাহ খোৱাত লাগিলো আৰু খুড়ীয়ে তেওঁলোকৰ ঘৰৰ বিষয়ে ক'বলৈ ধৰিলে। শেষত পৰীৰ কথা শুনি মোৰ মূৰত আকাশ খন খহিপৰা যেন লাগিল। মই আৰু স্থিৰেৰে থাকিব নোৱাৰিলো ঘৰত আহি বিছনাতে শুই কান্দিবলৈ ধৰিলো। মা-দেউতাহঁতে মোক বহুপৰ বুজাবলৈ চেষ্টা কৰিলে। কিন্তু কাৰো কথা মোৰ কাণত নুসুমালে । মাত্ৰ এটা সময়ত গম পালো ভণ্টিয়েও মোৰ ওচৰত বহি কান্দি আছে। মই ঘৰলৈ আহিলে সিহঁত দুটাই স্কুলৰ পৰা সোনকালে আহে আৰু পৰীৰ সৈতে চাৰিটাই টাউনলৈ গৈ বজাৰ কৰি আনো। কিন্তু পৰী এতিয়া আৰু নাই।

সন্ধিয়া হৈছে ঘৰত থাকি আমনি লগাত গাঁৱতে অলপ ফুৰিবলৈ ওলাই গ'লো। ঘূৰি আহোতে, প্ৰায় আন্ধাৰ হৈছিল। হয়তো দুই-এঘৰে খাই-বৈ শুইছেও। মই আহি আহত জোপাৰ ওচৰ পাইছোহে তেনেতে মোক মাত দিয়া শুনিলো। ঘূৰি চাই দেখি মোৰ গাৰ নোম সিঁয়ৰি উঠিল। দৌবিব ধৰোতেই শিল গুটিত উজুটি খাই পৰিলো। তেতিয়া শুনিবলৈ পালো উচুপি উঠা কান্দোনৰ শব্দ আৰু ক'লে সমীৰ তয়ো মোক ভয় কৰ ! তই মোক নোসোধ কিয়-কিয় মোৰ এই অৱস্থা। যা-যাগৈ মোক কোনোৱেই সুধিব নালাগে, কোনোৱেই বুজিব নালাগে সুধি বা বুজি কি লাভ হ'ব মই আত্মাহে। মোৰ কথা বুজিলে জানো মই আগৰ অৱস্থা ঘূৰাই পাম? নাপাওঁ। তথাপিও তোক কম বুলিয়েই ভাবি আছিলো। কাৰণ তই মোৰ বাল্য বন্ধু। কিন্তু তইয়ো ............. আজি। তেতিয়া মোৰ মনলৈ বহু সাহস ক'ৰপৰা আহিল নাজানো। তাইক সুধিলো তাইৰ দুখৰ কথা। অলপ সময় তাই উচুপিয়েই থাকিল। লাহে -লাহে তাই ক'বলৈ ধৰিলে ঘটি যোৱা জীৱনৰ কাহিনী ...। বিয়াৰ দুমাহৰ পিছৰ পৰা মোৰ সুখৰ জীৱনত দুখৰ ছাঁ পৰিবলৈ ধৰিলে। এদিন, দুদিনেই মোৰ কাৰণে বহু যুগ যেন লাগিল। বিয়াৰ ডেৰমাহৰ পিছতেই দীপক চাকৰিলৈ যাবলৈ ওলোৱাত তেওঁক আগবঢ়াবলৈ মই আৰু ভণ্টি গৈছিলো। ঘূৰি আহোতে বাটত ব্ৰেক ফেল হৈ এজোপা গছত খুন্দা মাৰিলে। ভণ্টি আৰু ড্ৰাইভাৰৰ ঠাইতে মৃত্যু হয়। ময়ো অলপ আঘাত পাইছিলো। কিন্তু ................কিন্তু মোৰ আঘাতে শৰীৰতকৈ মনতহে বেছি আঘাত দিলে। যিহেতু মই কেতিয়াও মাক হ'ব নোৱাৰিম। খবৰ পাই দীপক আহিল আৰু তেওঁক দ্বিতীয় বিবাহ কৰিবলৈ জোৰ কৰিলো। কিন্তু তেওঁ কোনো পধ্যে মান্তি নহয়। কিছুদিনৰ পিছত তেওঁ আকৌ গ'লগৈ। তাৰ পিছৰ প্ৰতিটো মুহূৰ্ত মোৰ বাবে বিষলৈ পৰিৱৰ্তন হ'বলৈ ধৰিলে। মোক মোৰ ঘৰলৈ খেদি দিয়াৰ উপক্ৰম কৰিলে আৰু মা-দেউতাৰ পৰা টকা দাবী কৰিবলৈ ধৰিলে। কিন্তু টকা

দিয়াটো দেউতা হঁতৰ পক্ষে সম্ভৱ নাছিল। মই ঘৰলৈ ঘূৰি আহিৰলৈ অমান্তি হোৱাত তেওঁলোকৰ বাবে মই বোজা স্বৰূপ হৈ পৰিলো। দিনে-দিনে পকা মুচা, কাপোৰ ধোৱা, বাচন ধোৱা তাৰ বিনিময়ত ভাতৰ সলনি কিল-ভুকু, লাথি-গোৰ আদি। এদিন ভয়ংকৰ দৃশ্য এটাই মোৰ আগত দেখা দিলে। মোক যিখিনি ভাত খাবলৈ দিছিল সেইখিনি ভাত আমাৰ ঘৰৰ কুকুৰটোৱে খাই মৰি আছে। সেইদিনা মোৰ ভাত খাবলৈ আহৰি নথকাৰ কাৰণে কুকুৰটোকে খাবলৈ দিছিলো। কিন্তু দৃশ্যটোৱে মোৰ বুকু কঁপাই তুলিলে। পিছদিনা পুৱাই মোক পুনৰ আচৰিত কৰি দিলে। শাহু-শহুৰৰ যি মৰম, মই ভাবিছিলো মই আকৌ আগৰ দিনবোৰ ঘূৰাই পাইছো। কিন্তু মই ভবাটো একেবাৰে ভুল আছিল। কাৰণ ৰাতিহে সেই মৰমৰ ফল ফলিয়ালে। হয়তো এই আঁহত জোপা আৰু শাহু-শহুৰে অপেক্ষা কৰি আছিল মোৰ মৃত্যুৰ বাবে। সিহঁতে হয়তো জানিছিল মই জীয়াই থকা অৱস্থাত দীপকে কেতিয়াও বিয়া নকৰে। গতিকে মোৰ মৃত্যুকেই শ্ৰেষ্ঠ বুলি ভাবিছিল আৰু বিয়ালৈ বুলি মোকো লগত লৈ আহিল। বিয়া ঘৰৰ পৰা ঘূৰি আহোতেই ঘটনা ঘটিল। গাড়ী বাটত ৰখাই মাই মোক আঁতৰলৈ মাতি লৈ গ'ল তাৰ পিছতেই পাছফালৰ পৰা কোনোবাই মোৰ মুখত সোপা দি ধৰিলে আৰু তাৰ পিছত অজ্ঞান হৈ পৰিলো। মাত্ৰ ওলমি ৰ'ল মোৰ এই অক্ষয় দেহটো। কিন্তু তোক সিহঁতে মৰাৰ উদ্দেশ্য কি? ক'লোয়েই দেখোন মই জীয়াই থকা অৱস্থাত দীপকে কেতিয়াও বিয়া নকৰে আৰু বোলে শহুৰৰ বন্ধু এজনৰ বিধৱা ছোৱালী এজনী আছে। তাইক দীপকলৈ বিয়া কৰি আনিলে বহুত ধন-সম্পত্তি দিব। ধন-সম্পত্তিৰ কথা শুনি তেওঁলোকৰ চকুত টোপনি নহা হ'ল। কিন্তু তেওঁলোকৰ এই লোভ-মোহৰ আশা পূৰণ হ'বলৈ নিদিম। তেওঁলোকক মই প্ৰতিশোধ ল'ম। নহ'লে মোৰ আত্মাই কেতিয়াও শান্তি নাপাব। মোৰ গাত লগোৱা জুইৰে তেওঁলোককো পুৰি ছাৰ-খাৰ কৰিম। ঠিক যেনেকৈ ৰাৱণে হনুমানক মাৰো বুলি হনুমানৰ নেজত জুই লগাইছিল আৰু সেই জুইয়েই লংকা ধ্বংস কৰি ৰাৱণকো নাশ কৰিছিল ঠিক তেনেকৈ। মাথো তই অহালৈ বাট চাই আছিলো। সকলোৱে জানে মই আত্মহত্যা কৰিছো বুলি। কিন্তু ময়ো ক'ব বিচাৰো মোৰ ওচৰত চলোৱা অত্যাচাৰৰ কথা। সকলোৱে দেখোন মোক দেখিলে ভয়েই কৰে, কওঁ কাৰ আগত। আজি তয়োতো ভয়েই খাইছিলি। নহয় অ'........ পৰী বুলি মই কান্দিবলৈ ধৰিলো। মই বিচাৰি নাপালো, কি বুলি তাইক ক'ম। তথাপিও কিবা এটা কম বুলি মূৰ দাঙোতেই তাই অদৃশ্য হৈ গ'ল-ক'ত নাজানো। মাত্ৰ সৰ্বশক্তি প্ৰয়োগ কৰি চিঞৰিলো পৰী......পৰী.....বুলি। কিন্তু সঁহাৰি জনাবলৈ পৰী আৰু নাহিল। তাই গ'লগৈ তাইৰ অত্যাচাৰৰ প্ৰতিশোধ ল'বলৈ। ময়ো গাঁৱৰ পৰা গ'লোগৈ। পিছৰ বাৰ গাঁৱলৈ আহি মই আচৰিত হ'লো। সঁচাকৈ দীপকৰ বাহিৰে ঘৰৰ সকলোবোৰেই যেন পুৰি ছাঁই হৈ গ'ল। কিন্তু দীপক এতিয়া সুখী, বহুত সুখী। কিজানি পৰীয়ে তাকেই বিচাৰিছিল...........।

# তোমাক ভাল পাঁও বাবেই

মানৱ জ্যোতি মহন্ত
উচ্চতৰ মাধ্যামিক দ্বিতীয় বৰ্ষ (কলা)

জুলাই মাহৰ প্ৰখৰ ৰ'দত যেতিয়া মই এ ডি পি কলেজৰ বাৰাণ্ডাত মোৰ লগৰ বন্ধু দেব, যতিন, জিতেন, পল আৰু ৰাজীৱ এই কেইজনৰ সৈতে আড্ডাত মচগুল হৈ আছিলো, ঠিক সেই মুহূৰ্তত কলা বৰণৰ ছাতি, কেৱল কলা বৰণৰ নহয়, কলা বৰণৰ ছাতিত কিছু বগা বৰণৰ ফুল থকা ছাতি আছিল তোমাৰ হাতত। তোমাৰ মুখখন মই দেখিছিলো আৰু দেখিছিলো তোমাৰ সেই ধুনীয়া চকু যুৰি । তোমাৰ চকু যুৰিত যেন মই কিবা আকৰ্ষণ অনুভৱ কৰিছিলো। সেয়াই আছিল মই তোমাক ভালপোৱা প্ৰথম দৃশ্য।

এনেদৰে প্ৰতিদিন তুমি আমাৰ আড্ডাৰ কাষেদি পাৰ হৈ যোৱা আৰু মই দুই নয়ন ভৰি প্ৰতিদিনেই তোমাক চাই থাকো। এদিন বন্ধুবোৰে গম পালে মোৰ হৃদয়ত বাজি থকা শব্দবোৰ। এনেদৰে চাই থকাৰ কাৰণে তুমিও গম পাইছিলা মোৰ হৃদয়ৰ ভাষা। কিন্তু মই কোনোদিনে তোমাক কোৱা নাছিলো মোৰ ভালপোৱা কথাবোৰ। কাৰণ মোৰ বহু ভয় হৈছিল আৰু মোৰ হৃদয়ত ভালপোৱা বিষয়ে এটাই ধাৰণা হৈছিল যে ....... ভালপোৱা শব্দবোৰ বহু কঠিন, ইয়াক নিজেই বুজিব পাৰি, আনক বুজাব নোৱাৰি। ইয়াৰ জুইত নিজেই পুৰি ছাঁই হ'ব পাৰি, আনক ছাঁই হ'ব দিব নোৱাৰি। মই ভাগ্যক বিশ্বাস নকৰো; কিন্তু সময়ক কৰো। সময়ে কেতিয়া কাক কেনেকৈ ক'লৈ লৈ যায় কোনেও ক'ব নোৱাৰে। সময়ক বিশ্বাস কৰা কাৰণেই এদিন তোমাক লগ কৰাৰ সুবিধা কণ দিছিল মোক সময়ে।

কিন্তু তোমাক লগ ধৰাৰ সেই মুহূৰ্তটো মোৰ বাবে হ'ল মোৰ জীৱনৰ আটাইতকৈ দুখ লগা সময়। শংকৰদেৱৰ তিথিৰ দিনা তোমাক মোৰ লগৰ বন্ধুবোৰে নিমন্ত্ৰণ কৰাৰ বাবে তুমি যি ব্যৱহাৰ কৰিছিলা সেয়া আছিল অভাৱনীয়। শংকৰ দেৱৰ তিথি, সেই দিনটো এটা পবিত্ৰ দিন। নিমন্ত্ৰণ কৰিছিল বুলি তুমি যে আহিব লাগিব তেনে কোনো কথা নাছিল। কিন্তু তাৰ পৰিৱৰ্তে তুমি মোৰ বন্ধুসকলক বেয়াকৈ ব্যৱহাৰ কৰিব নালাগিছিল। মইহে তোমাক ভালপাঁও । কিন্তু মোৰ লগৰ সকলোৱে তোমাকতো ভাল নাপায়। যাৰ বাবে কলেজৰ দহ নম্বৰ কক্ষত মাতি আনি ক'ব লগা হ'ল যে - তোমাৰ দেহত ক'তো লিখা নাই যে তোমাৰ নাম তৃষ্ণা;

তোমাক কোনেও ভাল পাব নোৱাৰিব নাইবা কোনো দিন বাতৰি কাকত বা ৰেডিঅ'ত প্ৰচাৰ কৰা নাই যে - তোমাক যি জন লৰাই ভাল পাব তাক তুমি ঘৃণা কৰা বা বেয়া পোৱা। হয়তো এনেকৈ মই তোমাক বহু কিবা-কিবি কৈছিলো। তুমি কেৱল তলমূৰকৈ লাহেকৈ ছ'ৰি বুলি কৈছিলা। কথাৰ মাজতে হঠাৎ ওপৰ মূৰকৈ তুমি মোৰ ফালে চাওঁ ...নাচাওঁ কৈ এবাৰ চাইছিলা আৰু তোমাৰ সেই চকুযুৰি দেখি মই কিছু সময়ৰ বাবে বাক্‌ৰুদ্ধ হৈ পৰিছিলো। মোৰ খং নাইকিয়া হৈ পৰিছিল আৰু মই তোমাক একো ক'ব পৰা নাছিলো । বিদায় মুহূৰ্ত্ত কেৱল তুমি এবাৰ মোলৈ চাই ধুনীয়াকৈ হাঁহি দিছিলা। আৰু হয়তো সেয়াই আছিল মোৰ শেষ হাঁহি যি তোমালৈ চাই মই মাৰিছিলো।

আমি সকলোৱে নিউটনৰ তৃতীয় সূত্ৰটো জানো, যিটো আছিল -প্ৰতিটো ক্ৰিয়াৰে সমান আৰু বিপৰীত মুখী প্ৰতিক্ৰিয়া থাকে। সেয়ে মই ভাবো মোৰ প্ৰতি তোমাৰ যি বেয়া ভাব আছে ঠিক সিমানখিনি ভালপোৱাও আছে । যদি নিউটনৰ তৃতীয় সূত্ৰটো সঁচা তেন্তে তুমি মোক ভালপোৱা।

তোমাক বহু ভাল পাঁও বাবেই আঁতৰি আহিছো, তোমাৰ কাষৰ পৰা নিজৰ জীৱনটোক গঢ় দিবলৈ। তোমাক বহু ভাল পোৱা বাবেই নিজৰ জীৱনটোক সাফল্যময় আৰু সুন্দৰ কৰিবলৈ চেষ্টা কৰিছো মাত্ৰ তোমাক ভালপোৱাৰ কাৰণেই। মই এতিয়া বহু দূৰ অতিক্ৰম কৰিছো তৃষ্ণা।

মই জানো তুমি এতিয়াও মোৰ কাৰণে অপেক্ষা কৰি আছা । কিন্তু মই যে বহু দূৰৈত তোমাৰ পৰা, য'ৰ পৰা আৰু উভতি অহাৰ কোনো বাট নাই। তোমাক বহু ভাল পোৱাৰ কাৰণেই মই বুজিব পাৰিছো যে পৃথিৱীৰ সকলো মানুহেই দূৰন্ত প্ৰেমিক। কিন্তু বুজিব পৰা নাই - "প্ৰেমৰ বাবে আমাৰ জন্ম, নে আমাৰ বাবে প্ৰেমৰ জন্ম"। তোমাক মই সদায় মনত ৰাখিম। কাৰণ প্ৰেম অমৰ, হয়তো সেইবাবেই । তুমি সুখী হোৱা। তাৰ কাৰণে মই ভগৱানক প্ৰাৰ্থনা জনাম সদায় ...।

যৌৱনৰ বা লাগি উজ্বলি উঠা দিনবোৰৰ মধুৰ স্মৃতিৰে ভৰা সময়বোৰ , নিৰ্জনতাৰ প্ৰতীক হোৱা কথাবোৰ জীৱনৰ ডায়েৰীৰ এখিলা পাত হৈ নীৰবে উচুপি ৰ'ল ।।

# প্ৰিয়তমালৈ বুলি ...........

**ইমদাদুল ইছলাম**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

প্ৰিয়তমা,

হৃদয়ৰ নিভাঁজ মৰমবোৰ ল'বা। মোৰ বুকু জোনাকহীন কৰি তুমি গুচি যোৱা বহুদিনেই হ'ল। তথাপি তুমি মোৰ অনুভৱৰ নিজৰাত ওলমি আছা। তুমি হয়তো নাজানা তোমাক হেৰুৱাই মই কি কি নেহেৰুৱালোঁ! স্বপ্নৰ দুৱাৰ দলিত কিদৰে উচুপি ৰলোঁ! ব্যৰ্থতাত মুখ গুজি দিলো। চকুলো টুকিও শেষ নোহোৱা হ'ল দুখবোৰ। শেষ নোহোৱা হ'ল বিষাদ ...।

মই জানো তোমাৰ ভোগবাদী মনটোত মোৰ ছন্দহীন জীৱনটোৰ বাবে কোনো সহানুভূতি নাজাগে, যদিও এই ব্যৰ্থতাৰ কাৰণ তুমিয়েই। মই এইটোও জানো, মোৰ জীৱন হেৰুৱা উৎসৱত তুমি হাঁহিমুখেই চামিল হ'ব পাৰিবা। কাৰণ তুমি হৃদয়কো গলাই শেষ কৰি দিব পাৰা, প্ৰণয়কো জ্বলাই ছাঁই কৰি দিব পাৰা। মই জানো, বুজোঁ তোমাক। তথাপিও বুজিও অবুজ শিশু তোমাৰ বাবে। কি কৰিবা দুৰ্বল হৃদয়! তুমি যিদিনা তোমাৰ পৰা মোক বিচ্ছিন্ন কৰিলা, সেইদিনাৰ পৰাই তোমাক পোৱাৰ বাসনা আৰু তীব্ৰতৰ হ'ল। মিলনৰ অযুত হেঁপাহত ব্যাকুল হ'লো।

নিষ্ঠুৰ বাস্তৱৰ মতে মুখা-মুখি হ'বলৈ ময়ো জানো। মোৰো বিবেক আছে। কিন্তু কি কৰিবা? হৃদয় নিৰুপায়! মনে নুবুজে একো ... বিচাৰে মাথোঁ তোমাকে । অশ্ৰুসিক্ত দুনয়নে তোমালৈ অপেক্ষা কৰে ....। আন্ধাৰে ভৰা মোৰ জীৱনত তুমি জোন হোৱা, সিঁচি দিয়া জোনাক। .... অন্ততঃ অৰ্থহীন ভাৱে মই এতিয়াও এনেকুৱাই ভাৱো ...।

মই
হাতৰ মুঠি খুলি দিলো ঃ
একো অনা নাই তোমাৰ পৰা।
নগন্য এটি অশ্ৰুমুদ্ৰাৰ প্ৰচ্ছায়া
হাতৰ তলুৱাত ঃ
মোৰ সকলো দুখ ; একেটি স্বপ্ন।
একো অনা নাই তোমাৰ পৰা
মোৰ দুহাত শূন্য ।

(হীৰেন ভট্টাচাৰ্য্য)

জীৱনত শেষবাৰলৈ আমনি দিয়াৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে আৰু তোমাৰ সুখৰ কামনাৰে ।

তোমাৰ এদিনৰ
'প্ৰিয়তম'

# কবিতা কানন

# কালজয়ী

**জিতেন্দ্ৰ কুমাৰ হীৰা**
উচ্চতৰ মাধ্যামিক দ্বিতীয় বৰ্ষ (কলা)

তুমি যদি দুখৰ দিনতো
গাব পাৰা আনন্দৰ গান
তুমি যদি আনন্দৰে সহিব পাৰা
বেদনাৰ অসহনীয় বোজা
তুমি যদি প্ৰাণ দিব পাৰা
ৰ'দ, তাপত মৰহি যোৱা ফুলবোৰক
তুমি যদি হাঁহিব পাৰা
পৰাজয়ৰ গ্লানিয়ে আৱৰি থাকিলেও
তুমি যদি হ'ব পাৰা উদাসীন
দুৰ্যোগ আৰু দুৰ্দশাৰ প্ৰতি
তুমি যদি নিৰ্ভীক হৈ আগবাঢ়িব পাৰা
সকলো সুখ-শান্তি হেৰুৱাই
তুমি যদি নামি ল'ব পাৰা সংগীত মূৰ্চ্ছনাৰে
সৰ্বস্বান্ত হৃদয়ৰ জখমবোৰ
তুমি যদি দিব পাৰা মুকুতাৰ দৰে এটোপাল সাহ
কান্দি-কান্দি ধুৰলি-কুঁৰলি দেখা দুচকুক
তুমি যদি ৰাখিব পাৰা ফুলৰ পাপৰি বুলি
বেথাহত হৃদয়ৰ কথাবোৰ
তুমি যদি আৱিস্কাৰ কৰিব পাৰা প্ৰেম
তোমাৰ তপত হুমুনিয়াহৰ উষ্ণ আলিংগণত
তুমি যদি দিব পাৰা নতুন জীৱন
মুহূৰ্ত্তে - মুহূৰ্তে মৃত্যু হোৱা জনক
তেন্তে এই জীৱন নিশ্চয় হ'ব
তোমাৰ বাবে "কালজয়ী"।

# আছে জানো এখন হৃদয়

**বৰ্ণা বৰা**
স্নাতক দ্বিতীয় বৰ্ষ

ব্যাকুল হৈ বৈ থাকো
এন্ধাৰ নিশা,
জানোচা আলোকৰ স'তে আহে
কোনোবা আপোনজন
অথবা,
নীলিম আকাশখনে দিয়ে
এখন হৃদয়ৰ ঠিকনা
শিলৰ পুখুৰীতে তেজৰ ৰঙা ৰং
নিশা হৈ পৰে ক'লা,
শ্মশানত চাণ্ডালৰ হৃদয়।
মই বৈ থাকো
প্ৰিয় এন্ধাৰ নিশাত
ক্ৰমাৎ অনুভূতিহীন হ'বলৈ ধৰা মোৰ মন,
ক্ষত - বিক্ষত হৃদয়
চোৱা, কিমান অসহায় আজি মই।
মই বৈ থাকো
প্ৰিয় এন্ধাৰ নিশাত
প্ৰতিটো কোমল ৰাতিপুৱাৰ
আগমণৰ পূৰ্বে
সমাধান বিচাৰো
এটি জটিল প্ৰশ্নৰ
আছে জানো এখন হৃদয়
থ'বলে মোৰ অনুভূতি, সকলো সপোন
মাতাল নিশাবোৰৰ সেউজ বৰণ
(আৰু) দুখৰ নিশাৰ সমস্ত অকথিত
কবিতা .............
ফেঁচাৰ কুৰুলি, বাইকৰ শব্দ
ক'লা ধোঁৱা .......
হঠাৎ মই হেৰাই যাওঁ
নিলাজৰ দৰে নিজৰ পৰা,
মাথোঁ উদাস হৈ বৈ থাকে
এটি আশা।

# হেৰুৱা দিনৰ সুবাস

**হবিবুৰ ৰহমান**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

তোমাৰ দেহৰ
সপোনক মাতাল কৰা
নিয়ৰ সেমেকা এটি
কোমল ঘ্ৰাণ
তাৰ পৰাই আৰম্ভ
মোৰ হেৰুৱা দিনৰ
সুবাসৰ সন্ধান
সন্ধানী দৃষ্টি মোৰ
আৱদ্ধ
দেহৰ চাৰি সীমাত তোমাৰ
অথচ হেৰুৱা সুবাসৰ
সম্ভাব্য সন্ধান
মহা শূন্যৰ ব্যাসাৰ্দ্ধত।

# এতিয়া যে সেইবোৰ স্মৃতি হ'ল

**বিকাশ জ্যোতি হাজৰিকা**
স্নাতক দ্বিতীয় বৰ্ষ

ইতিহাসে ঢুকি নোপোৱা সেই কথাবোৰ
তুমি শুনিবানে
ঘণ্টাৰ পাছত ঘণ্টা ধৰি ক'লো,
ঘূৰি চালো। তুমি নাই।
মিছামাছৰ দৰে ভাঁজলোৱা কেঁকুৰিটোৰ ফালে
তুমি অগ্ৰসৰ
তুমি নুশুনা মোৰ কথা।
এতিয়া যিবোৰ স্মৃতি হ'ল।
তোমাক ক'বলৈ লওঁতে কথাবোৰ
আৰু ডাঙৰ হ'ল। আগৰ খিনিৰ লগত
সংযুক্ত হ'ল -
তুমি যেতিয়া মোৰ ওচৰৰ পৰা
কেঁকুৰিটোৰ ফালে এখোজ - এখোজকৈ
আঁতৰি গৈছিলা,
মই ভাবিছিলো তুমি মোক কিবা দি গৈছা।
ভাবিছো -
তুমি মোৰ কাহিনী শুনিছা,
মই সুখী।
গোটেই বিশ্বৰ সুখ মোৰ হৃদয়ত
উথলি উঠি তৰংগৰ সৃষ্টি কৰিছে।
তোমাক লৈ একো অভিযোগ নাই।
তুমি মোৰ মন বুজা
- সেয়ে বহুত।
হঠাৎ ঘূৰি চাই দেখো ..........
কবিৰ নিয়ৰৰ কল্পনাক
অচিনাকি বতাহ জাকে সৰাই পেলোৱাৰ দৰে
হাতৰ মুঠি খুলি দেখো
বিৰাট শূন্য।
অলপ পাছত যে
এইবোৰো স্মৃতি হৈ যাব।

## উদিত সূৰুয

**ভৈৰৱী দাস**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ৰিব - ৰিব বতাহজাকে
হঠাৎ দি গ'ল এটি
মিঠা কোমল সুবাস,
মন গ'ল
জোনাক নিশা নীল আকাশৰ তলত
আইতাৰ কোলাত মূৰ থৈ
বুৰঞ্জীৰ প্ৰতিটো ঘটনা আৰু
প্ৰতিখিলা পাতৰ সৈতে
মুখা - মুখি হ'বলৈ।
হেৰাই যোৱা সপোনবোৰ
পুনৰ এবাৰ চাবলৈ
মন যায় মোৰ উদিত সূৰুযটো
দুহাতেৰে এবাৰ স্পৰ্শ কৰিবলৈ
মন যায় মকমৰ বকুল জোপাৰ
তলত বহি অতীতক
হাতেৰে চুই চাবলৈ।
নীল আকাশৰ উদিত সূৰুযটো
চাবলৈ মোৰ মন যায়।

## তোমাক ভালপাঁও বাবেই

**মিতুল ডেকা**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

তোমাক ভালপাওঁ বাবেই
তোমাৰ ওচৰত অভিমান কৰো,
আব্দাৰ কৰো
এবাৰি মিঠা মাতৰ বাবে।
তোমাক ভালপাওঁ বাবেই
বৰষুণত তিতি ভালপাওঁ
ভাল লাগে
ৰামধেনুৰ সাতোটা ৰং।
তোমাক ভালপাওঁ বাবেই
ৰঙা গোলাপ আজি মোৰ প্ৰিয়,
ভাল লাগে
ভোমোৰাৰ গুণগুণনি।
তোমাক ভালপাওঁ বাবেই
মোৰ কলিজাৰ বাগিচাত
ফুলি আছে
সোণাৰু, নাহৰ, কৃষ্ণচূড়া ...।
তোমাক ভালপাওঁ বাবেই
মই আজি সাহসী হৈ উঠিছো,
দুখৰ সমদলে আজি মোক
কৰিব নোৱাৰে ভাবাক্ৰান্ত।

# মোৰ অতীত-ভৱিষ্যত

**অঞ্জন কুমাৰ শৰ্মা কৌশিক**
**স্নাতক তৃতীয় বৰ্ষ (কলা)**

সাগৰৰ দৰে তোমাৰ নীলিম চকু, সূৰ্যৰ দৰে উজ্জ্বল তোমাৰ স্মৃতি,
পৃথিৱীৰ দৰে বিশাল তোমাৰ হৃদয়।
মইঁ ৰৈ থাকিম তোমাৰ বাবে, এক সীমাহীন অপেক্ষাত।
কিমান দিনলৈ তুমি মানি ল'ব পাৰিবা মোৰ যাযাবৰী জীৱন।
নালাগে দিয়া প্ৰেয়সী, থাওক দিয়া মোৰ বুকুৰ মাজতে মোৰ অতীত ভৱিষ্যত।
তুমি ঘূৰি ফুৰা তোমাৰ সেই কল্পনাৰ সোণোৱালী ৰাজ্যখনত,
আৰু মইঁ পৰি ৰ'ম দিয়া তোমাৰ সেই চহৰ খনৰ ডাষ্টবিনৰ কোনোবা এটা কোণত।
সকলো মানুহৰ হৃদয় নাথাকে, যি সকলৰ থাকে তেওঁলোক কবি বা বন্ধু !
কিয়নো নুবুজা মোৰো যে আছে হৃদয়, বিবেক আৰু যৌৱন।
কিয় বাৰো তুমি ভাঙি থৈ গ'লা মোৰ সপোনৰ ঘৰ।
সেই ভগ্নস্তুপৰ মাজত, বগা কাগজত ৰঙা চিয়াঁহীৰ দৰে ককবকাই থাকো মইঁ।
সেই বাবেই এতিয়া মইঁ মুক্তিৰ বাবে মৃত্যুক পূজা কৰো।

# মোৰ কবিতাৰ আকাশত নামিল ডাৱৰ....

**দেবীকা ৰায়**
স্নাতক তৃতীয় বৰ্ষ



*মোৰ কবিতাৰ আকাশত নামিল ডাৱৰ ...।*
*মোৰ ডাৱৰ কাজল দুচকুত লুকাইছে বেলি...*
*স্মৃতিহীন জীৱনেই শূন্যতা ........*
*শৈশৱ সোঁৱৰণিৰ এখিলা সৰাপাত,*
*যাক লৈ উচুপিব পাৰি।*
*সুখী হ'লো বৰষুণে স্মৃতিবোৰ*
*কঢ়িয়াইছে বুলি জানি।*
*আজিও বৰষুণ পৰিব ........*
*স্মৃতিবোৰ নাচিব .........।*
*আজিও মোৰ দুচকু ধোঁৱাই*
*নিদ্ৰাহীনতাৰে পাৰ হ'ব এটা ৰাতি।*
*নিশাৰ গভীৰতাই বুকুত বিষাদৰ ঢৌ তুলিছে।*
*ভৰি পৰিছে দুচকুত মোৰ*
*দুখৰ দবা-গিটা বৰষুণ।*
*মনতে প্ৰশ্ন হৈছে,*
*তুমি হেৰুৱালা নেকি মোৰ ঠিকনা ?*
*ভুল নুবুজিবা*
*নকৰিবা চোন ইমান অভিমান*
*মোক স্পৰ্শ কৰা আৰু*
*ছুই চাব দিয়া তোমাৰ অনুভূতিক.......*
*দূৰণিত থাকিলেও তুমি .....*
*মোৰ হৃদয়ৰ পৰিধি চাব পাৰা জুমি-জুমি ......*

# তোমাক কি লাগে

**মীনাক্ষী বৰদলৈ**
স্নাতক প্ৰথম বৰ্ষ (কলা)

আজি মই ধৰাশায়ী
মোৰ ভাৱনাৰ বাটত হেজাৰ কাঁইট।
মোৰ সপোনৰ বাটত দুলি ৰয়
হেজাৰটা প্ৰশ্নৰ হেজাৰটা পেণ্ডুলাম।
হিংসাৰে পৃথিৱী জয়ৰ সপোন
কাৰোবাৰ সুখক আজুৰি অনাৰ সপোন
তুমি দেখিছা নেকি ?
আছে নেকি তোমাৰ এনে অভিপ্ৰায়
দেৱতাৰ পৰা দৈত্য হোৱাৰ
হ'ব খোজা নেকি
দানবৰ সমাজৰ একচ্ছত্ৰী সম্ৰাট
যাৰ শাসনত চলে অত্যাচাৰ, ব্যভিচাৰ।
নিবিচৰা নেকি নিষ্পাপ শিশুৰ হাঁহি,
নিবিচৰা নেকি শান্তিময় পৃথিৱী ?
আজুৰি আনিব খোজা কিয় কাৰোবাৰ সুখ
চাব খোজা কিয় নিৰ্দোষী লোকৰ
চিন্ন অংগ, তেজৰ সোঁত।
নুবুজানে কান্দোন কি ? কাৰোবাৰ হেঁপাহ কি ?
হৃদয় আছেনে তোমাৰ ? 'মানুহ'ৰ হৃদয়
যাৰ অভাৱত হৈ পৰিছা অমানুহ।
ইয়াৰ বাবে কোননো দায়ী ?
লাগে নেকি তোমাক
দিব পাৰো মই এনে এখন হৃদয়
যি হৃদয় যন্ত্ৰণাত ধৰাশায়ী।

# মা

**প্ৰণিতা ডেকা**
স্নাতক প্ৰথম বৰ্ষ (কলা)

মোৰো জন্মত,
বৰকাঁহ বাজিছিলনে নাই
মই নাজানো।
এইটো ঠিক যে
আইৰ যান্ত্ৰণা কাতৰ চিঞৰত
দশোদিশ চানিছিল,
আৰু বেদনাৰ পাৰ ভাগি
বৈ অহা, উত্তপ্ত চকুলো দুধাৰিয়ে
আইৰ দুগাল তিয়াইছিল।
হৃদয়ৰ গোপন কোণত
আশাৰ সাতোৰঙী খেলা খেলিছিল।
আইৰ কপালৰ কেঁচা ঘামে
মোৰ শিৰা উপশিৰাত
তেজ ঢালি দিছিল
চকুলোৰে বন্তি জ্বলোৱা
তুলসী তলৰ চাকিটিয়ে
মোক উজ্বলাই তুলিছিল।
সেয়েহে,
মোৰ জীৱনৰ নিৰবচ্ছিন্ন
গতিধাৰাৰ নাই কোনো
নিউটনীয় ব্যাখ্যা,
আছে মাথোঁ আইৰ শেঁতাপৰা
দুখনি ওঁঠৰ এটি মিঠা হাঁহি
আৰু প্ৰেৰণা ..........................।

# নিষ্ঠুৰ সময়

**মানৱ জ্যোতি মহন্ত**
উচ্চতৰ মাধ্যামিক দ্বিতীয় বৰ্ষ (কলা)

সময়ে হাত বাউলি মাতিছে মোক
উৰি যাম এখন নিজান ঠাইলৈ
এটা হালধীয়া চৰাই হৈ ...।
এৰি থৈ যাম ইয়াতেই
জীৱনৰ সকলো সপোন মোৰ ।
বুকুত আবদ্ধ কৰি ৰখা জীৱনৰ
সকলো আশা আকাঙ্ক্ষা
এৰি থৈ যাম ইয়াতেই ...।
হৃদয়ৰ ভগা ডালত
ওলমি থকা এখিলা সেউজীয়া পাত
নিষ্ঠুৰ সময়ে হাত বাউলি মাতি আছে মোক।
মই এদিন হেৰাই যাম সকলোৰে পৰা
সোণালী জীৱনৰ সোণালী স্মৃতিবোৰ
বুকুতে সাৱটি মই এদিন
হেৰাই যাম সকলোৰে পৰা !!

# এড়োখৰ শিলৰ টুকুৰা

**বৰ্ণালী হাজৰীকা**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

জীৱন যেতিয়া হয় জ্বলন্ত অগ্নিপিণ্ড,
তেনেকুৱা জীৱনত জুইশলাৰ প্ৰয়োজন ক'ত?
যেতিয়া চতুৰ্দিশৰ ঘূৰ্ণিবতাহে আগুৰি ধৰে
তেতিয়া সি নীৰৱ - নিস্তব্ধ হৈ থমকি ৰয়।
কংক্ৰিটৰ অট্ৰালিকাবোৰৰ মাজত সি,
তেতিয়া সি জানে কেৱল স্বাৰ্থপৰতা,
জোন - বেলিৰ দেশলৈ আগমন হয় তাৰ,
সি বুজি উঠে সৰ্বজনৰ অবুজ ভাষা।
দুৰ্ভগীয়াৰ আৰ্তনাদে তাৰ বুকুত ঠেকা খাই
প্ৰতিধ্বনি হয়।
তাৰ হৃদয়খন কঁপিবলৈ ধৰে
একোটা প্ৰকাণ্ড ভূঁইকপৰ দৰে।
তেতিয়াই সেই গছবোৰ উভালি পৰে,
যিবোৰত তাৰ আছিল অগাধ লিপ্সা।
তাৰ অনুভৱত আঘাত দি সিহঁত হৈ পৰে
বিশ্বাসঘাতক, প্ৰতাৰক, প্ৰৱঞ্চক।
কীটখোৱা গছপাতবোৰে উচুপি উঠে যেতিয়া,
সি আলফুলে হাত বুলাই মৰম কৰে।
সাগৰখনে যেতিয়া হাতবাউল দি
তাক আমন্ত্ৰণ জনায়,
তেতিয়া তাৰ স্মৃত হয় গীতাৰ শ্লোক।
শুভ্ৰ পৰ্বতটোলৈ সি বগাই যায়
তৰাৰ দেশৰ আশাৰে
তেতিয়া তাক কঢ়িয়াই নিয়ে
পপীয়া তৰায়ে পংগুত্বৰ স্থানলৈ।
লক্ষ্য চিৰস্থায়ী কৰি সি আগুৱাই যায়;
সি অৱলম্বন কৰে অন্ধত্ব, বধিৰতা,
সহিষ্ণুক সংগী কৰি আৰম্ভ কৰে সি
এক দুৰ্বিসহ অন্তহীন যাত্ৰা।
সি নাজানে, ক'ত ইয়াৰ অন্ত;
কিন্তু লাহে লাহে কমি আহে
প্ৰতিধ্বনিৰ শব্দ।

# তুমিতো মোৰ কাহানিও নাছিলা

**দীপিকা শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*প্ৰতিটো পল প্ৰতিটো ক্ষণ*
*মোৰ বাবে আজি এক বিষাক্ত দংশন*

*তুমিতো মোৰ কাহানিও নাছিলা*
*তেন্তে কিয় মোৰ অশ্ৰুসিক্ত দুচকুত*
*ৰঙীন সপোনবোৰ সিঁচি গ'লা*

*প্ৰত্যেকটো সপোন আজি ভাঙি চুৰমাৰ*
*মোৰ দুচকুত এতিয়া মাথোঁ অন্ধকাৰ*
*আশাবোৰো আজি যেন নিৰাশা*
*প্ৰতিটো দিন প্ৰতিটো ৰাতি এতিয়া*
*বিষাদেৰে ভৰা*
*এতিয়া মোৰ বুকুত মাথোঁ*
*অপূৰ্ণ আশাবোৰৰ যন্ত্ৰণা*

*নাই নাই তুমি ভুল নুবুজিবা*
*ইয়াত তোমাৰ কোনো দোষ নাই*
*কাৰণ, তুমিতো মোৰ ............*
*কাহানিও নাছিলা।*

# চকুলো

**দিব্যজ্যোতি হাজৰিকা**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*স্মৃতিৰ আকাশত উৰি থাকোতে মই*

*প্ৰতি নিশাৰ অলেখ প্ৰহৰত,*

*আছিলো উজাগৰে*

*জানো তুমি আহিবা মোৰ কাষলৈ !*

*সপোনে - শয়নে তেতিয়া ........*

*তোমাৰেই প্ৰতিচ্ছবি ভাঁহিছিল মোৰ দুচকুত*

*কিন্তু ...! আজি আৰু নাই সেই আভাস*

*নাই আজি মোৰ দুচকুৰ সেই প্ৰতিচ্ছবি।*

*আছে মাথোঁ মোৰ দুচকুৰ কোণত*

*কেইটোপালমান চকুলো।*

# খিৰিকী মুখত তোমাৰ মুখ

**দিবাকৰ বৰদলৈ**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*খিৰিকী মুখৰ সৌন্দৰ্যৰ*

*মাদকতাই বেলেগ*

*অচিনাকিবোৰো হয়*

*কিবা চিনাকি – চিনাকি*

*কিবা ভাল নলগাটোও*

*ভাল লাগি যায়*

*প্ৰথম তোমাকে*

*খিৰিকীৰেই দেখিছিলো*

*দেও লগা যৌৱনৰ বাটত*

*খিৰিকী মুখত*

*তোমাৰ মুখ*

*আঃ*

*অনুপম ! অনুপম !*

# এটা নতুন সপোনৰ বাবে

**মৃদুলা বৰদলৈ**
**স্নাতক প্ৰথম বৰ্ষ (কলা)**

প্ৰেমৰ বা বলিলে
তোমাৰ পৰা দূৰত
মোৰ মন উৰণীয়া মৌয়ে
সুগন্ধিত মতলীয়া ;
হৃদয় সুকোমল পাহি গছকি
তুমি দি যোৱা সপোনটো
মোৰ কামি হাঁড়ৰ মাজে- মাজে
সুগন্ধি শেৱালি হৈ ফুলি আছে
মই যে নাৰী
মতলীয়া মই
তুমি বিচাৰিলেই
দিবলৈ মন যায়
যদিও মোৰ একো নাই
এখন হৃদয়ৰ বাহিৰে
যিয়েই সৰ্ব্বস্ব
কাৰণ মই নাৰী
তুমি আহিবা
বাট চাই ৰ'ম ওৰেটো জীৱন .......
এটা নতুন সপোনৰ বাবে .........
আশাৰ জীৱন
সজাম ধৰণী-ধুনীয়া।

# স্মৃতিক সুঁৱৰি

**ৰুমি বৰদলৈ**
**একাদশ মান (কলা)**

তুমি নোহোৱাত মোৰ এনে লাগিছে
গোটেই পৃথিৱীখন জনশূন্য,
মাথোঁ শুনিছো কোনোবা এজাক বতাহে
সুহুৰিয়াই যোৱা আৰু .......................।
যেতিয়া ব্ৰহ্মপুত্ৰৰ বুকুৰ শুকান বালিত
খোজ কাঢ়ো নীৰৱ হৈ অকলে,
ক'ৰবাৰ পৰা ভাঁহি আহে মাথোঁ তোমাৰ
সেই হাঁহি আৰু কথা ....................
ব্ৰহ্মপুত্ৰৰ বুকুতে আছিল এচটা
ডাঙৰ শিল,
তাতো আছিল তোমাৰ আৰু মোৰ নাম।
ক্ৰমান্বয়ে ধৰিছিল শেলাই
তোমাৰ নামটোত,
অনাথ হৈ ৰ'ল সেই প্ৰাণবিহীন
মোৰ নামটি
বহি ৰ'লো সেই এজোপা
বকুলৰ গুৰিতে
য'ত দিছিলা তুমি মোক অসীম মৰম।
সেই স্মৃতিক সুঁৱৰি আজি
টুকিছো চকুলো,
আৰু তোমাক লৈয়ে ৰচিবলৈ
ল'লো কবিতা।

# মাথোঁ তোমাৰেই অপেক্ষাত

ইমদাদুল ইছলাম
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

পূৰ্ণিমাৰ এই স্বচ্ছ জোনাক
হয়তো এজাক কলিয়া ডাৱৰে ঢাকি পেলাব
যিটো স্থায়ীভাৱে সম্ভৱ নহয়
জোনাক আজি নিৰ্বিকাৰ .......
জোনাকৰ নিজা অস্তিত্ব
বিলীন সম্ভৱ নহয়,
ঠিক তোমাৰ ভালপোৱাৰ দৰেই
তুমি নিৰ্বিকাৰ।
হয়তো কিছুক্ষণৰ বাবে,
তাৰ পাছত পুনৰাই
তোমাৰ বাহুলৈ মোক আমন্ত্ৰণ জনাবা।
মোৰ বিশ্বাস,
মই দৃঢ় .........
ঠিক আগৰ দৰেই আছে
এই আকাশ, এই বতাহ আৰু মোৰ বিশ্বাস।
তুমি পুনৰ আহিবা দেই ............
কলিয়া ডাৱৰখিনি আঁতৰাৰ লগে লগেই,
তোমাৰ প্ৰেম মোৰ কাম্য
ঠিক জোনাকৰ মিঠা পোহৰৰ দৰেই।
তুমি পুনৰ আহিবা দেই ...........
কিয়নো, তোমাৰ প্ৰেমেই মোৰ.........
অপেক্ষা ............... ।

# জীৱন

মঃ আমজাদ হুছেইন

জীৱনটো হ'ল এটা বালিঘৰ
নিমিষতে ভাঙে নিমিষতে গঢ়ে
নদীৰ পাৰত বহি তাকেই ভাবো
নদীৰ সৌন্দৰ্যত ভোল গৈ পাহৰিলো মই
নদীৰ যে আছে ভয়ংকৰ ঢৌ
তাতেই বহি-বহি সাজিলো মনৰ বালিঘৰ
তাতেই খেলিলো জীৱনৰ খেলা
ঢৌৰ প্ৰকোপত পৰি
গলো জহি - খহি
হ'ল মোৰ আশাৰ সমাধি
শেষ হ'ল জীৱনৰ পাতনি
খেলি-মেলি জীৱন লৈ
গৰাকী নোহোৱাকৈ
বৈ যায় মাথোঁ বেদনা
তথাপি মানুহ আহিব খোজে নদীৰ বালিচৰত
পাতিব খোজে হেঁপাহৰ মেল।
জানিও ঢৌৱে ভাঙিব হেঁপাহৰ বালিঘৰ
কিয়, মানুহে সাজিব খোজে হেঁপাহৰ বালিঘৰ
এজাক প্ৰৱল ঢৌৱে যে
উৰুৱাই নিব সকলো আশা - আকাংখ্বা
মাথোঁ বেদনাৰ প্ৰৱাহ প্ৰৱাহ প্ৰৱাহ ............।

# তোমাক সুঁৱৰি এটি আবেলি

**বিতুপৰ্ণ পাটৰ (বাবু)**
**স্নাতক দ্বিতীয় বৰ্ষ (কলা)**

নীলাঞ্জনা !
তুমি কেনে আছা ?
পৃথিৱীৰ বুকুলৈ নামিছে সন্ধ্যা .........
বিশাল লুইতৰ নীলাভ জলৰাশিত পৰিছে
তাৰেই হেঙুলি আভা ..........
দূৰৈত সৌৰা ..........
ৰিণিকি-ৰিণিকি ভাঁহি উঠিছে
টুলং - ভুটুং কৰি থকা
এখনি পালতৰা নাও...........
যেন বিস্তীৰ্ণ লুইতৰ বুকুত
সাঁতুৰি দিশহাৰা।
পক্ষীবোৰ নিজৰ ঘৰলৈ উভতিছে
হাঁহি - উৰুমি, কিৰিলি ........
হয়তো সিহঁতৰ সেয়া ৰং -ধেমালি
যেন বিচাৰিছে সিহঁতে
অৱসান, দিনটোৰ ক্লেশ - ক্লান্তিৰ ...
কুলি এটিয়েও বিনাইছে
বৰ আতুৰ ভাৱে ....
হয়তো প্ৰিয় সংগীৰ সন্ধানত ...
যেন সি বিচাৰিছে
অৱসান, করুণ নিঃসঙ্গতাৰ ....
নীলাঞ্জনা ....
আবেলিৰ এই স্বপ্নীল ক্ষণত মোৰ
তোমালৈ পৰিছে মনত
সেই কুলিটিৰ দৰেই ....
হৃদয় মোৰো নিঃসঙ্গ
আকুলতাৰে ভৰা
কোৱা নীলাঞ্জনা !
তুমি কেনে আছা ??

# সপোন

**মৌচুমি মজুমদাৰ**
**স্নাতক দ্বিতীয় বৰ্ষ (কলা)**

তোমাৰেই পৰশত সাৰ পাই উঠো,
কিন্তু চাৰিওফালে ঘূৰি চাওঁ
কিয় কাকো নেদেখো?
মাজে - মাজে তুমি মোক আমনি কৰা,
হঠাৎ আহি টোপনি ভাঙি
বুকুখন মোৰ কঁপাই তোলা।
কেতিয়াবা মোৰ বৰ ভয় লাগে।
কিয় তুমি এনে কৰা মাজে- মাজে?
কেতিয়াবা আকৌ মোৰ বৰ ভাল লাগে
মই ভাবো; কেতিয়াবালৈ আৰু মই
এনে সপোন দেখিমনে চাগে।
নহয়, এই সকলোবোৰ মিছাৰ
মোহিনী জাল
কিন্তু... তোমাৰ সপোন দেখিলে
লাগে বৰ ভাল।

# ভাল পাওঁ তোমাক

**ৰবিশংকৰ বৰদলৈ**
স্নাতক তৃতীয় বৰ্ষ

দেখিছো অনেক ক্লান্ত প্ৰেমিক
তোমাৰ মোহনীয়তাত
য'ত জগতখনকে সামৰি সোমাই আছে
বহু আৱেগ, বহু অনুভূতি
কাৰোবাৰ আৱেগ, কাৰোবাৰ স্মৃতি ...
ময়ো সোমাই আছো
এই পৃথিৱীৰ মায়াময় জগতত
ভালপোৱাৰ আজৱ কায়দাত
যদিও
ঘা লগা এই হৃদয় টুকুৰাৰ লগত নহয়
তথাপিও তোমাক মই বৰ ভাল পাওঁ
পূৰ আকাশৰ ৰঙা বেলিটোৰ দৰেই
শূন্যতাৰ বিশাল আকাশত
এবুকু সাঁচতীয়া জোনাক বিচাৰি ...।



# এন্ধাৰ জীৱন মোৰ

**মঃ ইকৰামুল হক**
স্নাতক প্ৰথম বৰ্ষ (কলা)

জোনাক বিচাৰি নাপালো একোতে
এন্ধাৰেই ভাল মোৰ বাবে
তোমাৰ সঁচা প্ৰেম বিচাৰিলো
নাপালো একোতে
অকলশৰীয়াই ভাল মোৰ বাবে।
তোমাৰ প্ৰেম নথকা মোৰ জীৱন
এন্ধাৰ হৈ ৰ'ল,
জোনাক বিচাৰি মই
বাসনাৰ ৰঙা ৰং সানি
এবুকু বেদনা পালো মাথোন
এন্ধাৰেই হ'ল চিৰসঙ্গী !!
এন্ধাৰ পোহৰ দোমোজাতে আহি
সৰি পৰে এটি ফুল
গোন্ধৰ সঁফুৰা হিয়াত লাগি
হৈছিল মোৰ বহুত ভুল ।

# অদৃশ্য কাৰাগাৰাৰ বন্দী মই

সংঘমিত্ৰা দাস
স্নাতক দ্বিতীয় বৰ্ষ

অদৃশ্য কাৰাগাৰাৰ মই বন্দী
যেন কোনোদিনে নাপাওঁ
ইয়াৰ পৰা মুক্তি।
মাজে - মাজে ভাবো
ইয়াৰ পৰা পলাই যাওঁ বুলি,
কিন্তু বাট বিচাৰি নাপাই
খাওঁ হাবাথুৰি।
এতিয়া ভাবিছোঁ,
যেতিয়া নাই কোনো উপায়
সকলো কষ্ট স্বীকাৰ কৰি
ইয়াতে থাকিবলৈ
মই যে অসহায়।

# মহৎলোকৰ বাণী

১। যিসকলে অতীতক মনত পেলাব নোৱাৰে তেওঁলোকে একে ভুলকেই কৰি থাকে । - জৰ্জ সনটানা।

২। নিজৰ সুখেহে যাৰ জীৱনৰ লক্ষ্য তেওঁ অসত্য, আনৰ প্ৰশংসা পোৱাটোৱে যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্বল, আনৰ সুখহে যাৰ লক্ষ্য তেওঁহে সৎ লোক । - টলষ্টয়।

৩। তোমাৰ মুখখন ৰশ্মিৰ ফালে ৰাখিলে কেতিয়াও ছাঁ দেখিবলৈ নাপাবা । - হেলেন জেয়াৰ।

৪। আপোনাৰ চৰিত্ৰটোনো কি সেইটো নজনাটোৱেই হ'ল আপোনাৰ চৰিত্ৰ । -ভুমাইট এল মুডি।

৫। কলমেৰে লিখা অসত্যবোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহ'লে যিমানেই পলম হ'ব সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব । - লুচন।

৬। প্ৰথমে নিজক বুজি লোৱা, তেতিয়াহে আনক বুজিবা । - মাদাৰ টেৰেছা।

৭। মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ দৰে পিচতহে দুষ্ট হয় । - ভল্টেয়াৰ।

৮। অনুকৰণ হ'ল সৰল চাতুৰ্য । -মহাত্মা গান্ধী।

৯। মানুহে পোহৰতকৈ অন্ধকাৰ বেছি ভাল পায়, কিয়নো মানুহৰ কামবোৰ অসৎ । -বাইবেল।

১০। মোৰ বিষয়ে কি কয় সেইটো বিশেষ গুৰুত্বপূৰ্ণ কথা নহয়। মই পিছে কি ক'ম আৰু কি কৰিম সেয়েহে গুৰুত্বপূৰ্ণ । -ৰবীন্দ্ৰনাথ ঠাকুৰ।

---

# কৌতুক



* কয়লা ব্ৰেক কৰাৰ অপৰাধত পুলিচে এজন ব্যক্তিক থানালৈ আনি বৰবাবুক চমজাই দিলে। বৰবাবুয়ে অপৰাধী জনক প্ৰশ্ন কৰিলে - আচ্ছা, তুমি কিয় কয়লা ব্ৰেক কৰা ? উত্তৰত অভিযুক্ত জনে ক'লে - মই কয়লা ব্ৰেক কৰা নাই ছাৰ, কয়লাটো আগৰ পৰাই ব্ৰেক।

* * *

* শান্ত, নিৰাপদ ঠাইত মাটি কিনিবলৈ বিচাৰে ৰতনে। এজন বন্ধুৰ লগত মাটি বিচাৰি গ'ল। এঠাইত মাটি চাই পছন্দ কৰি ক'লে - ঠাইখিনি বৰ নিৰাপদ যেন পাইছো ।

বন্ধুজনে উত্তৰত ক'লে - ঠিকেই কৈছা, বৰ নিৰাপদ । কেইদিনমান আগতে দিন - দুপৰত ইয়াতে এটা খুন হৈছিল, কোনেও গম পোৱা নাই ।

* * *

**হবিবুৰ ৰহমান**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

# বাংলা বিভাগ

# হৃদয়ের বন্ধন

টুম্পা দাস
স্নাতক তৃতীয় বর্ষের ছাত্রী

কলেজ জীবন স্বাভাবিক ভাবেই আনন্দময়। আর আমরা প্রত্যেকেই চাই এই সময়টিকে জীবনের অমূল্য সম্পদরূপে চিরদিনের জন্য সাজিয়ে রাখতে। জীবনের এই পাঁচটি বছর আনন্দে কেটে যায়, যেন মনে হয় মাত্র পাঁচটি দিন। মনে হয়, সেদিন মাত্র আমরা H.S. 1st year এ ভর্তি হলাম আর আজ আমরা T.D.C. 3rd year এর ছাত্র-ছাত্রী। দেখতে দেখতে চলে যায় মজার দিনগুলো। শুধু থেকে যায় কিছু মধুর স্মৃতি।

এমনই আনন্দের মধ্যে চলছিল চারটি মেয়ের জীবন। এই চারজন হ'ল রিতু, জিয়া, তাসু আর সানিয়া। এই চারজনেই ছিল best friend । বলতে গেলে চারটি দেহ একটি প্রাণ। চারজনই চারজনকে প্রাণের চেয়েও বেশী ভালবাসত। কেউ কাউকে না দেখে থাকতে পারত না। ওরা ছিল স্নাতক দ্বিতীয় বর্ষের ছাত্রী। যখন ভাবত 2nd yearতো চলেই যাচ্ছে। আর আছে last year এটাও যখন চলে যাবে তখন ওরা কি করবে, কিভাবে বাঁচবে একে অপরকে ছেড়ে । তা ভেবেই তাদের অন্তর কেঁপে উঠত। মনে হয় যেন, যদি ক্ষমতা থাকত ওরা সময়টাকে আটকে রাখত। সারাদিন ওরা থাকত একই সঙ্গে। ওদের জীবনের সুখ-দুঃখ সবই ছিল এক সাথে। এমনই অতুলনীয় ছিল তাদের বন্ধুত্ব। মনে হয়, তাদের বন্ধুত্ব চিরদিনের জন্য অমর হয়ে থাকবে।

একবার হঠাৎ তাসু অনেকদিন ধরে কলেজে আসছে না। জিয়া, রিতু আর সানিয়া বলাবলি করছে। ওর কোন খবরও পাওয়া যাচ্ছে না। আগেতো কখনও এমন হয়নি। তাই রিতু বলল, চল আজ কলেজ শেষ হওয়ার পর একবার তাসুর বাড়িতে যাই। সানিয়া আর জিয়াও বলছে, আমাদের মনটাও কেমন লাগেছে। অনেকদিন হয়ে গেল ওকে দেখিনি। একবার ওকে দেখতে ইচ্ছে করছে।

